# Assam Legislative Assembly Debates

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. 1

NO. 39

THE 29TH MAY. 1989

Price. Rs. 20.61

# CONTENTS

## BUDGET SESSION

Volume I No. 39

Dated, the 29th May 1989


| | | Page. |
|---|---|---|
| 1. | Questions & Answers .... | 1 — 20 |
| 2. | Announcement from the Chair .... .... | 21 — 22 |
| 3. | Voting on Demands for Grants .... .... | 22 — 91 |
| 4. | Consideration and Passing of Government Bill.... .... .... .... | 92 — 94 |
| 5. | Introduction of Government Bills ... .... | 95 — 96 |
| 6. | Adjournment ........................................ | 96 — 97 |
| 7. | Annexure............ .... .... | 97 — 109 |

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday, May 29, 1989

The House met at 9 A. M. in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED

## QUESTIONS AND ANSWERS

( To which oral replies were given )

Re : Memorandum from Assam State Employees Federation.

Shri Abdul Jabbar asked :

* 773. Will the Chief Minister be pleased to state :

( a ) Whether the Government received a Memorandum from the Assam State Employees' Federation dt. 5th April, 1989 ?

( b ) Whether any decision has been taken by the Government upon the Memorandum ?

( c ) If so, what are those ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

( a ) Yes.

( b ) Yes

( c ) Government have decided to enhance the exemption of limit for purposes of Profession Tax from Rs. 8000/- of annual income to Rs. 16,000/— Government have also decided to withdraw the increases in Sales tax rates in respect of items of mass consumption.

Shri Abdul Jabbar : Sir, May I know what were the main demands in the memorandum and what about the remaining demands ?

Shri Prafulla Kumar Mahanta ( Chief Minister ): মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ ভিতৰত Federation's demands were two fold—

1. (1) Withdrawal of the following ;.

(a) Enhancement of rates of lump sum passengers tax proposed in the Budget,

(b) proposed levy of entry tax on sugar, tobacco

(c) enhancement of rates of sales tax on tea, tooth paste, tooth brush, hair oil, petrol, other petroleum products

(d) proposed levy of sales tax on expensive food sold in hotels/Restaurants

(e) proposed levy of sales tax on pulses

(f) levy of sales tax on supari

(ii) enhancement of the existing exemption limit for professional tax from Rs. 8000/- of annual income to Rs, 40,000/- of annual income.

Government have decided to re-examine (a) (b) and (e) of para 1 (i) above,

Government have decided to withdraw (c) and (d) of para 1 (i) above.

Government have decided to raise the exemption limit from Rs. 8000/- to 16,000/- for professional tax.

Shri Abdul Jabbar : I want to know from the chief Minister whether Government is taking any decision on the remaining demands ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয় বাকী দিমাণ্ড বিলাকৰ সম্পৰ্কত বিবেচনাধীন হৈ আছে ।

বিষয় : লোক আদালত ।

শ্ৰীসুৰেণ স্বৰ্গীয়াৰীয়ে সুধিছে :

* ৭৭৪। মাননীয় আইন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত বৰ্ত্তমানলৈ কিমানখন লোক আদালত স্থাপন কৰা হ'ল ?

(খ) এই লোক আদালত বোৰৰ জৰিয়তে কেনে ধৰণৰ মোকৰ্দমাবোৰ বিচাৰ কৰা হয় ?

(গ) বৰ্ত্তমানলৈ গোটেই অসমত কিমানটা মোকৰ্দমা এই লোক আদালতবোৰৰ জৰিয়তে নিস্পত্তি কৰা হ'ল ?

(ঘ) এই লোক আদালতবোৰ কিহৰ ভিত্তিত স্থাপন কৰা হয়, জনাবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( আইন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমানলৈ অসমত ২৫খন লোক আদালত স্থাপন (অনুস্থিত) কৰা হৈছে।

(খ) এই লোক আদালত বোৰৰ জৰিয়তে টকা পইচা সংক্ৰান্তত সৰু সুৰা মামলা মটৰ দুৰ্ঘটনা সংক্ৰান্ত মোকৰ্দমা, ভৰণ পোষণ সংক্ৰান্ত গোচৰ, নামজাৰী সক্ৰান্ত গোচৰ আৰু অভিভাৱক আৰু প্ৰতিপাল্য সম্পৰ্কিত গোচৰ আৰু সৰুসুৰা ফৌজদাৰী গোচৰ নিস্পত্তি কৰা হয়।

(গ) বৰ্ত্তমানলৈ ২১৭৫ টা গোচৰ এই লোক আদালতবোৰৰ জৰিয়তে নিস্পত্তি কৰা হৈছে।

(ঘ) এই লোক আদালতবোৰ জিলাৰ উপায়ুক্ত, জিলা জজ্ আৰু মুখ্য দণ্ডাধীশৰ লগত আলোচনা কৰি অনুস্থিত কৰা হয় আৰু তেনে আলোচনাৰ জৰিয়তে ঠাই নিৰ্দ্ধাৰণ কৰা হয়।

শ্ৰীসুৰেণ স্বৰ্গীয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, জিলা ভিত্তিত লোক আদালত কিমান খন স্থাপন কৰিব পৰা যায় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ কোনো হিচাব নাই কিমানখন কৰিব পৰা যায়। বিভিন্ন জিলাত সময়ে সময়ে কৰা যায় আৰু আমি মাহে মাহে কৰি আছো । কোনোবা এখন জিলাত এখন, কোনোবা এখন জিলাত তিনিখন এনেকৈয়ে কৰা হৈছে। য'ত কেচৰ সংখ্যা বা গোচৰ

বেচি তাত সাধাৰণতে এই লোক আদালতৰ জৰিয়তে গোচৰ বিলাক নিস্পত্তি কৰাৰ কাৰণে যতন কৰা হৈছে।

ডা ঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় মন্ত্ৰী মহোদয়ে দয়া কৰি জনাবনে এই সদনতে কিছুমান কেনচাৰ ৰোগীৰ বিষয়ে আলোচনা হৈছিল । তেওঁলোকৰ ওপৰত ফৰেইণ নেচনেলৰ নটিচ দিয়াৰ পিচত তেওঁলোকে এই কেচ বিলাক চলাব নোৱাৰে । গতিকে তেনে ক্ষেত্ৰত তেওঁলোকৰ এই গোচৰ বিলাক লোক আদালতৰ দ্বাৰা অনুগ্ৰহ কৰি নিস্পত্তি কৰাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৭ চনৰ আমাৰ নিয়মাৱলী আছে । তাত থকা স্বিডুল মতে যিখিনি কেচ লব পাৰি সিমান খিনিহে লব পৰা যাব । তাতকৈ অন্য গোচৰ লব পৰাৰ ব্যৱস্থা নাই ।

ডা ঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ স্বিডুলত এইটো দয়া কৰি সোমাই দিব নেকি

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) ঃ ইয়াত দয়া মৰমৰ কথা নুঠে । যিটো আইন যেনেকৈ প্ৰয়োগ কৰিব পৰা যায় সেইটো তেনে ধৰণে কৰা হয় । তথাপি তেখেতে যিটো অনুৰোধ কৰিছে সেইটো আমি বিবেচনা কৰি চাম।

শ্ৰীআব্দুল জেলিল ৰাগিবী ঃ নগাওঁ জিলাত লোক আদালত এখন গঠন কৰিব নেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) ঃ ইতিমধ্যে নগাওঁ জিলাত তিনি খন লোক আদালত গঠন কৰা হৈছে ।

( Starred Question nos. 775 & 776 were not Called for. However written replies deemed to have been laid on the table as follows ) :

বিষয় ঃ সন্ত্ৰাসবাদত মৃত্যু হোৱা লোকলৈ সাহায্য

কুমাৰ দীপক দাসে সুধিছে ঃ

* ৭৭৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

( ক ) অসমত বড়ো উগ্ৰপন্থী সকলৰ দ্বাৰা হত্যা কৰা লোক সকলৰ পৰিয়ালৰ প্ৰতি কিবা সাহায্য দিয়া হৈছে নেকি ?

(খ) যদি দিয়া হৈছে উগ্রপন্থী কাৰ্য্যকলাপৰ বলি হোৱা লোক সকলৰ নাম আৰু কোনে কিমান টকাৰ সাহায্য পালে বিতংভাবে জনাবনে ?

(গ) বৰপেটা জিলাত ১৯৮৯ চনত সন্ত্ৰাসবাদৰ বলি হোৱা লোক সকলৰ নাম আৰু ঠিকনা সমূহ কি ?

(ঘ) সেই সকলৰ পৰিয়াললৈ চৰকাৰী কিবা সাহায্য দিয়া হৈছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় ?

(খ) চৰকাৰৰ হাতত বৰ্ত্তমান থকা তথ্যানুযায়ী উগ্ৰপন্থীৰ কাৰ্য্যকলাপত বলি হোৱা লোকৰ নামৰ তালিকা সদনৰ মেজত ৰখা হ'ল। এই তালিকাত কোকৰাঝাৰ, বৰপেটা জিলা আৰু গোৱালপাৰা জিলাৰ অভয়াপুৰি মহকুমাৰ সম্পৰ্কেহে তথ্য দেখুওৱা হৈছে। দৰং আৰু ধুবুৰী জিলাৰ ক্ষেত্ৰত তথ্য পিচত দিয়া হব। যি কেইজন লোকৰ ক্ষেত্ৰত এককালীন সাহায্য আগবঢ়োৱা হৈছে তেখেতসকলৰ নামৰ বিপৰীতে সাহায্যৰ পৰিমান উল্লেখ কৰা হৈছে। অন্যান্য সকলৰ ক্ষেত্ৰত সাহায্য আগবঢ়োৱা সম্পৰ্কে সৱিশেষ তথ্য জিলাৰ কৰ্ত্তৃপক্ষৰ পৰা পোৱাৰ লগে লগে সদনত দিয়া হব।

(গ) আৰু (ঘ) ঃ এই সম্পৰ্কত প্ৰশ্ন নং (ক) ৰ উত্তৰত দিয়া তালিকাৰ ক্ৰমিক নং ৮০-৮৫ ত আৱশ্যকীয় তথ্য দিয়া হৈছে।

(See the list at Annexure I)

## বিষয় ঃ বিত্তীয় সংকট।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

* ৭৭৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান ৰাজ্যখনত বিত্তীয় সংকট চলি থকাটো সঁচা নেকি ?

(খ) যদি সঁচা বিত্তীয় সংকটৰ কাৰনে বৰ্ত্তমান চৰকাৰে কি কি বিষয়ত ব্যয় নিয়ন্ত্ৰন কৰিবলৈ বিচাৰিছে ?

শ্ৰীপ্ৰফুল্ল কমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) প্ৰত্যেকটো শিতানৰ ব্যয় চৰকাৰে সুকীয়া সুকীয়া ভাবে নিয়ন্ত্ৰন নকৰে। কিন্তু অধিৰিকৰ্ম (ওভাৰ ড্ৰাফট) এৰাই চলাৰ উদ্দেশ্যে প্ৰত্যেক মাহৰ পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভুত লেন দেন সামগ্ৰিক ভাবে নিয়ন্ত্ৰন কৰা হয়। অৱশ্যে কৰ্ম্মচাৰীৰ বেতন আৰু ৰাজ্যপাল, -মন্ত্ৰী পৰিষদ, বিধান সভা আৰু ন্যায় বিভাগৰ ব্যয় এনেধৰনে নিয়ন্ত্ৰন কৰা নহয়।

## বিভিন্ন আঁচনিৰ অনুমোদন।

শ্ৰীগোপী নাথ দাসে সুধিছে :

* ৭৭৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা ১২/১০/৮৮ (ইং) তাৰিখে গুৱাহাটী মহকুমা পৰিকল্পনা আৰু উন্নয় পৰিষদৰ সভাত "আচুতীয়া পূজিৰ" প্ৰায় ৫০ (পঞ্চাশ) লাখ টকাৰ বিভিন্ন আঁচনি অনুমোদন কৰা কথাটো সঁচানে ?

(খ) যদি সঁচা তেন্তে চৰকাৰে উক্ত আঁচনিবোৰ কাৰ্য্যকৰী কৰাৰ বাবে মঞ্জুৰী দিছেনে ?

(গ) যদি দিয়া নাই তেন্তে ইয়াৰ কাৰনটো কি ?

(ঘ) যদি মঞ্জুৰী দিয়া হৈছে তেন্তে কেতিয়া মঞ্জুৰী দিয়া হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক)—সঁচা।

(খ)—আচুতীয়া পুজিৰ অধীনত মহকুমাটোক ৮ লাখ ২৫ হাজাৰ টকাৰ মঞ্জুৰী দিয়া হৈছে। অৱশ্যে এই মঞ্জুৰীকৃত ধনেৰে উক্ত সকলো প্ৰকাৰৰ আঁচনি কাৰ্য্যকৰী কৰিব পৰা নহব।

(গ)—ৰাজ্যখনে সন্মুখীন হোৱা বিত্তীয় সংকটৰ বাবে।

(ঘ)—মঞ্জুৰী দিয়া হৈছে যোৱা ২৫/৩/৮৯ (ইং) তাৰিখে।

শ্ৰীপোপী নাথ দাস : মাননীয় অধ্যক্ষ মহোদয়, মননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে এই আচুতীয়া পুজিৰ টকাৰে সকলো প্ৰকাৰৰ আঁচনি কাৰ্য্যকৰী কৰিব পৰা নহব। আমি প্লেন ব্যজেটত ৰাস্তা, বিদ্যালয়, গৃহনিৰ্ম্মাণ পানীযোগান ইত্যাদি এনেধৰণৰ কিছুমান আঁচনি লৈছিলো, তেনেকুৱা আঁচনি বিলাক কাৰ্য্যকৰী কৰিব পৰা হব নে নহয় ?

শ্রীপ্রফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়,যিটো টকা মঞ্জুৰী কৰা হৈছিল সেই টকাৰ ভিতৰত যদি আচনি আছে তেতিয়া কৰিব পৰা হব ।

(Starred Question nos, 778 & 779 were not Called for. However written replies deemed to have beed laid on the table as follows )

বিষয় : পাওৱাৰ পাম্প ।

শ্রীআব্দুল জলিলে সুধিছে :

* ৭৭৮। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) নগাওঁ জিলাৰ লাহৰিঘাট উন্নয়ন খণ্ডত ১৯৮৫ চনৰ পৰা বৰ্ত্তমানলৈকে চৰ উন্নয়ন নিগমৰ পৰা কিমান পাওৱাৰ পাম্প দিয়া হৈছে ?

(খ) এই পাওৱাৰ প্পাপবোৰ কাক কাক দিয়া হৈছে ও বৰ্ত্তনান কি অৱস্থাত আছে ?

শ্রীপ্রফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে :

(ক) দহটা ।

(খ) দহটা পাওৱাৰ পাম্পৰ ভিতৰত এতিয়ালৈকে মুঠ ছয়টা পাওৱাৰ পাম্প তলত দিয়া ব্যক্তি সকলৰ মাজত বিতৰণ কৰা হৈছে ।

১। মোঃ চোৰহাব আলী ——— কাহঁতলি ১ টা

২। " জালাল উদ্দিন ——— নিতমাৰী ১ টা

৩। " আব্দুল হাছেন ............... কাঁহিতলী ১ টা

৪। শ্রীপত্বাম বৰা ...............— আমতলী ১ টা

৫। শ্রীৰুপেশ্বৰ বড়ো ............... আমগুৰ ১ টা

৬। মোঃ বিয়াজ উদ্দিন হাজি ........... নিতমাৰী ১ টা

উক্ত বিতৰণ কৰা পাওৱাৰ পাম্প কেইটাৰ ভিতৰত শ্রীপত্বাম বৰাৰ পাওৱাৰ পাম্পৰ বাহিৰে বাকী পাচটা চলিত অৱস্থাত আছে ।

বিষয় ঃ দূৰদৰ্শন বিতৰণ

শ্ৰীমকবুল হুছেইনে সুধিছে ঃ

* ৭৭৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

( ক ) অভয়াপুৰী উত্তৰ সমষ্টিত বিতৰণ কৰা দূৰদৰ্শন সমূহ স্থানীয় বিধায়কৰ মত সাপেক্ষে দিয়া হৈছে নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

( ক ) হয় । স্থানীয় বিধায়কৰ অনুমোদন সাপেক্ষে দিয়া হৈছে ।

Re : Memorandum From Char Unnayan Parishad.

Shri Abdul Jalil Ragibi asked :

* 780. Will the Chief Minister be pleased to state :

( a ) Whether Government has received any Memorandum from the Char Unnayan Parishad Alopatichar for transfer of Char areas of Barpeta district to Goalpara district ?

( b ) If so, the steps taken by the Government in this regard ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

(a ) Yes.

( b ) This is under examination of the Government.

শ্ৰীশ্বেখ আবুল হামিদ ঃ মাননীয় অধ্যক্ষ মহোদয়, মেমোৰেণ্ডাত যিখিনি কথা কোৱা হৈছে চৰকাৰে ইয়াৰ কি পদক্ষেপ লৈছে এই বিষয়ে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সদনত জনাবনে ?

Mr Speaker : It is under examination. Please Sit down.
(Starred Question No. 781 was not Called for. Hewever written replies deemed to have been laid on the Table as follows)

Re: Amount Sanctioned For Badarpur Town Committee.

Shri Ramendra De asked :

* 781. Will the Minister, Municipal Administration be pleased to state :

(a) Whether Government has sanctioned any amount to Badarpur Town Committee and Karimganj Municipality for development of Markets or establishment of new markets during the year 1984 to 1989 ?

(Furnish year-wise sanction and expenditure approved)

(b) Whether Government is taking any step to establish new markets in the Badarpur Town Committee and Karimganj Municipal Board ?

(c) If so, what are the steps ?

Shri Sahidul Alam Choudhury (Minister of Municipal Administration,) replied :

(a) Yes. Amount sanctioned are detailed below :

Rs. in lacs

| Rs. in lacs | 1984-85 | 1985-86 | 1986-87 | 1987-88 | 1988-89 |
|---|---|---|---|---|---|
| Badarpur Town Committee. | — | — | — | — | — |
| Karimganj Municipal Board. | — | 10.00 | 5.00 | — | — |

(b) Yes. Government have decided to establish new market at Karimganj.

(c) Construction of 2nd market at Karimganj is going on and 80% work has been completed.

বিষয় : কৰ্ম্মচাৰী শিক্ষকৰ সেৱাবিধি ।

শ্ৰীকামাখ্যা চৰণ চৌধুৰীয়ে সুধিছে :

* ৭৮২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কৰ্ম্মচাৰী আৰু শিক্ষকৰ কেবাটাও সন্থাই সংশ্লিষ্ট কৰ্ম্মচাৰী, শিক্ষকৰ সেৱা বিধি চূড়ান্ত কৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাই অহাটো সচানে ?

(খ) কোন কোন সেৱাৰ চাকৰিয়ালৰ বাবে সেৱাবিধি এতিয়াও চূড়ান্ত কৰিব পৰা নাই ? (তালিকা এখন সদনত দাখিল কৰিব)

(গ) সেৱা বিধি চূড়ান্ত নোহোৱাৰ ফলত সেই সকল কৰ্ম্মচাৰী শিক্ষকৰ বাবে চৰকাৰৰো কিবা অসুবিধা হৈছেনে ?

(ঘ) যদি হৈছে তেন্তে কেনে ধৰনৰ অসুবিধা হৈছে ?

(ঙ) অসুবিধাবোৰ দূৰ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সচা ।

(খ) তালিকা সদনৰ মেজত ৰখা হৈছে । (See the list at AnnexreII)

(গ) হৈছে ।

(ঘ) বিভিন্ন সেৱাত নিয়োগ, পদোন্নতি আৰু জেষ্ঠতা নিৰূপন ক্ষেত্ৰত কিছু অসুবিধা হৈছে ।

(ঙ) হয়, লোৱা হৈছে ।

শ্ৰীকামাখ্যা চৰণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, অসুবিধা হোৱা বুলি কৈছে। কেনে ধৰণৰ অসুবিধা হৈছে ? মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তৎকালীন ভাবে ব্যৱস্থা লব নে ? কৰ্ম্মচাৰী সকলৰ সেৱা বিধিৰ কাৰণে নানা বেমেজালি হৈছে । সেই কাৰণে সেৱা বিধি যাতে সোনকালে হয় তাৰ কাৰণে ব্যৱস্থা লব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো যাতে খৰতকীয়া ভাবে ব্যৱস্থা লব পৰা যায় তাৰ কাৰণে বিত্ত বিভাগ, ন্যায়

বিভাগ আদি সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে।

Starred Question no 783 was not Called for

Shri Golok Chandra Rajbanshi : Mr. Speaker, Sir, how many times whould we object to such procedure. The question has been allowed, that has come up for reply and the Minister is absent.

Shri Hemen Das : Sir, the matter should be taken seriously. This is not the first time that they are not honouring the House. Rather, they are showing disrespect to the House.

Dr. Ardhendu Kr. Dey : The Hon. Chief Minister is present—he can answer.

( voices — No, No. )

Shri Hemen Das : We want to know from the leader of the House why his cabinet Minister is defying the rules and procedure of the House.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয়, অধ্যক্ষ মহোদয় বিভাগীয় মন্ত্ৰী যদি বিশেষ অসুবিধাৰ কাৰণে উপস্থিত থাকিব পৰা নাই এই বিষয়টো খবৰ কৰি ভৱিষ্যতে য'তে তেখেতে এনেকুৱা নকৰে তাৰ কাৰণে মই তেখতক কম।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয় মন্ত্ৰীয়ে মুখ্যমন্ত্ৰী মহোদয়ক খবৰো দিয়া নাই। এইটো বৰ দুখজনক কথা হৈছে।

Shri Hiranya Bora : The Minister is clearly defying the House-he is defying the Chief Minister also.

Mr. Speaker : The Hon'ble Chief Minister has already given his reply-however, this is very very unfortunate.

Re : Doom Dooma Town Committee Market.

Shri Dileswar Tanti, asked :

* 784. Will the Minister, Municipal Administration be pleased to state :

(a) Whether the Government is aware that a portion of the Doom Dooma Town Committee Market was burnt down because of incident of fire on 24.4.89 ?

(b) If so, how many persons were affected by this fire and the extent of damages of losses to the individual members ?

(c) Whether the Government is going to provide some interim relief to these affected persons ?

Shri Sahidul Alam Choudhury (Minister, Municipal Administatrion) replied :

(a) Yes, but the fire broke out on 22.4.89.

(b) 15 Nos. of persons were affected and demages caused by Fire are calculated of Rs. 26.10,000/- (exprox)

(c) The matter under consideration.

শ্ৰীদীলেশ্বৰ তান্তী : মাননীয় অধ্যক্ষ মহোদয়, এই অগ্নিকাণ্ডত প্ৰায় ১৭ টা পৰিয়ালৰ ক্ষতিগ্ৰস্ত হৈছে। অৱশ্যে ডুমডুমা টাউন কমিটি মাৰকেটৰ ২৭ লাখ টকা নষ্ট হৈছে। সেই খিনি মেকআপ কৰোতে সময় লব। কিন্তু যিখিনি পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে তেওলোকক ইনটেৰিয়াম ৰিলিফ হিচাবে তৎকালীন ভাবে সাহায্য দিবৰ কাৰণে কিবা ব্যৱস্থা লব নেকি ?

শ্ৰীচহিদুল আলাম চৌধুৰী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ডুমডুমা টাউন কমিটি মাৰকেটৰ অগ্নিকাণ্ডত যি ক্ষতিগ্ৰস্ত হৈছে তাৰ বাবে এনকুইয়াৰী ৰিপোৰ্ট মতে ৰেভিনিউ ডিপাৰ্টমেন্টৰ লগত যোগাযোগ কৰি থকা হৈছে। পিচত এইটো দিব পৰা হব।

বিষয় : ব্ৰডগজ ৰেলপথৰ জৰীপ ।

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে :

* ৭৮৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোৱালপাৰাৰ পঞ্চৰত্নৰ পৰা দক্ষিণ পাৰেদি গুৱাহাটীলৈ অহা ব্ৰডগজ ৰেলপথৰ জৰীপ কাৰ্য্য সম্পূৰ্ণ হ'লনে ?

(খ) ব্ৰডগজ ৰেলপথৰ সম্প্ৰসাৰণ কাৰ্য্যত (পঞ্চৰত্নৰ পৰা গুৱাহাটীলৈ) কিমান বনাঞ্চল, সা-খেতিৰ মাটি, বসবাসৰ মাটি আৰু পৰিয়াল ক্ষতিগ্ৰস্ত হব ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সম্পূৰ্ণ হোৱানাই, মাত্ৰ গোৱালপাৰা জিলাৰ ২৫ খন গাওঁৰ মাজেদি অহা প্ৰায় ৬০ কিঃ মিঃ দীৰ্ঘৰ জৰীপ কাৰ্য্য সম্পূৰ্ণ হৈছে, বাকীবোৰ গাওঁৰ হোৱা নাই। কামৰূপ জিলাৰ সকলোবোৰ গাওঁৰ জৰীপ কাৰ্য্য সম্পূৰ্ণ হৈছে, কেৱল বকো চক্ৰৰ অন্তৰ্গত ৩ খন গাওঁৰহে জৰীপ কাৰ্য্য হবলৈ বাকী আছে।

(খ) কামৰূপ জিলাৰ ভিতৰত বন বিভাগৰ কিমান মাটি ৰেলৰেলৈ হস্তান্তৰ কৰিব সেইটো বন বিভাগেহে কব পাৰিব। এই জিলাৰ ভিতৰত ২৭১৯ বিঘা ১ কঠা ১৯ লেচা খেতিৰ মাটি, ২৮৪ বিঘা ৪ কঠা ১৫ লেচা বস্তিৰ মাটি ৰেলৰেলৈ হস্তান্তৰ কৰিব লাগিব আৰু এই মাটিৰ ওপৰত থকা ১৭০৬ টা পৰিয়াল ক্ষতিগ্ৰস্ত হব।

সেইদৰে গোৱালপাৰা জিলাত এতিয়ালৈ জৰীপ হোৱা ২৫ খন গাওঁৰ ভিতৰত ৮৭৮ বিঘা ৩ কঠা ১৯ লেচা খেতিৰ মাটি ৮৯ বিঘা ১৮ লেচা বস্তিৰ মাটি ৰেল বিভাগলৈ হস্তান্তৰ কৰা হব। বন বিভাগৰ কিমান মাটি ৰেল বিভাগক হস্তান্তৰ কৰিব সেইটো বনবিভাগেহে কব পাৰিব। তথাপি ৰেল বিভাগক হস্তান্তৰ কৰিব সেইটো বনবিভাগেহে কব হব পাৰিব। তথাপি ৰেল বিভাগে প্ৰকাশ কৰা প্ৰয়োজন মতে ১৬৫২ বিঘা ২ কঠা ১৩ লেচা বন বিভাগৰ মাটি ৰেলবিভাগক লাগিব। ইয়াৰ ফলত কিমানটা পৰিয়াল ক্ষতিগ্ৰস্ত হব সেইটো এতিয়া কব পৰা হোৱা নাই।

শ্রীকুলবাহাদুৰ ছেত্রী : মাননীয় অধ্যক্ষ মহোদয়, ডিব্রুগড়লৈ ৰেল লাইন সম্প্রসাৰণ কৰিবৰ কাৰণে অসমৰ দাবী আছিল। এই বিষয়ে মাননীয় মুখ্য-মন্ত্রী মহোদয়ে জনাবনে ?

শ্রীপ্রফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্রী ) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে আমি কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো। তেখেত সকলে টকাৰ অভাৱত হোৱা নাই বুলি কৈছে।

বিষয় : লটৰীয়া গোচৰনীয়া পথাৰ

শ্রীকমলা কলিতাই সুধিছে :

৭৮৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ছয়গাওঁ চক্রৰ লটৰীয়া গোচৰণীয়া পথাৰ সম্পূর্ণ বেদখল হোৱাটো চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে ইয়াক মুক্ত কৰাৰ বাবে কিয় ব্যৱস্থা লোৱা হোৱা নাই ?

(গ) উক্ত পথাৰত মাটিহীন কৃষক সকলক সমবায় পদ্ধতিত কৃষি কৰিবলৈ সুবিধা দিয়াৰ ব্যৱস্থা লবনে ।

শ্রীচন্দ্র আধানধৰা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) লটৰীয়া ব্যৱসায়িক চৰণীয়া পথাৰ বেদখল হোৱাটো সচাঁ।

(খ) ইয়াক বেদখলমুক্ত কৰি ৰাখিবৰ বাবে সময়ে সময়ে উচ্ছেদ কৰি থকা হৈ আছে। যোৱা ইং ৬-২-৮৭ তাৰিখৰ পৰা ১০-২-৮৭ তাৰিখৰ ভিত-ৰত ইয়াক ছয়গাওঁ চক্রৰ উপপ্রতি সমাহর্ত্তাৰ দ্বাৰা সম্পূর্ণ ভাৱে বেদ-খলমুক্ত কৰা হৈছিল। পুন উচ্ছেদৰ ব্যৱস্থা লোৱাত বেদখলকাৰীৰ ৰীট দৰখাস্তৰ ওপৰত উচ্চ ন্যায়ালয়ৰ হুকুমমতে উচ্ছেদ কার্য্য স্থগিত ৰাখিব লগা হৈছে।

(গ) লটৰীয়া ব্যৱসায়িক চৰনীয়া পথাৰত মুঠ ৩৩,৯৮৪ বিঘা ৪ কঠা ৮ লেচা মাটিৰ ভিতৰত কিমান মাটি গড়া খহনীয়াত জাহ গল, কিমান মাটি বর্ত্তমানে আছে আৰু তাৰে কিমান মাটি বেদখল হৈ আছে, কিমান শ ম'হ আৰু গৰু আছে আৰু তাৰ বাবে কিমান পৰিমানৰ গৰু-ম'হৰ ঘাঁহ আৰু

ব্যথানদাৰ সকলৰ বাবে প্ৰয়োজন হব আৰু কিমান মাটি সংৰক্ষণমুক্ত কৰি ভূমিহীন খেতিয়ক পৰিয়ালৰ দ্বাৰা গঠিত আৰু পঞ্জীয়নভুক্ত সমবায় সমিতিক অস্থায়ী ভাৱে আৱন্টন দিব পৰা যায় সেই সম্বন্ধে জিলাৰ উপায়ুক্তৰ পৰা বিস্তাৰিত বিৱৰণসহ প্ৰতিবেদনৰ লগত প্ৰস্তাৱ পালে চৰকাৰে ভূমিহীন প্ৰকৃত খেতিয়কৰ দ্বাৰা গঠিত সমবায় সমিতিক কৃষি কাৰ্য্য কৰিবৰ বাবে সুবিধা দিব পৰা যাব পাৰে ।

বিষয় : কাটা তাঁৰৰ বেৰ ।

শ্ৰীআব্দুল জলিল ৰাগিবী য়ে সুধিছে :

* ৭৮৬। অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক অসম বাংলাদেশ সীমান্তত কাটা তাঁৰৰ বেৰাৰ কাম আৰম্ভ হৈছেনে ?

(খ) যদি হছে কেতিয়াৰ পৰা হৈছে ?

(গ) উক্ত কাম সম্পুৰ্ণ হওঁতে কিমান টকা খৰচ হব ?

(ঘ) "সীমান্তৰ কাটাতাঁৰৰ বেৰ অৱশেষত প্ৰহমান হবগৈ নেকি ?" ৩ এপ্ৰিল ১৯৮৯ তাৰিখে 'আজিৰ অসম' কাকতত প্ৰকাশিত উক্ত শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছেনে ?

শ্ৰীজয়নাথ শৰ্ম্মা (অসম চুক্তি ৰূপায়ণ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, হৈছে ।

(খ) যোৱা ইং ১৮-৩-৮৯ তাৰিখৰ পৰা ।

(গ) প্ৰায় ৯৯২,০০ লাখ টকা ।

(ঘ) হয়, হৈছে ।

মৌলানা আব্দুল জেলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পৰিপূৰক প্ৰশ্ন আছে । বাংলাদেশৰ লগত ত্ৰিপুৰা, পশ্চিম বঙ্গ আৰু আমাৰ অসমৰ সীমান্ত জৰিত হৈ আছে । আমাৰ অসমত কাটা তাঁৰৰ বেৰ দি অনুপ্ৰেৱেশ ৰোধ কৰাৰ কাৰণে ৯ কোটি ৯২ লাখ টকা খৰচ কৰিবলৈ লোৱা হৈছে । কিন্তু আমাৰ অসমৰ সীমান্তত কাটা তাঁৰৰ বেৰ দি কিমান অনুপ্ৰবেশ ৰোধ কৰিব পাৰিম, যিহেতু বাকী ৰাজ্যৰ সীমান্তত খোলা থাকিব ।

গতিকে এই ৯ কোটি ৯২ লাখ টকা খৰচ কৰিলে যে আমাৰ উদ্দেশ্য সফল হব সেইটো মই নাভাবো। দ্বিতীয়তে এই কাটা তাঁৰৰ বেৰ দিয়াৰ কাৰণে যি সকল লোক ক্ষতিগ্ৰস্ত হব সেই সকলৰ কাৰণে আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে কি ভাবিছে ? আমি জানিবলৈ পাৰিছো যে কিছু অংশ মানুহ বেৰৰ সিপাৰত পৰিছে আৰু কিছু অংশ মানুহ বেৰৰ ইপাৰত পৰিছে। এই ক্ষেত্ৰত কি চিন্তা কৰা হৈছে ?

শ্ৰীজয় নাথ শৰ্ম্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীৰ লগত আমিও একমত। গোটেই অসমৰ বিদেশী সমস্যাটোৱেই এটা ৰাষ্ট্ৰীয় সমস্যা। এইটো ৰাজ্যিক ভিত্তিৰ সমস্যা নহয়। গতিকে এই সমস্যা সমাধানৰ কাৰণে আমি ৰাষ্ট্ৰীয় ভিত্তিৰ আইন গ্ৰহণ কৰাটো বিচাৰো। এই সন্দৰ্ভত ৬ বছৰীয়া অসমৰ জনসাধাৰণ আৰু সদৌ অসম ছাত্ৰ সন্থাই যি আন্দোলন গঢ়ি তুলিছিল তাক অকুণ্ঠ ভাবে সমৰ্থন জনাইছিল। আমি এই সদনৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰক গোটেই সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাবে সমাধান কৰিবৰ কাৰণে কেৱল অসমতেই কাটা তাঁৰৰ ব্যৱস্থা নকৰি ত্ৰিপুৰা, মেঘালয় আৰু পশ্চিমবঙ্গটো সম্পূৰ্ণ ভাবে কাটা তাঁৰ দিয়াৰ ব্যৱস্থা কৰিবৰ কাৰণে অনুৰোধ জনাব পাৰো।

মৌলানা আব্দুল জলিল ৰাগিবী : অধ্যক্ষ মহোদয়, এই বিষয়টো যেতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰৰ লগত সামগ্ৰিক ভাবে মিমাংসা নহয় তেতিয়ালৈকে এই ৯ কোটি ৯২ লাখ টকা খৰচ কৰি কি লাভ হব ? গতিকে এই ক্ষেত্ৰত কিবা এটা মিমাংসা হোৱাৰ পিচতহে উক্ত টকা খৰচ কৰিলে ভাল হব যেন পাও।

শ্ৰীজয়নাথ শৰ্ম্মা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰক অসমৰ বিদেশী সমস্যাটো সম্যক ভাবে সমাধান কৰাৰ কাৰণে অসম চৰকাৰৰ ফালৰ পৰা হেচাঁ দি থকা হৈছে। কিন্তু দুখৰ বিষয় যে অসমৰ বিদেশী সমস্যাটো সমাধান কৰাৰ কাৰণে ১৯৮৩ চনত যি খন অবৈধ প্ৰব্ৰজনকাৰী চিনাক্ত কৰণ আইন জাপি দিয়া সেইখন কেৱল অসমৰ কাৰণেহে দিয়া হল, ভাৰতবৰ্ষৰ বাকী ৰাজ্য সমূহৰ কাৰণে কৰা নহব। এই আইন খনৰ জৰিয়তে এই সমস্যাটো আৰু জটিল কৰিহে তোলা হল যাৰ ফলত বিদেশী চিনাক্ত কৰি বহিস্কাৰ কৰাটো

অসম চৰকাৰৰ পক্ষে সম্ভৱ হৈ নুঠিল। গতিকে এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সমস্যাটো সমাধান কৰাৰ কাৰণে আগ ভাগ ললে আমি ভাল পাম আৰু তাৰ কাৰণে হেচাঁ দি থকা হৈছে।

শ্ৰীহিৰণ্য বৰা : অধ্যক্ষ মহোদয়, অসম চুক্তি খন চহী কৰা সময়ত এই আইন খনৰ কথা কোৱা হৈছিল। সেইখন তেওঁলোকে সমৰ্থন কৰিছিল নে নাই।

শ্ৰীজয়নাথ শৰ্ম্মা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মূল প্ৰশ্নটো যদিও কাটা তাঁৰৰ বেৰ সম্পৰ্কীয় তথাপি মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন উৎথাপন কৰিছে সেই ক্ষেত্ৰত মই কব খোজো যে অসম চুক্তিৰ যিটো ৫ নং দফা সেইটো সময়ত সংশোধন কৰা হব বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰতিশ্ৰুতি দিছিল। কিন্তু আমি যি ধৰণে এই দফাটোৰ সংশোধন বিচাৰিছিলো সেই ধৰণে সংশোধন কৰা নাই।

শ্ৰীহিৰণ্য বৰা : অধ্যক্ষ মহোদয়, অসম চুক্তি সম্পাদন হোৱা সময়ত কেন্দ্ৰীয় চৰকাৰে সংশোধনীটো বিবেচনা কৰা হব বুলিহে কৈছিল আৰু সেই অনুপাতে আইন মন্ত্ৰী আৰু অন্যান্য নেতৃবৰ্গৰ লগত পৰামৰ্শ কৰি এই দফাটো সংশোধন কৰিছে এইটো সচানে ?

শ্ৰীজয়নাথ শৰ্ম্মা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, যি ধৰণে সংশোধন বিচৰা হৈছিল সেই ধৰণে সংশোধন হোৱা নাই।

মৌলানা আব্দুল জলিল ৰাগিবী : অধ্যক্ষ মহোদয়, আজি আমাৰ ৰাজ্য খনে এক কঠিন বিত্তীয় সংকটত ভোগা সময়ত আৰু বহুতো ধন কাটেইল কৰা অৱস্থাত কাটা তাঁৰৰ বেৰৰ নামত ৯ কোটি ৯১ লাখ টকা খৰচ কৰাৰ কোনো যুক্তি দেখা পোৱা নাই, কাৰণ আন সীমান্তত বেৰ নহলে ইয়াৰ কোনো কামত নাহে। সেই কাৰণে কেৱল আমাৰ অসম সীমাত্ত বেৰ দিয়াৰ আগতে কেন্দ্ৰীয় চৰকাৰৰ লগত এটা মিমাংসাত আহিব লাগে যাতে বাকী ৰাজ্য কেইখনতো তেনেদৰে বেৰ দিয়াৰ ব্যৱস্থা কৰা হয়।

শ্ৰীজয়নাথ শৰ্ম্মা ( মন্ত্ৰী ). অধ্যক্ষ মহোদয়, এই সমস্যাটো যিহেতু এটা ৰাষ্ট্ৰীয় সমস্যা গতিকে এই বিষয়ে সদনৰ সৰ্ব্বদলীয় সদস্য সকলেৰে এটা দলে কেন্দ্ৰীয় চৰকাৰক হেচাঁ প্ৰয়োগ কৰিব লাগে আৰু যদি সেই ক্ষেত্ৰত তেখেত

সকল একমত হয় তেনেহলে আমিও তাৰ বাবে প্ৰস্তুত।

শ্ৰীপ্ৰদীপ হাজৰিকা : অধ্যক্ষ মহোদয়, সীমান্তত কাটা তাঁৰৰ বেৰ দিয়া আৰু ৰাস্তা নিৰ্ম্মান কাৰ্য্যত কিছুমান ঠাইত একোখন গাওঁৰ মাজেদি যোৱা কথাটো সদনত উত্থাপিত হৈছে। এই ক্ষেত্ৰত কিছুমান অসমৰ পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। সেই কাৰণে যি বিলাক গাওঁৰ মাজেদি এনে ৰাস্তা বা বেৰ গৈছে সেই ঠাইবোৰত সম্ভৱ হলে আধা কিলোমিটাৰ পিচুৱাই আনি নিৰ্ম্মান কাৰ্য্য কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহন কৰিব নে ? পশ্চিম বঙ্গ আৰু ত্ৰিপুৰা চৰকাৰে এনে ব্যৱস্থা লওক বা নলওক কিন্তু আমাৰ অঞ্চলত এনে ব্যৱস্থা লোৱাৰ কাৰণে ব্যৱস্থা লব পৰা যায় নেকি সেই বিষয়ে চিন্তা কৰিব নে ?

শ্ৰীজয় নাথ শৰ্ম্মা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেই ক্ষেত্ৰত অসম চুক্তিৰ ৯ নং দফামতে ব্যৱস্থা ৰখা হৈছে তাত ৮ নং মেনচ্ লেণ্ড ৰখাৰো প্ৰস্তাৱ আছে।

মৌলনা আব্দুল জলিল, ৰাগিবী : অধ্যক্ষ মহোদয়, তাত যি সকল লোক ইতিমধ্যে ক্ষতিগ্ৰস্ত হৈছে তেওঁলোকৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীজয়নাথ শৰ্ম্মা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, যি সকল লোক ক্ষতিগ্ৰস্ত হৈছে তেওঁলোকক আইন মতে ক্ষতিপুৰণ দিয়াৰ ব্যৱস্থা আছে।

**Re : Number and description of Brick Kilu**

**Shri A. F. Galam Osmani asked :**

1085. Will the Minister, Revenue be pleased to state :

(a) Number and Description of Brick Kilu operating in district Barpeta on Sarkari land ? ( Please state respective dates of their getting permission/Lease/settlement ):

(b) Amount of Revenue collected from the Kilu in question ?

Shri Chandra Arandhara ( Minister Revenue ) replied :

(a) There are 14 Brick Kilu operating for three years on Sarkari land in Barpeta District. These are as follows :

1· Rajalakhmi Brick Industry vide Government letter No. REG 31-79-31 dt. 22-11-85;

2. Lachit Brick Industry vide Government letter No. RSG. 124-86-12 dt. 22-7-87.

3; Das Brick Industry vide letter No. RSG: 125-86-15 dt. 23-11-87.

4; Horekrishna Brick Industry vide Government letter No. RSG, 30 -87-37 dt. 29-3-89.

5. D, Das Brick Industry vide Government letter No: RSG. 123-88-13-dt; 16-8-88.

6. Brahmaputra Brick Industry vide Government letter No; RSG; 78-86-25 dt. 5-10-88.

7; D. Medhi Brick Industry vide Government letter No. RSG. 100-88-11 dt. 11-7-88.

8. Dekagiri Brick Industry vide Government letter No: RSG. 104-88-8 dt. 8-8-88:

9. N. Das Brick Industry vide Government letter No: RSG. 61-88-22 dt, 7-7-88;

10, Pensioners Brick Industry vide Government letter No: RSG: 162-82-Pt-35 dt. 31-5-88.

11. Ashok Brick Industry vide Government letter No: RDI 35-79-4 dt; 1-6-79:

12; Nipal Brick Industry vide Government letter No: RDI 35-79-4 dt: 1-6-79.

13. Assam Brick Industry vide Government letter No. RDI

55-79-4 dt: 1-6-79.

14: Bhupen Medhi Brick Industry vide Government letter No. RSG. 134-88-8 dt: 6-8-88.

(b) Amount of Revenue collected from the Kilu. Rs. 2005·05 and the royality Rs, 17000·00.

বিষয়: মেজেঙা চৰকাৰী চৰণীয়া পথাৰ

শ্ৰীতমু কোঁৱৰে সুধিছে:

১০৮৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) শিৱশাগৰ মহকুমাৰ নাজিৰা সমষ্টিৰ অন্তৰ্গত মেজেঙা চৰকাৰী চৰণীয়া পথাৰৰ ১০০ বিঘাৰো ওপৰৰ মাটি শিৱসাগৰৰ পোদ্দাৰক কেনেকৈ দিয়া হল ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে:

(ক) মাননীয় বিধায়কৰ প্ৰশ্নত ব্যক্তিজনৰ নামৰ আৰু ঠিকনাৰ উল্লেখ নাই, কেৱল উপাধি পোদ্দাৰ বুলিহে উল্লেখ আছে। তথাপিও শিৱসাগৰ জিলাৰ উপায়ুক্তৰ পৰা এই বিষয়ে এটি প্ৰতিবেদন বিচৰা হৈছে।

Re : Transfer of Agricultural Land.

Shri A: F: Golam Osmani asked :

1087: Will the Minister, Revenue be pleased to state:

(a) Whether it is a fact that certain restrictions have been imposed on the transfer of agricultural land ?

(b) If so; what are the restrictions ? ( Please place the related orders / circulars ).

(c) Whether there is any bar for a person having agricultural land muted in his name in Cachar district for

buying agricultural land in Barpeta disrict and vice-versa ?

Shri Chandra Arandhara (Minister, Revenue) replied :

(a) Yes. Transfer of agricultural land to non-agriculturist cannot be made without previous sanction of Deputy Commissioner as per Executive Instruction No. 6 of the Assam Land and Revenue Regulation, 1886.

Besides this, transfer of agricultural land under Khatian cannot also be made by a tenant to a non-agriculturtas per provisions laid down in section 8 of the Assam Tenancy Act, 1971.

Further, there are also provisions in the Settlement Rules framed under A. L. R. R. 1886 that the periodic lease holders have the right of transfers but the Annual lease holders have no such right of transfer of the annual Patta land. If under Annual Patta is transferred illegally, it is liable to cancellation.

(b) The copies of the Executive Instruction No. 6 of the ALRR, 1886 and Govt. circular No. R S D 19-85-1 dated 27-12-8 are placed herewith. (see at Annexure III a&b).

(c) There is no bar for an Indian Citizen having agricultural land in Cachar district for acquiring land in Barpeta District and Vice-Versa as per Land Laws in force.

Announcement from the chair,

Mr. Speaker : Now Report of the Business Advisory Commitee. Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee on 26th May

1989, in my chamber to discuss about the consideration and passing of the Assam State Industrial Relief Undertaking (Special Provisions) (Amendment) Bill, 1989, and introduction of 2 new bills.

The Committee after consideration of the matter has decided that the House will sit at 5 p. m. today, the 29th May, 1989 to consider and passing of the Assam State Industrial Relief Undertakings (Special Provisions) (Amendment) bill, 1989 and for introduction of these bills.

I hope this has the approval of the House.

(Voices, yes, yes.)

**Voting on Demands For Grants**

Now, Item No. 2: Hon'ble Member Shri Abdul Jalil Regivi:

মৌলানা আব্দুল জলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, কবেল ডেভেলপমেণ্ট সম্পৰ্কত সেইদিনা মোৰ বক্তব্য আধৰুৱা হৈ আছিল আৰু এই আধৰুৱা বক্তব্য শেষ কৰাৰ আগতে মই এটা কথা উল্লেখ নকৰি নোৱাৰিলো। অধ্যক্ষ মহোদয়, নিয়তি চৰাই নামৰ এবিধ চৰাই আছে আৰু তাক আমি সকলোৱে চিনি পাওঁ। উৰ্দু আৰু হিন্দীত এই চৰাইটোক 'উল্লু' বুলি কোৱা হয় অসমীয়াত ইয়াক ফেঁচা বুলি কয়। এই চৰাইটোৰ সম্পৰ্কত সকলোৰে এটা বদ্ধমূল ধাৰণা আছে যে এই চৰাইটো যদি কোনো এঘৰ মানুহৰ ঘৰত বা বাগিচাত সোমাই যায় তেনেহলে তাৰ এটা অশুভ পৰিনতি হয়. সেই বাগান বা ঘৰখন ধ্বংস হৈ যায়। সেই কাৰণে ইয়াক সকলোৱে অমঙ্গলীয়া চৰাই বুলি কয়। এই ক্ষেত্ৰত এজন উৰ্দ্দু কবিয়ে এই বিষয়টো বৰ্ণনা কৰি এটা শায়ৰী লিখিছিল আৰু সেইটোৰ অৰ্থ হল এনে ধৰণৰ :— যদি এটা নিয়তি চৰাই কোনো এঘৰ মানুহৰ ঘৰত বা বাগানত সোমায় তেনেহলে সেই ঘৰখন বা বাগান খন ধ্বংস হয়। কিন্তু তেনে চৰাই যদি বাগানৰ গছবোৰৰ প্ৰত্যেকটো ডালত প্ৰত্যেকটো ফুলৰ পাহিত বা এখন ঘৰৰ চুকে কোণে সোমাই

পৰে তেনেহলে সেই বাগান খনৰ বা ঘৰ খনৰ অৱস্থা কি হব ? মই মুল শাসেয়ৰীটো আপোনালোকৰ আগত ডাঙি ধৰিব খুজিছো।

" বৰবাদ গুলেস্তাকৰনে কো বচ, একহি উল্লু কাফি হ্যায়, হৰ শাখ পে উল্লু বৈঠে হ্যায়,আঞ্জামে গুলেস্তা কিয়া হো গা।"

যিকোনো এখন বাগান ধ্বংস কৰিবলৈ এটা নিয়তি চৰায়ে যথেষ্ট কিন্তু যিখন বাগানৰ প্ৰত্যেক গছে গছে চুকে চুকে আৰু পাতে পাতে নিয়তি চৰাই থাকে সেইখনৰ অৱস্থা কেনে হব পাৰে আপোনা লোকে চাওঁক। এই শ্লোকিটোৱে আমাক মনত পেলাইছে ৰুৰেল ডেভেলপমেণ্টৰ বিষয়টো কবলৈ যাওতে। ৰুৰেল ডেভেলপণ্টে বিভাগটোত চাৰিওফালে, চুকে কোনে উল্লু সোমাই আছে যাৰ কাৰণে ৰুৰেল ডেভেলপমেণ্টৰ অৱস্থাৰ ওপৰত ইমনবিলাক সমালোচনা হৈছে। আমি ইয়াত আলোচনা নকৰি গাৱেঁ ভুৱেঁ গৈ চালে এই বিভাগে ৰাইজৰ কিমান উন্নতি কৰিছে বুজিব পাৰিম। ৰুৰেল ডেভেলপমেণ্টৰ এই "ডেভেলপমেণ্ট" শব্দটোৰ ঠাইত তাৰ বিপৰীত এটা শব্দ দিলে ভাল হয়। এই বিভাগৰ প্ৰতিটো ৰাস্তাতে উল্লু বহি আছে, প্ৰতিটো স্কুলতে উল্লু বহি আছে, লোন দিয়া চিস্তেমত উল্লু বহি আছে। মুঠৰ ওপৰত চাৰিওফালে উল্লুয়েই উল্লু আছে। সেই কাৰণে গাঁৱৰ ৰাইজৰ দুখৰ্দ্দশাৰ সীমা নাইকীয়া হৈছে। আমাৰ অসমত এতিয়াও শতকৰা ৫০ ভাগ লোক বসবাস কৰে দাৰিদ্ৰতাৰ সীমাৰ তলত। এই লোক সকলক অৰ্থনৈতিক সংকটৰ পৰা উদ্ধাৰ কৰি আনিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা বিভিন্ন আচনিৰ জৰিয়তে কোটি কোটি টকা দিয়া হয় প্ৰতি বছৰে। কিন্তু এই বিভাগত উল্লু সোমাই আছে কাৰণে এই টকা বিলাক আত্মসাৎ কৰি পেলায় অধ্যক্ষ মহোদয়, এই বিভাগৰ যিবিলাক কৰ্ম্মচাৰী আছে তেওঁলোকৰ ঘৰত যদি যোৱা হয় দেখিবলৈ পাব সকলোৰে ঘৰত স্কুটাৰ, মটৰ চাইকেল, ফিয়েট, মাৰুতি আদি। মন্ত্ৰী মহোদয়ৰ কথা নকওঁ, বাকী কৰ্ম্মচাৰী সকলৰ অৱস্থা চালেই গম পাব। এনআৰইপি, আৰএলইজিপি আদি শিতানত স্কুল ৰাস্তা নিৰ্ম্মানৰ বাবে যথেষ্ট পৰিমানৰ টকা দিয়া হয়। কিন্তু তথাপি গাঁও অঞ্চলৰ স্কুল ৰাস্তাৰ আজি অৱস্থা কি ? গৰীব দুখীয়া ৰাইজৰ অৰ্থে বিতৰণ কৰা এই অনুদান কাক কাক দিয়া হব সেই বিষয়ে কোনোদিনেই বিধায়ক সকলৰ লগত

আলোচনা কৰা নহয়। আচলতে বিধায়কজনেহে জানে এখন গাঁৱত কোন দুখীয়া, কি অভাব, কি লাগে, কিন্তু বিধায়ক সকলক নোসোধাকৈয়ে ফিল্ড অফিচাৰ সকলে নিজে এই সকলোবিলাক নিৰ্ব্বাচন কৰে। কোনে গৰু পাব লাগে কোনে ম'হ পাব লাগে বিধায়ক সকলৰ জনা থাকে কিন্তু ফিল্ডৰ বিষয়া সকলে আগভীয়াকৈ বেনিফিছাৰীৰ লগত সন্ধি কৰি লয় আৰু আগতে সোধে তেওঁক শতকৰা কিমান ভাগ দিব ? মন্ত্ৰী মহোদয়ে অৱেশ্য মন্ত্ৰী হোৱাৰ পাছত এইবিলাক কথা স্বীকাৰ নকৰিব, কিন্তু বিধায়ক হৈ থাকোতে জানিছিল। এইবিলাক আলোচনা সমালোচনা হৈয়ে থাকে কিন্তু কোনো সুফল পোৱা নাই। গতিকে এই বিভাগটোক কেনেকৈ দুৰ্নীতিৰ পৰা ৰক্ষা কৰিব পৰা যায় সেই সম্বন্ধে মই তিনটামান পৰামৰ্শ দিব বিছাৰিছো মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি শুনিলে সুখী হম। মোৰ প্ৰথম পৰামৰ্শ হ'ল ডিআৰডিএৰ অধীনত যিবিলাক লোন দিয়া হয় আৰু তাৰ কাৰণে যিবিলাক বেনিফিছাৰী হব তেওঁলোকক বিধায়ক সকলৰ লগত আলোচনা কৰিহে নিৰ্বাচন কৰিব লাগে। মোৰ দ্বিতীয় পৰামৰ্শ হ'ল এন, আৰই, পি আৰু আৰ, এল, ই, জিপিৰ অধীনত যিবিলাক ৰাস্তা কৰা হয় সেইবিলাকত ঠিকাদাৰ দেখাত নিয়োগ কৰা নহয় যদিও ইনফৰমেলি ঠিকা দিয়া হয় যিটো নিয়ম বহিৰ্ভূত কাম। এই ইনফৰমেলি ঠিকা দিয়া কাৰণে কিছুমান টকা পইচা বিষয়া সকলে পায় কিছুমান ঠিকাদাৰে পায় অৰ্থাত তিনিভাগৰ দুভাগ টকা তেনেকৈয়ে যায় মাত্ৰ এভাগহে কামত লাগে। গতিকে ইনফৰমেলি ঠিকা দিয়াতকৈ খোলাখুলি ভাৱে ঠিকা দিব লাগে আৰু যেতিয়া নিবিদা আহ্বান কৰি দিব পৰা হব তেতিয়া তিনি-ভাগৰ দুভাগেই কাম হব মাত্ৰ এভাগহে ঠিকাদাৰে খাব। গতিকে খোলা-খুলিভাৱে নিবিদা আহ্বান কৰি ঠিকাদাৰক কাম দিয়াৰ ব্যৱস্থা কৰিব লাগে। মোৰ তৃতীয় পৰামৰ্শ হ'ল স্কুলঘৰ নিৰ্মান কৰা ক্ষেত্ৰত এন, আৰই, পি বা আৰ, এল, ই জিপিৰ আচনিৰ অধীনত কেচ টকা দিব লাগে আৰু ৫ জনীয়া এখন তদাৰক কমিটি কৰি দিব লাগে। সেইকমিটি বিধায়ক সকলৰ অনুমোদনক্ৰমে কৰা হব লাগে। যিমানবিলাক স্কুলত এনেধৰণে ৬১ হাজাৰ টকাকৈ দিছে সেইবিলাকত ৰাইজ জৰিত থকা কাৰণে প্ৰায় ভাল কাম হৈছে, টকা মিচইউজ হোৱা নাই। গতিকে এতিয়া বয়বস্তু দিয়াৰ যিটো নিয়ম কৰিছে সেইটো

উঠাই দি কেচ টকা দিয়াৰ ব্যৱস্থা কৰিব লাগে । নহলে প্ৰায়বিলাক স্কুলেই আমি দেখিছো আধৰুৱা হৈ আছে-কাৰোবাৰ টিনপাত নাই, কাৰোবাৰ কাঠ নাই ইত্যাদি। গতিকে স্কুলবিলাক হাফদান হৈ থাকে । গতিকে মই কেচ টকা দিয়াৰ পৰামৰ্শ আগবঢ়াই কৰ্ত্তন পস্তাৱটো বেছি জোৰ দি সমৰ্থন জনালো ।

Mr. Speaker : Now Hon'ble Shri Dalim Roy.

* শ্ৰীডালিম ৰায় ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ গ্ৰামোন্নয়ন শিতানত যি টকাৰ মঞ্জুৰী বিচাৰিছে তাৰ প্ৰতি সমৰ্থন জনাইছো আৰু এই টকাখিনি যাতে সদব্যৱহাৰ হয় তাৰ কাৰণে মই কেইটামান পৰামৰ্শ দিব বিচাৰিছো। আমি প্ৰতিজন সদস্যই বি,এল,চি,চিৰ চেয়াৰমেন । গতিকে গ্ৰামোন্নয়ন বিভাগৰ পৰা যিখিনি আঁচনি আমি হাতত লওঁ বা কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা দিয়া আঁচনিসমূহৰ পৰিপ্ৰেক্ষিতত দায়িত্ব আমাৰ হাতত আছে। অৱশ্যে কিছুমান মাননীয় সদস্যই কিছু খেলি-মেলিৰ কথা উল্লেখ কৰিছে যদিও মই সম্পূৰ্ণৰূপে এইটো সমৰ্থন নকৰো । বেলেগ ঠাইত কি হৈছে কব নোৱাৰো মোৰ ব্লকত টকাৰ অপচয় হৈছে বুলি কব নোৱাৰো। কাৰণ বি,এল.চি চিৰ চেয়াৰমেন হিচাপে মই নিজে দায়িত্ব লৈ কাম বিলাক চোৱা চিতা কৰো । মই ভাবো প্ৰতিজন চেয়াৰমেনে যদি এই বিলাক নিজে দায়িত্ব লৈ চোৱা-চিতা কৰে তেন্তে বিষয়া সকলৰ ওপৰত দোষাৰোপ নকৰিলেও হব। মই নিজৰ বাস্তৱ অভিজ্ঞতাৰ কথা কৈছো ব্লকৰ ৰাস্তাৰ কাম নিজে উপস্থিত থাকি আৰম্ভণীৰ পৰা শেষলৈকে তত্বাবধান কৰো । গতিকে মোৰ ব্লকত ধন অপচয় হৈছে বুলি নকওঁ । কেন্দ্ৰীয় চৰকাৰৰ পৰা আচঁনিবিলাকৰ কাম বিলাককৰিবলৈ যাওঁতে কিছুমান অসুবিধা নোহোৱা নহয় । এন,আৰ,ই,পি আৰ,এল,ই,জি,পি আঁচনিৰ স্কুল ঘৰ বিলাকৰ নিৰ্মাণৰ ক্ষেত্ৰত যোগান ধৰা কাঠবিলাকৰ কিছু দিনৰ পিছত নষ্ট হৈ যায় । গতিকে এই ব্যৱস্থাটোৰ এটা পৰিবৰ্তন কৰিব লাগিব । ১৯৮৭-৮৮ চনৰ আঁচনিত স্কুল ঘৰ নিৰ্মাণৰ ক্ষেত্ৰত লোহাৰ ৰড কাঠৰ পৰিবৰ্তে দিয়াটো আৰম্ভ হৈছে। এইটো হোৱাৰ বাবে ৰাইজে ভাল পাইছে। মইও ভাবো ইয়াৰ দ্বাৰা ধনৰ অপচয় নহব আৰু ৰাইজৰ আস্থাভাজন হব পাৰিম । মই এটা কথা কব বিচাৰিছো যে ১৯৮৭-৮৮ চনৰ স্কুল ঘৰ, কালভাৰ্ট, নিৰ্মাণৰ ক্ষেত্ৰৰ ধুবুৰী

* Speech not corrected

জিলা বি চিমেণ্ট দিয়া হৈছে ই অতি বেয়া। ইয়াৰ ফলত কাম বিলাক দুৰ্ব্বল হৈছে আৰু মোৰ ব্লকত তিনিখন আৰ, এল, ই, জি, পিৰ স্কুল ধুমুহাই উৰুৱাই লৈ গৈছে। দি,ডি,য়ে এই বিষয়ত যোগাযোগ কৰিছে নে নাই কব নোৱাৰো। এই চিমেণ্ট বেয়া হোৱা বাবে আৰ,এল,ই,জিপিৰ চাৰিখন স্কুল ভাঙি গৈছে তাক যাতে পুনৰাই নিৰ্ম্মাণৰ ব্যৱস্থা লোৱা হয়। তাৰপিছত বেংকৰ জৰিয়তে দুখীয়া মানুহক যি ল'ন দিয়া হয় সেই ক্ষেত্ৰত অলপ কব বিচাৰিছো। এই ল'ন আনিবলৈ যাওঁতে জনসাধাৰণৰ হাৰাশাস্তি হয়। মই ভাবো এই ক্ষেত্ৰত নিয়মৰ কিছু শিথিল কৰিলে বাইজৰ আগ্ৰহ বাঢ়িব। পাচশ টকাৰ ল'ন আনিবলৈ যাওঁতে হাৰাশাস্তি হয় আৰু দুইশ টকা এনেই খৰচ হৈ যায়। এই ক্ষেত্ৰত নিয়ম শিথিল কৰিবৰ বাবে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। গ্ৰামোন্নয়ণৰ আচঁনিৰকাম কৰাত লেবাৰ পেমেণ্টৰ বিটো নিয়ম কৰিছে যে প্ৰতিজন লেবাৰে গোটেই দিন কাম কৰি ১৭টকা পাব লাগিব আৰু তাৰে কিছু টকাৰ চাউল দিব। মই ভাবো এই ১৭ টকা পোৱা কথাটো যদি কওঁ তেন্তে কাম নহব। দেখা যায় ৰাস্তাৰ বাবে থকা গোটেই টকা শেষ হৈ গৈছে কিন্তু কাম শতকৰা ৬০ ভাগ হোৱা নাই। মই নিজে বহু পলিচি লগাই কামবিলাক কৰিছো। আমাৰ ব্লকৰ মাত্ৰ দুজন জুনিয়ৰ ইঞ্জিনিয়াৰ থাকে আৰু তেওঁলোকৰ দ্বাৰা চাৰি-পচাটা স্কিমৰ কাম কৰোৱা হয়। গতিকে তেওঁলোকৰ দ্বাৰা লেবাৰ ৰক্ষণা বেক্ষণ কৰাটো সম্ভৱপৰ নহয়। কাৰণ এৰোটা ৰাস্তাৰ ২-৩শ লেবাৰে কাম কৰে। মই ভেবা লৰাক লেবাৰৰ হাজিৰা দি কাম চুপাৰভাইজ কৰিব লগাত পৰিছো। গতিকে চৰকাৰৰ ফালৰ পৰা বেলেগ নিয়ম বান্ধিদিলে ভাল হয় যাতে টকাখিনি ভালদৰে খৰচ হয় আৰু কামো হয়। বিহাৰ, উত্তৰ প্ৰদেশ আদিত স্কিল লেবাৰ আছে কিন্তু আমাৰ অসমত কম। আনস্কিলদ লেবাৰক হাজিৰা দিবলৈ যাওঁতে পইছাখিনি খৰচ হব আৰু কাম একো নহব। গতিকে তেওঁলোকৰ তত্বাৱধানৰ কাৰণে গড়কাপ্তানী বিভাগত ২৫ জন লেবাৰ এজন নায়ক থকাৰ দৰে ইয়াতো শ্ৰমিক বান্ধিনি কৰিব লাগে। এই দৰে টকাৰ অপচয় নহব। এই খিনিকে কৈ মই দাবি মঞ্জুৰী সমৰ্থন কৰি বক্তব্য সামৰণি মাৰিলো।

শ্ৰী গৌতম চন্দ্ৰ ৰায় : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দলৰ ফালৰ পৰা যিটো কৰ্ত্তনপ্ৰস্তাব উত্থাপন কৰা হৈছে সেইটো সমৰ্থন কৰিছো। আৰু দুই চৰিটা

পৰামৰ্শ দিব বিছাৰিছোঁ। সদনৰ মজিয়াত আজি দুদিন ধৰি এই ক্ষেত্ৰত তৰ্ক বিতৰ্ক চলি আছে। মাননীয় সদস্য সকলে এইক্ষেত্ৰত কিছু পৰামৰ্শ দিছে। ভাল কথাও কৈছে আৰু বেয়া কথাও কৈছে। এই খিনিতে মই দুই এটা কথা কব বিছাৰিছোঁ আমাৰ এ,জি,পি চৰকাৰে কিছুমান ভাল কামো কৰিছে আৰু কিছুমান বেয়া কামো কৰিছে। এই ক্ষেত্ৰত কোনোবাই বেয়া পালেও মই কব লাগিব আমাৰ এম,এল, এ সকলক ব্লকৰ চেয়াৰমেন কৰি দিয়া হৈছে। সমষ্টিত সকুল বিলাকৰ দায়িত্ব দিয়া হৈছে। কিন্তু এই ক্ষেত্ৰত তেওঁলোকৰ ১৪ আৰু আমাৰ ১১ হে শতকৰা হিচাবত দিয়া হৈছে। কিছুমান সদস্যই মোক বেয়া পাব পাৰে কিন্তু যি হেতুকে চেয়াৰমেন হিচাবে আমাক দায়িত্ব দিয়া হৈছে আমি সেই দায়িত্ব পালন কৰিব লাগে। ব্লকৰ আই, আৰ, ডি. পি লোনৰ ক্ষেত্ৰত আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষন কৰিব খুজিছো যে, বেনিফিচিয়েৰী সকলক চেয়াৰমেনে পাৰচু কৰিব লাগে। সেইটো বেংকৰ দোষ নহয়। টাৰগেটৰ বাহিৰত তেওঁলোকে লোন দিব নোৱাৰে। এটা বেংকৰ টাৰগেট যদি শতকৰা ৪০ হয় আৰু তাত যদি ৮০ জন বেনিফিচিয়েৰী হয়, তাত বেংকৰ দোষ নাই। তেওঁলোকে লোন দিব নোৱাৰে। অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য সকলে যি দালালৰ কথা কৈছে, সেই দালাল বিলাক আমাৰ ফালৰ পৰা থাকিব লাগে। এই ক্ষেত্ৰত আমাৰ এম,এল,এ সকলহে চাব লাগিব। কিছুমান ক্ষেত্ৰত চিনিয়ৰ বি ডি ও আৰু এক্সটেনচন অফিচাৰ সকলৰ খেলি মেলি লাগে। অফিচত যি খন গাড়ী থাকে সেই খন কোনে ব্যৱহাৰ কৰিব সেই ক্ষেত্ৰতেই বেচি খেলিমেলি। তাৰো পৰি চিনিয়ৰ বি, ডিওই কিবা কাম কৰিবলৈ দিলে তেওঁলোকে কেৰিআউট কৰিবলৈ টাইন পায়। গতিকে চিনিয়ৰ বি, ডি, ও সকলক উইড্ৰো কৰিব লাগে। বি,ডি,ও সকলে কাম কৰিব। মোৰ সমষ্টিত এজন চিনিয়ৰ বি বিডিওৰ ১লাখ টকাৰ খেলিমেলি কৰিলে। তেওঁক প্ৰচিডিং ড্ৰ কৰা হল। কিন্তু এতিয়াও সেই ঠাইত ইটা বালি চাপলাই দিয়া কনট্ৰেকট চলি আছে। এটা কথাত মই মাননীয় মন্ত্ৰীমহোদয়ৰ দৃষ্টি আকৰ্ষন কৰো যে ৰাস্তাৰ কামৰ কাৰনে অৰ্থাত যিটো কামৰ কাৰণে ২০ হাজাৰৰ কাৰশ্যক তাত ১০ হাজাৰ ধৰা হয়। আৰু সেই মতে ঠিকাদাৰক কোৱা হয় যেনেতেনে কৰি কামটো কৰি দিবলৈ। এইক্ষেত্ৰত দালাল লবলৈ বাধ্য হৈ যায়। ১৯৮৭-৮৮ চনত স্কুল বিলাকৰ কাম হ'ল। কিন্তু ৰাস্তা বিলাক অহা নাই। অল ইণ্ডিয়া বেচিচত ৰুৰেল ডেভেলপমেণ্টৰ কাম হোৱা নাই আমাৰ গড়কাপ্তনী বিভাগৰো টকা নাই।

আৰু এল,ই,জি, পৰ ৰাস্তা বিলাক আনিলে ভাল হয়। আমাৰ সমষ্টি মন্ত্ৰী নাই। তুখন স্কুল ভাঙি গল। আগৰ মন্ত্ৰী মহোদয়ে কৈছিল কংগ্ৰেছৰ দৰে দুৰ্নীতি আমি নকৰো। সেই কাৰণে মই মন্ত্ৰীৰ পক্ষে কৈছো। যিকিখন স্কুল ,ভাঙি গ'ল সেই কেইখন বিপেয়াৰ কৰাৰ ব্যৱস্থা লব লাগে। আৰু যিকেইজনে তদাৰক কৰিছিল তেওঁলোকৰ বিহিত ব্যৱস্থা লব লাগে। এজন পি,ডি যে পেনচন পোৱাৰ পাচতো সেই এৰিয়াত চাপলাইৰ কাম কৰি আছে। এই বিষয়টো তদন্ত কৰিব লাগে এই খিনি কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীগোপী নাথ দাস : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দলৰ ফালৰ পৰা যিটো কৰ্ত্তন প্ৰস্তাব উৎথাপন কৰিছে তাত মই সমৰ্থন জনাই দুআষাৰ মান কবলৈ বিছাৰিছো। আই, আৰ, ডি, পিৰ অন্তৰ্গত যি লোনৰ সুবিধা আছে এই লোনৰ ক্ষেত্ৰত, মাননীয়, সদস্য সকলে কৈছে যে যথেষ্ট থেলি মেলি হৈছে। কি কি বেচিচত দিয়া হব, বেনেফিচিয়াৰী কোন কোন হব, আনকি বেংকলৈ যথেষ্ট থেলি মেলি দেখিবলৈ পোৱা হৈছে। মোৰ সমষ্টিত থকা পুৰ্ব্বাঞ্চল বেংকে যিমান খিনি লোন দিব লাগে তাৰ শতকৰা ৫ ভাগো নিদিয়ে। যিটো চমৰীয়া বেংক আছে, ১৯৮৮ চনত সেই বেংকৰ পৰা ১০ জন বেনেফিচিয়াৰীয়েও লোন পোৱা নাই। বেকংৰ মানুহে বহু কিবা কিবি কাগজ পত্ৰ বিছাৰিলে কিন্তু বহু বাৰ অহা যোৱা কৰাৰ পাচতো শেষত কোনো বেনিফিচিয়েৰীকে লোন দিয়া নাই। পুৰ্ব্বাঞ্চল বেংকৰ তাত থকা বিষয়া সকলক সুধিলে কয় যে মুখ্য কাৰ্য্যালয়ৰ পৰা মঞ্জুৰী অহা নাই আৰু তাৰ কাৰণেই দিব পৰা নাই। গতিকে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে পুৰ্ব্বাঞ্চল বেংকৰ যিটো ঋণ দিয়াৰ ব্যৱস্থা এই ক্ষেত্ৰত ভাল ব্যৱস্থা কৰি নিৰ্দেশ দিব লাগে যাতে ডি, আৰ, ডিৰ, বি বিলাক লোন আৰু তাৰ যিটো নিৰ্দিষ্ট কোটা আছে সেই কোটাটো প্ৰত্যেক বছৰেই ফুলফিল কৰাৰ ব্যৱস্থা লব লাগে। মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈছে যে ঋণৰ কথাটো তেখেত সকলে গভাবনিং বডিত আলোচনা কৰিছে যে ঋণ পোৱাৰ সহজ ব্যৱস্থা কৰিব লাগে। কিন্তু এইটো কথা একেবাৰেই সত্য যে বেনিফিচিয়াৰি সকলে ঋণ পাৰৰ কাৰণে বেংকে বেংকে ঘুৰিব লাগে, ব্লকে ব্লকে ঘুৰি হাবাশাস্তি খাবলগীয়া হৈ আছিছে। এই দৰে হাবাশাস্তি হৈয়ো যাতে ঋণ নোপোৱাকৈ নাথাকে তাৰ ব্যৱস্থা হব

লাগে। এন, আৰ, পি, আৰ, এল, ই, জিপিৰ ক্ষেত্ৰত দেখিবলৈ পাইছো যে স্কুলঘৰ আদি নিৰ্মাণৰ ক্ষেত্ৰত বা ৰাস্তা আদি নিৰ্মাণৰ ক্ষেত্ৰত ঠিকাদাৰৰ দ্বাৰা কাম কৰোৱাৰ ব্যৱস্থা নাই। যদিও পোনপটীয়াভাবে ঠিকাদাৰৰ হতোৱাই কাম কৰোৱা নাই কিন্তু অৱশেষত আওপকীয়াভাবে ঠিকাদাৰৰ হতোৱাই কাম কৰি থকা হৈছে। গতিকে মই পৰামৰ্শ দিব বিচাৰিছো যে এই কাম বিলাকো গড়ক প্ৰানী বিভাগে যেনেকৈ ঠিকাদাৰৰ জৰিয়তে কাম কৰোৱায় এই বিলাক কামো সেই দৰেই কৰোৱাব লাগে। আওপকীয়াভাৱে ঠিকাদাৰৰ জৰিয়তে কাম কৰোৱালে এটা সুবিধা হয় যে তাত বহুত বিলাক টকা অপব্যয় হয়। এটা ৰাস্তাৰ কাৰণে যদি ১৫ হাজাৰ টকা দিয়া হয় তেন্তে ২ হাজাৰমান টকাৰ কাম হওতেই টকা নাইকীয়া হৈ যায়। এই বিলাক কথাত মন্ত্ৰী মহোদয়ে চকু দিব লাগে।

ইয়াৰ পিচত মই এটা বিষয় উত্থাপন কৰিব বিচাৰিছো যে বকো আৰু চমৰীয়া এই দুয়োটা ব্লকতে আজি বহুত দিন ধৰি চিনিয়ৰ বি,ডি,অ, নোহোৱাৰ কাৰণে কোনো কাম হোৱা নাই। টুপাকুচি ৰাস্তাৰ কামৰ কাৰণে শ্ৰমিক সকলক প্ৰায় ১৫ হাজাৰ টকা দিবলৈ বাকী আছে। এই সম্পৰ্কত কেইবা-বাৰো অনুসন্ধান কৰা হৈছে। গতিকে মন্ত্ৰী মহোদয়ে এই টকাখিনি যাতে সোনকালে শ্ৰমিক সকলে পায় তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলো।

মই আৰু এটা পৰামৰ্শ দিব বিচাৰিছো যে এন আৰ পি, আৰ, এল, ই, জি, পিৰ যি বিলাক ৰাস্তা বা পুখুৰীৰ কাম কৰা হয় সেই বিলাক কাম মাষ্টাৰ ৰোলৰ শ্ৰমিকৰ দ্বাৰা কৰোৱা হয়। এই মাষ্টাৰ ৰোলৰ শ্ৰমিকৰ ক্ষেত্ৰত যাতে বি, এফ, চিৰ চেয়াৰমেনৰ অনুমোদন লোৱা হয় তাৰ বাবে মন্ত্ৰী মহোদয়ে ব্যৱস্থা লব লাগে। এইটো কৰিলে মই ভাবো যে মিচইউজ হোৱাৰ পৰা হাত সাৰিব পৰা হব।

ইয়াৰ লগতে মই আৰু এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে ব্লক বিলাকৰ জৰিয়তে যি বিলাক কাম হয় সেই বিলাকৰ এচটিমেট লৈ কোন হেডৰ পৰা কিমান টকা খৰচ কৰা হব সেই কথা বি ডি অ সকলক জনাব লাগে। এইটো কৰিলে আচঁনি নিৰ্দ্দিষ্ট ভাবে লব পৰা হব আৰু কাম বিলাকো ভাল হব আৰু আমিও এই বিষয়ে আলোচনা কৰিব পাৰিম। যি খিনি টকা

দিয়া হয় সেই থিনিৰ যাতে অপব্যৱহাৰ নহয় সেইটো আমিও চোৰাচিটা কৰিব পাৰিম।

চমৰীয়া আৰু বকো ব্লকত ১৯৮৭-৮৮ চনৰে পৰাই চচিয়েল ফৰেষ্টৰ কাম একো হোৱা নাই এই সম্পৰ্কত এটা প্ৰশ্ন দিয়া হৈছিল আৰু মন্ত্ৰীয়ে এইটো কাম চাম বুলি কৈছে। এই দুয়োটা ব্লকতে চিনিয়ৰ বি, ডি, অ' নোহোৱাৰ কাৰণে কাম একো হোৱা নাই। কাম নোহোৱাৰ কাৰণ হৈছে যে কাম কৰিবলৈ দিলেই শ্ৰমিক সকলক পইচা দিব লাগিব। ১৯৮৭-৮৮ চনতেই আৰম্ভ কৰা কাম এতিয়াও কিয় হোৱা নাই এইটো কথা অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। চিনিয়ৰ বি, ডি, অ' নোহোৱাৰ কাৰণে এই বছৰো একো কাম কৰিব পৰা হোৱা নাই। গতিকে এই দুয়োটা ব্লকত অতি সোনকালে চিনিয়ৰ বি, ডি, অ দিয়াৰ ব্যৱস্থা কৰিব লাগে নহলে যি জন বি ডি অ আছে তেওঁকে টকা দিয়াৰ ক্ষমতা দিব লাগে। এই দুয়োটাৰ ভিতৰত এটাও নকৰিলে এই দুয়োটা ব্লকতে এই বছৰো একো উন্নয়নৰ কাম নহব।

মই আৰু এটা পৰামৰ্শ দিব বিচাৰিছো যে ৰাস্তা বিলাক কৰাৰ লগতে সেইটো ৰাস্তাত যি বিলাক কালভাৰ্ট লাগে বা দলং লাগে সেই বিলাক লগে লগে দিয়াৰ ব্যৱস্থা কৰিব লাগে। কালভাৰ্ট বা দলং নিদিয়াকৈ ৰাস্তাটো কৰিলে তাৰ পৰা কোনো কামত নাহে। ৰাস্তা কালভাৰ্ট আৰু দলঙৰ অভাৱত অব্যৱহৃত হৈ পৰি থাকে।

সদৌ শেষত মই উল্লেখ কৰিব বিচাৰিছো যে পুৰ্ব্বাঞ্চল বেংকে যি ডি, আৰ, ডিৰ ঋণ মঞ্জুৰ কৰিব লাগে সেইটো কৰাৰ কাৰণে যাতে চৰকাৰে ব্যৱস্থা লয় আৰু যিটো টাৰগেট ফুল ফিল কৰিব লাগে সেইটো ফুল ফিল যাতে কৰে আৰু বেনিফিচিয়াৰি সকলে যাতে সহজে ঋণৰ টকা পাব পাৰে তাৰ ব্যৱস্থা কৰিবৰ কাৰণে চৰকাৰক অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰনী মাৰিছো।

* ডাঃ কমলা কলিতা : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যি দাবী মঞ্জুৰী উত্থাপন কৰিছে, প্ৰতি আমাৰ সমৰ্থন জনাইছো আৰু মাননীয় সদস্য সকলে এই মঞ্জুৰীৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ আনিছে সেই কৰ্ত্তন প্ৰস্তাৱটোৰ ওপৰত বিৰোধিতা কৰিছো। উপাধ্যক্ষ

* Speech not corrected

মহোদয়, গ্ৰামউন্নয়ন বিভাগটো আমাৰ নিচিনা ৰাজ্য এখনৰ কাৰণে অতি গুৰুত্ব-পুৰ্ণ বিভাগ। এই বিভাগৰ দ্বাৰা আজি প্ৰতি বছৰে আমাৰ দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত থকা ৰাইজে যি ধৰণে সকাহ পাবলাগিছিল সেই ধৰণে সকাহ পোৱা দেখা নগল। অসম গণ পৰিষদ চৰকাৰৰ দিনত এই বিভাগটো যথেষ্ট খিনি কাৰ্য্যক্ষম কৰা হৈছে আৰু এই বিভাগটোৰ দ্বাৰা ৰাইজক প্ৰকৃত সেৱা দিয়াৰ কাৰণে যথেষ্ট চেষ্টা কৰা হৈছে। আৰু এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ দিনত এই বিভাগটোৱে বহুখিনি কাৰ্যাকৰিতা লাভ কৰিছে। আজি এই বিভাগৰ যিখিনি কাম কাজ সেই কাম কাজৰ ক্ষেত্ৰত কিছুমান নীতি বা নিৰ্দ্দেশনা নিশ্চয় পৰিবৰ্ত্তন নহলে আমি যি ধৰণে আশা কৰো সেই ধৰণে কাম পোৱাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা হব বুলি মই ভাবো। এই বিভাগৰ ব্লক লেভেলত যি সকলক কাম কৰাৰ বাবে দিয়া হৈছে আৰু ব্লক লেভেলত আমাৰ বিধায়ক সকলক কাম কৰাৰ বাবে দায়িত্ব দিছে। কিন্তু আমি এই কাম বিলাক কৰিবলৈ যাওতে নানান অসুবিধা দেখা গৈছে। এই অসুবিধা বিলাকৰ সম্পৰ্কত মই আজি মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰিব বিচাৰিছো। বিভিন্ন সময়ত দেখা যায় যে, এই আচঁনি সমূহৰ কাৰণে আমি প্ৰজেক্ট ডাইৰেক্টৰ অফিচৰ পৰাই হওঁক বা ডাইৰেক্টৰ অফিচৰ পৰাই হওঁক আঁচনি-সমুহ ততাতৈযাকৈ বিচৰা হয়। আৰু ততাতৈয়াকৈ আঁচনিসমুহ তৈয়াৰ কৰি পঠিয়াই দিবলগা হয়। দ্বিয়তীতে, আঁচনিসমূহ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যিটো টকা ৰিলিজ কৰা হয়, সেই টকা কিষ্টি হিচাবে দিয়াৰ বাবে বহুতো অসুবিধা হয়। এটা কিষ্টি পোৱাৰ পিচত দ্বিতীয়টো কিষ্টি পোৱাৰ বাবে যথেষ্ট দিন বাটচাব লগা হয়। মাজতে এই সময়খিনি স্থবিৰ হৈ কাম বন্ধ হৈ যায়। তৃতীয়তে দেখা যায় যে, ব্লক বিলাকত কাম অনুপাতে ষ্টাফ কম দিয়া হৈছে। বিশেষকৈ আমাৰ যিসকল চিনিয়ৰ বি, ডি, অ' আছে সেইবিলাকক বাহিৰা কামত দিয়াৰ বাবে ব্লকৰ কাম বিলাক পৰি থাকে। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে, আজি ২-৩ মাহ ধৰি বৰকো বনগাওঁ ব্লকত চিনিয়ৰ বি, ডি, অ' নাই তেওঁক ল' এণ্ড অৰ্ডাৰৰ কামৰ দায়িত্ব দিয়া হৈছে। আৰু ফাইনেন-চিয়েল পাৱাৰো দিয়া হোৱা নাই। নিদিয়াৰ বাবে তাত কাম সম্পূৰ্ণ কৰাত বাধা আহিছে। বাকী এণ্টায়াৰ ষ্টাফক ভোটাৰ তালিকাৰ সংশোধনৰ কামৰ

দায়িত্ব দিয়া হৈছে। তাত এনে এজন মানুহ নাই যি ব্লকৰ কাম কৰিব পাৰে। মাত্ৰ এজন চাৰ ইঞ্জিনিয়াৰ আছে যি জন গড়কাপ্তানী বিভাগৰ পৰা দেপুটেশ্যনত গৈছে। এক্সটেনশ্যন অফিচাৰ নাই, জুনিয়ৰ ইঞ্জিনিয়াৰ নাই, বি, ডি, অ' নাই আশাকৰো মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত বিশেষভাবে দৃষ্টি ৰাখিব। যাতে ব্লক বিলাকত কাম কৰাৰ বাবে বিষয়া কৰ্ম্মচাৰীৰ অভাৱ নহয়। তাৰোপৰি দেখা গৈছে যে, আমাৰ আচঁনি সমূহৰ প্ৰতি বছৰে কাম নোহোৱাৰ কাৰণ হৈছে আচঁনি বিলাক স্পিল অভাৱ হৈ আছে। তাৰ ফলত ১৯৮৫-৮৬ চনৰ পৰা কোনো আচঁনি এতিয়ালৈকে কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই। সেইক্ষেত্ৰত কিছুমান অসুবিধাও দেখা গৈছে। আজি ৰাষ্টাই হওঁক বা দলঙেই হওঁক বা কালভাৰ্টেই হওঁক ব্লকৰ ফালৰ পৰা কৰিব পৰা হোৱা নাই। ব্লক বিলাকৰ চেয়াৰমেন সকলে প্ৰেচাৰ দিয়াৰ বাহিৰে কোনো বস্তু কিনিব নোৱাৰে। ওপৰৰ পৰা বস্তুৰ যোগান নাহিলে কোনো কাম কৰিব পৰা নহয়। ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনৰ বাবে যিবিলাক প্ৰাথমিক বিদ্যালয় নিৰ্ম্মান কৰাৰ বাবে লোৱা হৈছে, সেই বিদ্যালয় বিলাক আগতে নিৰ্ম্মান কৰোতে কাঠ ব্যৱহাৰ কৰা হৈছিল কিন্তু ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনত কাঠৰ সলনি আইৰন জইন দিয়াৰ ব্যৱস্থ কৰা হৈছে, আইৰণ নোপোৱাৰ বাবে তলৰ পৰ্চনৰ কাম সম্পুৰ্ণ হৈছে আৰু ওপৰ পৰ্চনৰ কাম সম্পূৰ্ণ কৰিব পৰা নাই। মেটেৰিয়েল বিলাক সময়মতে যোগান ধৰিব নোৱাৰাৰ বাবে কামত আগবাঢ়িব পৰা নাযায়। এই বছৰ মন্ত্ৰী মহোদয়ে কেইটাগান নতুন ব্লক কৰিছে।

(কোৰাম নাই)

ব্লকৰ পৰিসৰ বঢ়ালেই নহব লগে লগে ষ্টাফৰ কথাও চিন্তা কৰিব লাগিব। ষ্টাফিং পেটাৰ্নো ভালধৰণে চিন্তা কৰিব লাগে কাৰণ যি জন জুনিয়ৰ ইঞ্জিনিয়াৰ দিয়া হৈছে তেওঁৰ বাহিৰে কোনো টেকনিকেল মানুহ নথকাৰ বাবে বহু ক্ষেত্ৰত ইচ্ছা কৰিলেও কাম কৰা হোৱা নাই। গতিকে সময়মতে মেটেৰিয়েল চাপ্লাই কৰাৰ বাবে ব্যৱস্থা লব লাগে। লগতে এইটোও চাব লাগে যাতে আচঁনি বিলাক স্পিল অভাৱ নহয়। ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনৰ বহু বিলাক আচঁনি এতিয়াও আৰম্ভ কৰা নাই। বকো বনগাওঁ ব্লকত চিমেণ্ট নোহোৱাৰ কাৰণে স্কুলঘৰ নিৰ্ম্মানৰ কাম আৰম্ভ কৰিব পৰা নাই। তাৰোপৰি প্ৰজেক্ট

ডাইৰেক্টৰৰ অফিচৰ পৰা বা বি, ডি, অ' অফিচৰ পৰা ব্লক লেভেলৰ যি টকা ৰিলিজ কৰা হয় সেইটো কেইবাটাও কিষ্টিত কৰা হয়। যদি ৩৫ হাজাৰ টকা দিয়ে সেইটো ৫ টা কিষ্টিত ৰিলিজ কৰিলে ব্লকৰ মানুহ হাৰাশাস্তি খাব-লগা হয়। গতিকে বৰ বেচি দুটা কিষ্টিত টকা দিয়াৰ ব্যৱস্থা কৰিব লাগে। যি কি নহওঁক মন্ত্ৰী মহোদয়ে এই বিভাগটো যথেষ্ট কাৰ্য্যক্ষম কৰাৰ বাবে চেষ্টা কৰিছে। আমি বিশেষ ভাৱে দেখা পাইছো যে, আগৰ চৰকাৰৰ তুলনাত আমাৰ চৰকাৰৰ দিনত কামবিলাকৰ এচিভমেণ্ট পোৱা হৈছে। ইয়াৰ আগতে এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি, পিৰ পৰা ৰাষ্টাঘাট নিৰ্ম্মান, স্কুল নিৰ্মানৰ বাবে যি টকা আহিছিল সেইবিলাকৰ চিনচাব নাই। আগৰ চৰকাৰেও নিৰ্মান কৰিছিল, কিন্তু আমি সম্পুৰ্ণ হোৱা দেখা নাই। আজি আমাৰ চৰকাৰৰ দিনত কাম আৰম্ভ কৰা হৈছে আৰু সম্পুৰ্ণ হোৱা দেখা গৈছে। যি যিনি কৰিব পৰা নাই সেইখিনি মেটেৰিয়েলচৰ যোগানৰ অভাৱতহে হোৱা নাই। অৱশ্যে মন্ত্ৰী মহোদয়ে বিভাগটো কাৰ্য্যক্ষম কৰাৰ বাবে যিখিনি উপায় উদ্ভাৱন কৰিছে সেইখিনিয়ে এই বিভাগটো শক্তিশালী কৰিব। তাৰ বাবে তেখেতৰ শলাগ লৈছো। নতুন ব্লক খুলি ডিচেণ্ট্ৰেলাইজ কৰি সোনকালে কাম কৰিব বুলি আশা কৰিলো। কাৰণ এইবিভাগটো আমাৰ দুখীয়া ৰাইজৰ কাৰণে অতি গুৰুত্বপূৰ্ণ বিভাগেহে আমাৰ দুখীয়া ৰাইজক সকাহ দিব বুলি ভাবো। সেইকাৰণে এই প্ৰস্তাৱটোৰ দ্বাৰা যি দাবী মঞ্জুৰীআনিছে, সেইটো সমৰ্থন কৰি বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি বক্তব্য সামৰিলো।

**Shri Digendra Purkaystha :** Mr. Deputy Speaker Sir, in support of the cut-motion moved by our friend I would liked to say a few words. Regarding this Grant much has been discussed and many of the Hon'ble members have put forward their suggestions. I Would like to say something regarding functioning of the BLCC. Sir, the Rural Development is a department which is run on the guidelines of the Central Govt. and the BLCCs are formed by the Hon'ble members of Constituency as its Chairmen. But Sir,

here we have noticed one thing: We as Chairman, are invited to attend the meetings and in the meetings we select schemes and the concerned B.D.O. or Junior engineers prepare plane estimates and implement the works. But Sir, much has been discussed about corrup-tion in the department. I think, in this respect we have got some responsibility also. But in actual practice we are almost helpless because whenever a scheme is implemented the Junior engineers and the B. D. Os, senior or junior as the case may be, implement the works. The Junior enigneers are entirely responsible for the works. They engage labourers and they implement the scheme. In respect of payment the Chairman of the BLCC are not at all cousulted. Here I want to give one suggestion: At the time of payment and whenever master-rolls are prepared atleast before the final payment is made, this should be passed by the respective Chairman tf the BLCC. In that case we can also know how much money is being spent in the scheme and we could have given some suggestions also. Sir, this is the main defect because the Chairman has no control over the financial matters and so there are scopc for corruption. In my Block in Narsingpur there is no senior B. D. O. since last few months. The Se ior B. D. O., who is in charge of Chalchapra Block is looking after the works of both the blocks. So it is very difficult to contact him because he is to look after two blocks. It is not possible to one Senior B. D. O. to maintain two Blocks- so immediately one Senior B. D. O should be

placed there for the convenience of the people and for smooth functioning of the Block. Sir, another thing is that there is no vehicle in the Block. The Jr. Engineers and the B. D.Os cannot move for want of vehicles. We also cannot Supervise the works. So there are much scope for corruption or mismanagment. So, Sir, this block should be provided with one vehicle so that the concerning officers and the Chairman can visit the works from time to time.

Sir, another thing in our Block is that 3 persons were nominated as BLCC members and subsequently when the Mahkuma Parishad was constituted the councillor' have been included as members of the BLCC. In my block there are 6 Gaon panchayats. All these councillors plus the other 3 nominated persons are made members of the BLCC. One particular member Mr. Lal Mohan Dosal is a member of sclcoure Gaon Panchayat is also made member of the Narsingpur as well as Chalchapra Block. Sir, this kind of anomaly should be removed for smooth functioning of the Block and there are no coordination between the Junior and Senior B. D. Os. Sir implementation of the schemes at earlier times was easier because there were no Senior B. D. Os. There was only one B.D.O. But after coming to power, this Government have dismissed the earlier B. D. Os. But all the dismissed B.D.Os, have gone to the Court. And consequeetly, this Government are placed the dismissed B. D. Os, by Senior B. D. Os. That is why there are anomalies and it is very difficult to expedite the implementation of the schemes till such anommlies are prevalent, So Sir, this kind of anomalics should be removed. With this suggestion I conclude

my speech in support of the Cut-motion. Thank you, Sir,

* শ্ৰীদেবেশ্বৰ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে যি ১৯৮৯-৯০ চনৰ পৰিকল্পনাৰ বাবে টকা বিচাৰিছে মই তাক সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষৰ যি সকলক মাননীয় সদস্যই কৰ্ত্তন প্ৰস্তাৱ আনিছে তাক মই বিৰোধিতা কৰিছো। যোৱা বছৰ গ্ৰাম্যোন্নয়ন বিভাগটো মই গাওঁ উন্নয়ন বিভাগ বুলি আখ্যা দিছিলো। কিন্তু আজি মই সেইটো কবলৈ যোৱা নাই। যিহেতু যোৱা বছৰৰ পিচৰ পৰা এই বিভাগটোৱে যথেষ্ট থিনি কাম কৰা আমি দেখিবলৈ পাইছো। তথাপিটো এই বিভাগৰ ওপৰত মই ২/১ টা পৰামৰ্শ দিব বিচাৰিছে। ইয়াৰ আগতে যি বাজেট প্ৰস্তুত কৰা হৈছে এই বাজেটৰ ক্ষেত্ৰত আমি দেখা পাইছো যে প্ৰায় ৪৫,৭১,০৩,০০০ টকা এই পৰিকল্পনাত ইয়াত আবণ্টন দেখুৱা হৈছে। তাৰ ভিতৰত বিশেষভাৱে পৰিকল্পনাৰ শিতানত ৪৫ কোটি ৫২ লাখ দেখুৱাইছে।

মাননীয় উপাধ্যক্ষ মহোদয়, গ্ৰাম্য উন্নয়ন বিভাগৰ অধীনস্থ এন,আৰ,ই,পি আৰ,এল,ই,জি,পি, ট্ৰাইচেম, বায়োগেছ প্ৰজেক্ট, আই, আৰ, ডি, পি ইত্যাদি আচনিবোৰ ৰূপায়ণৰ ক্ষেত্ৰত এই টকা বিভাগে খৰচ কৰিব। ইয়াৰ বাদেও চেণ্ট্ৰেল স্পনচৰ কিছুমান আচনিৰ কাৰণেও টকা ধাৰ্য্য কৰা হৈছে। এন, আৰ, ই, পি, আৰ, এল, ই, জি.পি এই আচনি দুখন এই বছৰৰ পৰা উঠাই দিয়া হৈছে। ইয়াৰ ঠাইত নতুনকৈ জৱাহৰ ৰোজগাৰ যোজনা আৰম্ভ কৰা হৈছে। এই জৱাহৰ ৰোজগাৰ আচনিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে যি টকা দিছে, সেই টকাৰে এই আচনিবোৰৰ কাম কিমানদূৰ কাৰ্য্যকৰী হৈ উঠে সি চিন্তাৰ বিষয়। ভাৰতবৰ্ষত নিৰ্ব্বাচনৰ আগে আগে গাৰলীয়া দুখীয়া জনসাধাৰণৰ ভোট লাভ কৰিবৰ কাৰণে, কেন্দ্ৰত ক্ষমতা দখল কৰিবৰ কাৰণে ৰাইজৰ সন্মুখত এনেকুৱা আচনি ডাঙি ধৰে। এই জৱাহৰ ৰোজগাৰ আচনিৰ জৰিয়তে ভাৰতবৰ্ষত দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা ৪ কোটি জনসাধাৰণক সহায় কৰিবলৈ বিচৰা হৈছে। এতিয়া প্ৰশ্ন হৈছে এই আচনি নিৰ্ব্বাচনৰ আগে আগে আৰম্ভ কৰি নিৰ্ব্বাচন শেষ হৈ গলেই এই আচনিৰ কামো উঠি যাবনে কি ? যি কি নহওক এই আচনি ৰূপায়ণৰ কাৰণে অসমত ৫০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে দিছে। বিভিন্ন ডি, আৰ, ডি, এ এজেন্সিৰ জৰিয়তে কেন্দ্ৰীয় কৃষি বিভাগে এই আচনি ৰূপায়ণৰ ব্যৱস্থা কৰিছে। মই মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী

* Speech not corrected

মহোদয়ক অনুৰোধ জনাইছো যাতে জৱাহৰ ৰোজগাৰ আচনিৰ টকাবোৰ বিভাগে সৎভাৱে, উচিত ভাৱে ব্যৱহাৰ কৰে তাৰ প্ৰতি চকু ৰাখে। এই টকাৰ শতকৰা ৮০ ভাগ কেন্দ্ৰীয় চৰকাৰৰ আৰু বাকী ২০ ভাগ ৰাজ্য চৰকাৰৰ সাহাৰ্য্য। ৰাজ্য চৰকাৰে এই আচনিৰ সফল কাৰ্য্যকাৰীতাৰ দিশত চকু দিব লাগিব। এইবাৰৰ বাজেটত, পৰিকল্পনাত ট্ৰাইবেল চাব প্লেন আৰু এচ, চি; কম্পনেন্ট আচনিৰ কাৰণে কিছু টকা ধাৰ্য্য কৰা দেখা গৈছে। এচ, চি, এচ, টি, লোকৰ উন্নয়নৰ কাৰণে যি টকা খৰচ কৰা হয় সেই টকা সঠিক ভাবে খৰচ কৰা নহয় বুলি বিভিন্ন অভিযোগ প্ৰায়েই শুনা যায়। অলপতে বিধান সভাৰ এচ, চি, এচ, টি, কমিটিয়ে যি প্ৰতিবেদন ইয়াত দাখিল কৰিছে তাতো এই অভিযোগ আনিছে। আমি আশা ৰাখিছো এই বিভাগত জনজাতী আৰু অনুসুচীত জাতিৰ লোকৰ উন্নয়নৰ কাৰণে যিখিনি টকা ধাৰ্য্য কৰা হৈছে সেই টকাৰ যাতে সৎ ব্যৱহাৰ হয় তাৰ কাৰণে মন্ত্ৰী মহোদয়ে নজৰ ৰাখিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, আই, আৰ, ডি, পিৰ ক্ষেত্ৰত আমাৰ বিভিন্ন মাননীয় সদস্যই সমালোচনা আৰু পৰামৰ্শ আগবঢ়াইছে। এই আচনিৰ জৰিয়তে বেনিফিচিয়েৰীয়ে ঋণ পাওঁতে যথেষ্ট হাৰাশাস্তি হবলগীয়া কথাটো ভালেকেইজন সদস্যই উল্লেখ কৰিছে। বহু ক্ষেত্ৰত ঋণ পাবলগীয়াই নেপায় অথচ চহকী লোকে ঋণ পোৱাও দেখা গৈছে। আই, আৰ, ডি, পিৰ ঋণ যাতে উচিত মতে উচিত ব্যক্তিয়ে পাব পাৰে তাৰ কাৰণে বি, এল, চি, চিৰ জৰিয়তে বেনিফি- চিয়েৰী নিৰ্ব্বাচন কৰিব পাৰি নেকি বিভাগটোৱে বিষয়টো পৰীক্ষা কৰি চাব লাগে। বায়োগেছ আচনিৰ ক্ষেত্ৰত যি ধৰণে টকা বিতৰণ কৰিব লাগে সেই ধৰণে কৰা দেখা নেযায়। কোনো কোনো ক্ষেত্ৰত সৰু সৰু একোটা ব্লকে বেছি টকা পাইছে অথচ ডাঙৰ ব্লকে কম টকা পাইছে। জনসংখ্যা ভিত্তিত এনে আচনিৰ টকা ধাৰ্য্য কৰি ব্লকলৈ বিতৰণ কৰাৰ কাৰণে বিভাগে চকু দিব লাগে। আই, আৰ, ডি, পি, আচনিৰ ক্ষেত্ৰটো ডাঙৰ ব্লকত য'ত অধিক গাওঁ পঞ্চায়ত আছে তাত অগ্ৰাধিকাৰ দিব লাগে। এই ক্ষেত্ৰটো দেখা গৈছে- যিটো ব্লকত ৩ খন গাওঁ পঞ্চায়ত আছে তেওঁলোকে বেছি বেনিফিট পাইছে আৰু যিটো ব্লকত ১০ খন গাওঁ পঞ্চায়ত আছে তাত কম সুবিধা পাইছে। আচনিবোৰ

সদায় জনগাঠনিৰ ওপৰত নিৰ্ভৰ কৰি অনুমোদন কৰিব লাগে। ডি, আৰ ডি, এ; আচনিৰ ক্ষেত্ৰত গোলাঘাট জিলাই এটা সমস্যাৰ সন্মুখীন হৈছে সেইটো হৈছে ইয়াৰ কাৰণে এতিয়াও যোৰহাট জিলাৰ পৰা টকা আহিব লাগে। ইয়াৰ কাৰণে গোলাঘাট জিলাখন ক্ষতিগ্ৰস্ত হৈছে। যোৰহাট জিলাৰ পৰা গোলাঘাটৰ অংশটো বাইফাৰকেচন কৰাৰ ব্যৱস্থা কৰিব লাগে - এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে খৰটকীয়া ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিলো। মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা বছৰ বিত্তীয় সংকতৰ কাৰণে গোলাঘাট 'ডি. আৰ, ডি, এ' ৰ কাম কৰিবলৈ ব্লকত পৰ্য্যাপ্ত পৰিমানৰ ষ্টাফ নথকাৰ কাৰনে ভীষণ অসুবিধা হৈছে। গতিকে এই বছৰ তাত যাতে কাম কৰিব পাৰে তাৰ কাৰনে অনতিপলমেই ষ্টাফ দিবলৈ মই অনুৰোধ কৰিছো। ষ্টাফ নোহোৱাৰ কাৰণেই গ্ৰামোন্নয়ন বিভাগৰ ফালৰ পৰা দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা লোক সকলক ওপৰলৈ তুলিবৰ কাৰণে যি বিলাক আচঁনি লৈছে সেই বিলাকৰ কাম-কাজ কৰাত ভীষণ অসুবিধা হৈছে। এটা ব্লকত প্ৰয়োজন অনুসাৰে যি কেইজন 'জুনিয়ৰ ইঞ্জিনীয়াৰ' থাকিব লাগে, তিমান নাই। উদাহৰণ, মোৰ সমষ্টিৰ পদমনি ব্লকটোৰেই। তাত ১০টা গাওঁ পঞ্চায়ত থকা স্বতেও তিনি জনহে জুনিয়ৰ ইঞ্জিনিয়াৰ আছে। গতিকে কাম কেনেকৈ হব? ইমান কম ষ্টাফেৰে কেনেকৈ কাম কৰিৰ। ইতিমধ্যে ১৯৮০-৮৯ চনৰ কাম আৰম্ভ হৈছেহে। ১৯৮৯-৯০ চনৰ কথা আছেই। অক্টোবৰ মাহৰ আগতেই কাম কৰি শেষকৰিবলৈ কোৱা হৈছে। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে, অসমৰ ভৌগলিক পৰিস্থিতিৰ প্ৰতি লক্ষ ৰাখি কাম বিলাক কৰিব লাগিব।

( সদনত থূলৰ অভাৱ )

মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে দৈয়াং অঞ্চলতো এটা ব্লক অনুমোদন কৰা হৈছে। আশা ৰাখিছো তাত যি খিনি চাকৰিয়ালৰ প্ৰয়োজন সেই খিনি দিয়াৰ ব্যৱস্থা কৰে যেন। কিছুমান সীমান্ত সমস্যাৰ কাৰণেও গোলাঘাটত বিভিন্ন আচনি সমূহৰ কাম কাজ বিলাক কৰিব পৰা নাই। বিশেষকৈ নগা-লেণ্ডৰ ফালৰ পৰা এই ক্ষেত্ৰত নানান বিধি পথালি দি থকা হৈছে। গতিকে এই ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ কাম খিনি কৰোতে যাতে কোনো অসুবিধাৰ সন্মুখীন হব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা লবলৈ অনুৰোধ কৰি মই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now Hon'ble Minister, Rural Development.

* শ্ৰীগনেশ কুটুম (মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, গ্ৰাম্য উন্নয়ণ বিভাগৰ ফালৰ পৰা যি দাবী মঞ্জুৰী সদনত উত্থাপিত হৈছে তাৰ ওপৰত সদনৰ যি সকল মাননীয় সদস্যই অংশ গ্ৰহণ কৰি আজি তিনি দিন ধৰি আলোচনা বিলোচনা আদি কৰিলে সেই সকল মাননীয় সদস্য লৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, এই দাবী মঞ্জুৰীৰ পৰিপ্ৰেক্ষিতত আজি সুদীৰ্ঘ তিনিদিন ধৰি আলোচনা হোৱাৰ হয়তো দুটাকাৰণ থাকিব পাৰে। প্ৰথম কাৰণ এইটোও হব পাৰে যে, বিভাগটোক যি খিনি ধন আবণ্টন দিছে সেই অনুপাতে কাম হোৱাৰ কাৰণেই মাননীয় সদস্য সকলে আলোচনাত অংশ গ্ৰহণ কৰাত সুবিধা হৈছে। দ্বিতীয়তে, যিহেতু বিভাগটো এটা গতিশীল বিভাগ, সেই গতিশীল তালৈ লক্ষ্য ৰাখি বিভাগটো আৰু গতিশীল কৰিবৰ কাৰণে মাননীয় সদস্য সকলে আলোচনাত অংশ গ্ৰহণ কৰি পৰামৰ্শ আগবঢ়াইছে।

মাননীয় উপাধ্যক্ষ মহোদয়, গাৱলীয়া জনসাধাৰণৰ কল্যাণ আৰু উন্নয়ণৰ প্ৰতি লক্ষ্য ৰাখিয়েই পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰফালৰ পৰা আই,আৰ,ডি,পি.এন, আৰ,ই,পি, কে আদি কৰি আচঁনি বিলাক গ্ৰহণ কৰা হৈছে। এই আচনি বিলাক হৈছে দৰিদ্ৰতা দুৰীকৰণৰ কাৰণে লোৱা আচঁনি দৰিদ্ৰতাৰ তলত যি সকল লোক আছে সেই সকলক সাহাৰ্য্য দিয়াই হৈছে এই বিলাক আচঁনিৰ মুখ্য উদ্দেশ্য। ইয়াৰোপৰি, জৱাহৰ যোজনা, ইন্দিৰা যোজনা, ট্ৰাইচেম' কে আদি কৰি বিভিন্ন আচঁনি বিলাক আছে মাননীয় উপাধ্যক্ষ মহোদয়, উল্লেখ যোগ্য যে, বায়গেছ' আচনিত লক্ষীমপুৰ জিলাই ভাৰতবৰ্ষৰ ভিতৰতে অভিলেখ স্থাপন কৰিছে। আই,আৰ,ডি পি আচঁনিৰ ক্ষেত্ৰত ১৯৮৮-৮৯ চনত যি টাৰ্গেট আছিল তাত ১৯.৬৯০ টা পৰিয়াল উপকৃত হৈছে। সেইদৰে অন্যান্য বিলাক আচঁনিৰ ক্ষেত্ৰটো উল্লেখ যোগ্য প্ৰগতি লাভ কৰিছে। আজি তিনিদিন ধৰি আমাৰ মাননীয় সদস্য সকলে আলোচনাত অংশ গ্ৰহণ কৰি যি খিনি প্ৰশ্ন বা কথা উত্থাপন কৰিছে সেইখিনিৰ যথাযথ উত্তৰ দিয়াত মোৰ ফালৰ পৰা সময়ৰ অভাৱৰ কাৰণে অসুবিধা হব। সেইকাৰণে থোৰতে মই কেইটামান কথা কব খুজিছো। বেংকৰ ফালৰ

* Speech not corretced

পৰা ভোগ কৰি অহা অসুবিধা বিলাক আতৰ কৰিবৰ কাৰণে বেংকৰ মুৰব্বী সকলৰ লগত ৰাজ্যিক চৰকাৰে আলোচনা কৰিছে যাতে বেংকৰ ফালৰ পৰা সাহাৰ্য্য দিয়াত এই বেংক সমুহে সকলো ধৰণৰ সাহাৰ্য্য আগবঢ়াব পাৰে। ট্ৰাই-চেম'ৰ ক্ষেত্ৰটো উল্লেখ যোগ্য প্ৰগতি লাভ কৰাহৈছে। প্ৰায় ১১৯২ জন যুৱক যুৱতীক এই আচঁনিৰ যোগেদি আত্ম সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে। চলিত বছৰত ইয়াৰ সংখ্যা আৰু বঢ়াবলৈ চেষ্টা কৰিম। মহিলা আৰু শিশু উন্নয়ণৰ কাৰণেও কিছুমান আচঁনি লোৱা হৈছে আৰু এই ক্ষেত্ৰটো যথেষ্ঠ খিনি প্ৰগতি লাভ কৰা হৈছে। এতিয়ালৈকে ১০ হেজাৰটা পৰিয়াল ইয়াৰ দ্বাৰা উপকৃত হৈছে। চলিত বছৰত আমি আৰু ৩০ লাখ টকা ধাৰ্য্য কৰিছো আৰু সেই অনুপাতে বেনিফিচিয়েৰি'ৰ সংখ্যা বাঢ়িব বুলি আশা কৰিছো। আই,আৰ,ডি,পি' কে আদিকৰি যি বিলাক আচঁনি আছে সেই আচনিবিলাকত আবশ্যক অনুযায়ী যিমান পুজী ধাৰ্য্য কৰিব লাগে সংশ্লিষ্ট বিষয়া সকলে বা সন্থা বিলাকে থিক মতে সেই তথ্যপাতি যোগান নধৰাৰ কাৰণে আমি সেই বিলাক আচনিত পাবলগীয়া টকাৰ পৰা বঞ্চিত হৈছো যাৰ ফলত আমাৰ দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা লোক সকলে ভুগিবলগীয়া হৈছে। যোৱা এপ্ৰিল মাহত নতুন দিল্লীলৈ যাওঁতে কেন্দ্ৰীয় চৰ-কাৰক মই এই বুলি কৈছিলো,

"You aie aware, Sir, that the 38th round of the Sample Survey by NSS, conducted during 1983-84 has iadicated the percentage of people living below the poverty line in Assam as 23.5 percent only. This finding of the NSS has been disputed by us because in 1977-78, the incidence of poverty was 52.65% as reflected in the 6th plan document of the Planning Commission. If the figures of 38th round of NSS is taken as true, there must have been a reduction in the poverty level to the extent of 29.15% in the State within 6-7 years. This when compared to National average of poverty reduction at around 10% during

the period, raises further questions about NSS 38th round report. Also during this period, due to mass movement on the foreigners issue from 1979 to 1985, economic growth was slow and halting. Further, no structural change in the economy of state took place between 37th and 38th round of National Sample Survey.

A study was subsequently commissioned and conducted by Agro-Economic Research Centre for North Eastern Region of India, a Government of India Organisation, under the Directorate of Economics & Statistics, Ministry of Agriculture. The study has followed the same me thodology sampling design and sample coverage as that obtained by NSS during the 38th round. The survey was conducted throughout Assam and the reference period was September 1986 to August, 1987.

Taking Rs.110/ per capita per mensum expenditure as the poverty line for 1986-87, the study reveals that 52.29% of sample population in Assam were living below the poverty line. Another significant fact revealed by the study is that the average size of the family in Assam is 6.3 which is higher than the accepted All India norm of 5 per famaily. While computing the per capita expenditures of Rs. 110 per month weightage has been given in the study for higher prices prevailing in Assam based on the Consumer price Indices for Agricultural labourers as published from time to time. by CSO. For 1986 for example, the difference in price level in Assam and India as a whole for this purpose it is shown as 5%. It will thus be seen that the figures of 23.5% brought out by the 38th round of

NSS's Survey dose not reflect the poverty scene of the State correctly"

আৰু সেই কাৰণেই আমি এই ক্ষেত্ৰত ভুলৰ কাৰণে ৰাজ্যখনে আই-আৰ-ডি বি আৰু অন্যান্য আচনিৰ ক্ষেত্ৰত যি ধন পাব লাগিছিল সেইখিনি পোৱা অসুবিধা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰে ৰুৰেল ডেভেলপমেণ্ট বিভাগে কৈছে প্লেনিং বিভাগৰ লগত কথা বতৰা পাতিছে আৰু প্লেনিং বিভাগৰ আমাৰ সংসদী সদস্য আৰু কেন্দ্ৰীয় পৰিকল্পনা মন্ত্ৰী মাননীয় শ্ৰীবিৰেণ সিং ইংতি চাহাবকো লগ ধৰি কথাবতৰা হৈছে আৰু লিখিত ভাবেও দিছে। ইয়াৰ উদ্দেশ্যই হৈছে আমাৰ ৰাজ্যখনৰ দৰিদ্ৰৰ সীমাৰেখাৰ তলত থকা লোক সকলক কেনেকৈ আগুৱাই আনিব পৰা যায়। কিন্তু আম ৰ ইয়াতে ভালেমান মাননীয় সদস্যই কৈছে যে আই,আৰ ডি,পি আঁচনিৰ হিতাধিকাৰী জনোৱাৰ ব্যৱস্থা নাই আৰু সেই কাৰণে নাজানো বুলি কৈছে কিন্তু আমি আচৰিত হৈছো যে চৰকাৰৰ তৰফৰ পৰা ১০ ফেব্ৰুৱাৰী' ৮৬ তাৰিখে এখন চাৰ্কুলাৰ দিয়া হৈছে সেই মতে লোকেল এম, এল,এ চেয়াৰমেন আৰু পি-ডি আৰু বি-ডি-অ' মেম্বাৰ। সেই ক্ষেত্ৰত বি-এস-চি-চি সমূহৰ সম্পূৰ্ণ দায়িত্ব আছে। " to ensure proper identification of the target group under IRDP, (ii) to ensure proper co-ordination between the development departments, the financing institutions and other agencies operating in the block for successful implementation of IRDP, (iii) to ensure timely repayment of loan to the financing institutions sanctioned under IRDP, (iv) Any other matter relating to IRDP that may be assigned to it from time to time "

I feel happy to be present on the occasion of course on "Development of Rural Poor" being conducted here. "Developing poor rural masses of India and specially those of North Eastern region is not an easy task. The North Eastern region because of the poor communication links has been left-behind in the march to progress in India after independence.

Over and above the common problems of rural poor very where in Inbia; rural poor in North East have some special problems which arise due to geographical and socio-economic conditions prevailing in the North-East , Though the oun-try-side is rich in natural resources in most parts of the North-East, yer we have not been able to bring the rural masses to prosperity. within North-East thc problems vary from plains of Brahmauptra and Barak valley to those of Naga Hills and Himaloyan State of Arunachal pradesh. within North-East there is a great deal of variety of problems of rural poor and there fore on commou solution could be app-lied even for entire Noth-East. Solutions have to be in conso-nonce with local tradition, local economy, local geography oi the area.

উপাধ্যক্ষ মহোদয়, ইয়াৰ উপৰিও আমাৰ মাননীয় সদস্য শ্ৰীৰাগিবী ডাঙৰীয়াই কৈছে যে স্থানীয় বিধায়ক হিচাবে কথাটো জনাই নাই। কিন্তু আমাৰ ইয়াৰ পৰা ১৮-৫-৮৬ তাৰিখে আকৌ এখন চাকুৰ্লাৰ দিয়া হৈছে যে ব্লকৰ চেয়াৰমেন নহ-লেও বি-এম-চি-চিৰ মেম্বাৰ হিচাবে এই তালিকাখন অনুমোদন জনাব লাগে। এই বিষয়ক তথ্য পাতি সমুহ বোধকৰো মাননীয় সদস্য সকলৰ ব্যক্তভাধ মাজতে দৃষ্টিগোচৰ হোৱা নাই। সেই কাৰণে অহা ৩১ তাৰিখে আবেলি ২:৩০ বজাত জনতা ভৱন প্ৰেক্ষাগৃহত মাননীয় মুখ্যমন্ত্ৰীৰ উপস্থিতিত এখন সভা আহ্বান কৰা হৈছে এই বিলাক বিষয় খৰচি মাৰি আলোচনা কৰিবলৈ বুলি। তাতেই এই বিভাগৰ পৰা এতিয়ালৈকে প্ৰকাশ কৰা পুস্তিকা বিলাকো একত্ৰে বিতৰণ কৰি দিবপৰা হব। সেই ক্ষেত্ৰত আঁচনি সমূহ কি ভাৱে লোৱা হয় আৰু আঁচনি বিলাক কি ভাবে ৰূপায়ণ কৰিব পৰা হব সেই সম্পৰ্কত বহল ভাবে বিস্তাৰিত আলোচনা কৰিব পৰা হব বুলি আশা ৰাখিছো।

উপাধ্যক্ষ মহোদয়, বেংকৰ পৰা পোৱা হাৰাশাস্তি সম্পৰ্কত আমি সজাগ আৰু সেই কাৰণে পূৰ্ব্বাঞ্চলৰ বেংক সমূহৰ মূৰব্বীসকলক মাতি আনি ৰাজ্যিক পৰ্য্যায়ত

মাননীয় মুখ্যমন্ত্ৰীৰ উপস্থিতিত আলোচনা কৰা হব আৰু আমাৰ মাননীয় সদস্য সকলেও দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। আমাৰ ৰাজ্যৰ প্ৰাকৃতিক পৰিৱেশ আৰু জন-গাঠনিৰ আৰু পৰম্পৰাৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰে প্ৰস্তুত কৰা আচনিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিবলৈ যাওঁতে ৰূপায়ণৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াব পাৰিব। এই সম্পৰ্কে অলপতে হোৱা নাবাৰ্ডৰ সভা এখনত আমাৰ ভালেমান বিষয়া উপস্থিত আছিল। তাত আলোচনা হৈছিল।

"Litter No. RDD. 15-85-35, dated Dispur, the 28th March-189-from the Dy. Secretary to Government of Assam, panchayat and Rural Development (C) Deptt. to. the D rector of Rural Development, Assam Sub: Committee for implementation of schemes for conatruction of Primary School Building in the Blocks. In inviting a reference to the above, I am directed to say that construction Committee is formed in ordr to implement certain Rural Development Schemes. A copy of the Plan and Estimates of the Scheme should be handed over to the Committee so that proper implementation of the piogramme as per plan and estimate of the scheme is ensured"

মাননীয় উপাধ্যক্ষ মহোদয়, সেইকাৰণেই মই কব খোজো যে কেন্দ্ৰীয় চৰকাৰে যি গ্ৰামোন্নয়ণ আচঁনি প্ৰচলন কৰিছে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সেই আচঁনি সমূহে ক্ষতি সাধন কৰিব পাৰে বুলি অনুভৱ কৰিব পাৰে নে নোৱাৰে মোৰ সন্দেহ হৈছে। যিহেতু এফ, ডি, আৰ বোলা বস্তুটোৰ অভাৱ। অসমৰ দৰে প্ৰতি বছৰে ক্ষতি হোৱা আমাৰ এই বিভাগক আচঁনি সমূহক ক্ষতি কৰি যোৱাৰ পিচতো সেই আচঁনি সমূহে মেৰামতি কৰিবৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা এক পইচাও নাপাও। যোৱা বছৰ কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰাৰ পিচত ছছিয়েল ফৰেষ্টাটি আচঁনিত ২৫ ভাগ টকা দিয়া হৈছিল। মেৰামতি কৰাৰ ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমতি লাভ কৰিছিলো। প্ৰাকৃতিক দুৰ্যোগত ক্ষতি কৰা এই আচঁনিবিলাক পুনৰ স্বাভাৱিক

অৱস্থাৰে আনিবৰ কাৰণে যিখিনি ধনৰ আৱশ্যক যোৱা বছৰ বান বিধস্ত সময়ত ৫১ কোটি টকা কম হৈছে বুলি উল্লেখ কৰাৰ পিচতো সেই বিভাগে আবন্টন নাপালে। যোৱা বছৰ ক্ষতি হোৱা আৰু তাৰ আগৰ বছৰ ক্ষতি হোৱাৰ ফলত অসমৰ ৰাস্তা ঘাট, আলি-পদুলিৰ মেৰামতি কৰাত কিছু অসুবিধা হৈছে। তথাপিও যোৱা বছৰ এই বিভাগে কিছু কাম কৰিছে। মাননীয় সদস্য সকলে আজিও কৈছে যে চিনিয়ৰ বি, ডি, অ' আৰু জুনিয়ৰ বি, ডি, অ', সকলৰ মাজত মিলমিলৰ অভাৱ। সেই কাৰণে গ্ৰামোন্নয়ন আৰু পঞ্চায়ত বিভাগক লগত যোগাযোগ কৰি যিমান সোনকালে পাৰো এই আচঁনিবিলাকৰ ওচৰলৈ নিবৰ কাৰণে উন্নয়ন খণ্ডবিলাক সম্প্ৰসাৰণ ঘটুৱাইছো আৰু এই চৰকাৰৰ দিনত ৩৭ টা উন্নয়ন খণ্ড ইতিমধ্যে নিৰ্ম্মাণ কৰি উলিওৱাত বিত্তীয় বিভাগৰ পৰা অনুমোদন পালে আমি চেংচন কৰিবলৈ চেষ্টা কৰিম। গোলাঘাট জিলা নতুনকৈ পুনৰ গঠন হোৱাৰ লগে লগে জিলা গ্ৰামোন্নয়নলৈ সম্প্ৰসাৰণ কৰা হৈছে। আমাৰ মাননীয় সদস্য দেবেশ্বৰ বৰা ডাঙৰীয়াই কিছু সমস্যাৰ সন্মুখীন হোৱা বুলি কৈছে চলিত বছৰত সেইখিনিৰ ব্যৱস্থা কৰিবলৈ চেষ্টা কৰিম। যোৱা বছৰ প্ৰাকৃতিক দুৰ্যোগৰ যি অভিজ্ঞতা ব্ৰহ্মপুত্ৰৰ চৰ এলেকা আৰু চাপৰিত থকা লোক সকলৰ স্থাৱৰ সম্পত্তি আৰু অন্তত: নিজৰ জীৱন ৰক্ষা পৰে সেই কাৰণে ঠায়ে ঠায়ে ওখ ভেটি কৰিবলৈ চেষ্টা কৰা হব। ক্ষমতা বিকেন্দ্ৰীকৰণৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ ভিতৰত অসমতে কৰিব পাৰিছে।

(শ্ৰীহেমেন দাস আৰু কেইবাজনো সদস্যৰ একেলগে (ভইচ ভাৰতবৰ্ষৰ বিষয়ে নকব)।

শ্ৰীগনেশ কুটুম (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য সকলে নিজেই সজাগ হোৱা দৰকাৰ. সেইটোও আমাৰ চৰকাৰৰ ফালৰ পৰা দিয়া হৈছে। বি, ডি, অ', সকলে আচঁনিৰ কথা নাজানে কেৱল আচঁনিয়ে নহয় যি ঠাইত স্কুল নিৰ্ম্মাণ কৰা হব, ঘৰ নিৰ্ম্মাণ কৰা হব, পুখুৰী নিৰ্ম্মাণ কৰা হব এই বিষয়ে নকস্য কৰিবৰ কাৰণে আমি দিছো। এতিয়া কেইবাগৰাকী সদস্যই কৈছে যে এই বিভাগৰ এটা মনিটৰি চেল খুলিব লাগে। মই কৈছে যে জিলা পৰ্য্যায়ত মনিটৰি চেল গঠন দিয়া হৈছে। লগতে Computerised method আমি কৰি দিছো। এই সম্পৰ্কে অহা

৩১ তাৰিখে বিতং ভাৱে আলোচনা কৰিব পাৰিম। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ কেইগৰাকী মান সদস্যই এই সম্পৰ্কত জিলা উন্নয়নৰ কাম কৰিব লাগে বুলি কৈছে। জৱাহৰ ৰোজগাৰ যোজনা আৰু ইন্দিৰা আচঁনিৰ নিচিনা সৰু সৰু আচঁনি আছে। আমি কাগজত পাইছো যে ভাৰতবৰ্ষৰ ৫০ ভাগ জিলাতে সাহাৰ্য্য আগবঢ়োৱা হব। অসমৰ দুখন জিলালৈ প্ৰেৰণ কৰিছো। কেন্দ্ৰীয় চৰকাৰ আগতিয়া নিৰ্ব্বাচনৰ সন্মুখীন হোৱাৰ বাবে ১০ কোটি ১৩ লাখ টকা আবন্টন কৰক। দুখন জিলাৰ কাৰণে। কিন্তু এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি, পিৰ কাৰণে ৫00 শ কোটি টকা বিচৰা হৈছিল। কিন্তু গোটেই খিনি দায়লোট কৰি ২১00 কোটি বুলি ঘোষণা কৰিলে। কেৱল দুখন জিলাই নহয় ৰাজ্যখনৰ আটাইকেইখন জিলাতে সুমুৱাই দিছে। ( ভইচ- লক্ষীমপুৰ জিলাৰ মন্ত্ৰী কাৰণে লক্ষীমপুৰ জিলাৰ কথাকে কৈছে )

মাননীয় উপাধ্যক্ষ মহোদয়, মই লক্ষীমপুৰ জিলাৰ নহওঁ মই অসমৰ মন্ত্ৰী। এতিয়া আমাৰ হাতত যিখিনি তথ্য পাতি আছে সেই তথ্য ভিত্তিক জিলাৰ উপাযুক্ত সকলক আচঁনিৰ যোগেদি দিয়াৰ ব্যৱস্থা কৰা হৈছে। টকাবিলাক প্ৰত্যেক খন জিলাকে সমানভাৱে দিয়া নাই। কিছুমান তথ্য ভিত্তিক বেলেগ বেলেগ কৰি কম বেছি পৰিমাণে দিয়া হৈছে। উত্তৰ কাছাৰ পাহাৰীয়া আৰু ভৈয়াম জিলা কেইখনৰ ভিতৰত শিৱসাগৰ জিলাই কমকৈ পাইছে।

( ভইচ- লিষ্টখন পঢ়ি দিয়ক )।

মাননীয় উপাধ্যক্ষ মহোদয়, বিতৰণ সম্পৰ্কে মই তালিকা খন পঢ়ি দিছো। অসমত টোটেল ৰিচোৰ্চ এল'কেশ্যন - ৪০৫৬ লাখ টকা, কোকৰাঝাৰত- ৩৪৯ ৮৬, ধুবুৰীত - ১৩৭ ৯০, গোৱালপাৰাত — ২০৩.৫১, বৰপেটাত ২২১.৫১, নলবাৰীত — ২২০.৪২, কামৰূপত - ২৮০.৫৩, দৰংত - ২৫৫.৮৭, শোনিতপুৰত— ১৮১ ২২, লক্ষীমপুৰত — ৩২৯.২৫, ডিব্ৰুগড়ত— ২০৬.২০, শিৱসাগৰত— ৯০.৮১, যোৰহাটত— ১৫৬.৯১, গোলাঘাটত - ১১১.২১, । নগাঁও জিলাত— ৫০০.২৭ টকা দিয়া হৈছে।

শ্ৰীভবেন বৰুৱা ঃ বিতৰণৰ ক্ষেত্ৰত বৈষম্য কিয় হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগণেশ কুটুম ( মন্ত্ৰী ) ঃ কাৰ্বিআংলঙত ২৭৯.১১ লাখ টকা আৰু এন, চি, হিলচ্‌ত ৬৫.৭৯ লাখ টকা। কাচাৰত – ৩০৬.৪৩ লাখ টকা, কৰিমগঞ্জত- ১৬৩.৫৭ লাখ টকা মুঠতে কাচাৰ আৰু কৰিমগঞ্জ মিলি ৪ কোটি ৭০ লাখ টকা দিয়া হৈছে। কিন্তু ইয়াত যি ধৰণে নৰ্মচ লৈ বিতৰণ কৰা হৈছে এই ক্ষেত্ৰত অস্পষ্ট ছবিটো হৈছে জিলা সমূহক কৈছে – পঞ্চায়ত ভিত্তিত যিমান জিলা আছে আৰু যিমান টকা পাইছে সেই টকা খিনি প্ৰতি পঞ্চায়তকে সমানে ভগাই দিব লাগিব। কেন্দ্ৰীয় চৰকাৰে জিলা সমূহলৈ ভাগ কৰি ৰাজ্যৰ বাজেটত আবণ্টিত মুঠ ধন বিলাক যেতিয়া বিতৰণ কৰে তেতিয়া কিছুমান তথ্যৰ ওপৰত নিৰ্ভৰ কৰি জিলা বিলাকলৈ এনেধৰণে টকা বিতৰণ কৰিছিল। এচ, চি আৰু এচ, টি ৰুলাৰ আন এম্পলয়:মণ্ট সেই তথ্য ভিত্তিৰ ওপৰত নিৰ্ভৰ কৰি ধন বিলাক বিতৰণ কৰিছিল। কিন্তু জিলাখনৰো কিছুমান পঞ্চায়তৰ তাৰতম্য আছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে কোনো দায়িত্ব নিদিলে আৰু তেওঁলোকে নিজে একো নকৰাকৈ জিলা বিলাকলৈ সমান ভাবে ধন বিতৰণ কৰাৰ ক্ষেত্ৰত অস্পষ্ট ধাৰণা হৈছে আৰু এই ক্ষেত্ৰত আমিয়ো বুজি পোৱা নাই ইয়াৰ দ্বাৰা এই টাৰগেটে মানুহক কি ধৰণে উপকাৰ কৰিব বিচাৰিছে। ইয়াত মোৰো সন্দেহ আছে। যিহেতু সময় কম আছে মই মাননীয় সদস্য সকলক এটা কথাই কব বিচাৰিছো যে আমাৰ বহুতো মাননীয় সদস্যই বি, এল, চি, চিৰ চেয়াৰমেন আৰু সদস্যয়ো আছে আৰু আমাৰ মাননীয় বিধায়ক সকল হৈছে জনসাধাৰণৰ নিৰ্ব্বাচিত প্ৰতিনিধি। গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী হিচাবে আমি বিভিন্ন জিলালৈ ভ্ৰমণ কৰিবলৈ যাবলগীয়া হয়। মই কাচাৰ কৰিমগঞ্জ জিলালৈ যাওঁতে তাত আটাইকেইজন বিধায়কৰ পৰা এই ক্ষেত্ৰত সক্ৰীয় সমৰ্থন পাইছো। আৰু তেখেত সকলে ৰাইজৰ মাজত মোক আচঁনি বিলাকৰ বিষয়ে অবগত কৰিছিল। গতিকে অইন অইন ব্লক বা অঞ্চলত গলে বা জিলাত গলে আপোনালোকে যাতে সক্ৰীয় সহায় সহযোগিতা আগবঢ়াই তেতিয়াহলে বহুতো সমস্যাই আমি স্থানীয় ভাবে সমাধান কৰিব পাৰিম। এই ক্ষেত্ৰত আপোনালোকৰ সক্ৰীয় সহ-যোগ আৰু সমৰ্থন আৰু পৰামৰ্শ বিচাৰিছো। গতিকে আপোনালোকৰ সহায় সহযোগিতা পৰমৰ্শ কামনা কৰিলো আৰু আপোনালোক সকলোৱে আগবঢ়োৱা পৰামৰ্শ গ্ৰহন কৰিছো। আমাৰ মাননীয় সদস্য আব্দুল জেলীল ৰাগিবী ডাঙৰীয়াই নীলবাগানৰ পি, এইচ, চিৰ ওচৰত এটা ৰাষ্টাৰ কথা কৈছিল সেই-

বিষয়ে অহা পৰহী কম। থিক তেনেধৰণে আমাৰ মাননীয় সদস্য প্ৰদীপ হাজৰিকা ডাঙৰীয়াই ৰজাই ছদ্মবেশ ধৰি প্ৰজাৰ সুখ দুখৰ খবৰ লোৱা কথা কৈছিল, এতিয়া ৰজা নাই; আমাৰ ৰাইজেই ৰজা, আমি ছদ্মবেশত যাব নোখোজো। আমাৰ ৰাইজে আৰু বিধায়ক সকলে যদি মন্ত্ৰী সকলক বিভিন্ন সমস্যাৱলীৰ কথা আঙুলী-য়াই দিয়ে তেতিয়াহলে আমি সেই সমস্যা বিলাক চাব পাৰিম। গতিকে আমাৰ মাননীয় সদস্য যি সকলে কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে তেখেত সকলক কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ জনাইছো আৰু যিটো দাবী মঞ্জুৰী বিচৰা হৈছে সেইটো সমৰ্থন জনাবলৈ অনুৰোধ জনাইছো।

শ্ৰীহেমেন দাস: মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা স্পষ্টিকৰণ বিচাৰিব খুজিছো যে মন্ত্ৰী মহোদয়ে জিলা ভিত্তিত টকা বিতৰণ কেনেধৰণে কৰিছে সেই বিষয়ে জনাব লাগে। কাৰণ বৰপেটা জিলাত ৯ টা সমষ্টি আছে আৰু কোকৰাঝাৰত ৫ টা, এতিয়া ৫ টা সমষ্টিৰ জিলাখনত নিশ্চয় জনসংখ্যা কম হব, যদি অনুসুচিত জনজাতি লোকৰ সংখ্যাৰ কথা কয় তেতিয়াহলে বৰপেটাতো অনুসূচীত জনজাতিৰ লোক কম নহয়। ৯ টা সমষ্টি থকা জিলাখনত যিমান টকা ধাৰ্য্য কৰা হৈছে ৫ টা সমষ্টি থকা জিলাখনত তাতকৈ বহু বেচি টকা ধাৰ্য্য কৰা হৈছে ইয়াৰ কাৰণ কি?

শ্ৰীগণেশ কুটুম (মন্ত্ৰী): আমি এই সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰৰ পৰা তথ্যপাতি বিচাৰি আছো, এই সম্পৰ্কে বিতংকৈ কবলৈ যথেষ্ট সময় নাপালো। গতিকে এই সম্পৰ্কে অহা পৰহীলৈ জানিবলৈ দিম।

শ্ৰীহেমেন দাস: তেনেহলে এইটো জৱাহৰ ৰোজগাৰ বুলি কাগজে-পত্ৰে খুব ঢোল কোবাইছে। আগতে গোবৰ্দ্ধনা উন্নয়ন খণ্ডত ২২ লাখ টকা ধৰা হৈছিল কিন্তু এইবাৰ জৱাহৰ ৰোজগাৰ আচঁনিত এই টকা কমাই ১৮ লাখ কিয় কৰিলে মন্ত্ৰী মহোদয়ে জনাবনেকি?

শ্ৰীগণেশ কুটুম (মন্ত্ৰী): মই ইতিমধ্যে কৈছোয়েই যে এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি, পিৰ নামতো সলনি কৰি জৱাহৰ ৰোজ-গাৰ আচঁনি কৰা হৈছে। ভাৰতবৰ্ষত টোটেল এলোকেশ্যন ৫০০ কোটি টকা কৰি এই নামতোলৈ সলনি কৰা হৈছে আৰু এতিয়া সেইখিনি টকা বিভিন্ন জিলাত কোনে কিমান পাব সেইটো কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্দিষ্ট কৰি দিছে। আমি সেই সম্পৰ্কে নাজানো। গতিকে কেন্দ্ৰীয় চৰকাৰৰ পৰা সেই তথ্য আনি আপো-নালোকক দিব পৰা যাব।

শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত : মই এটা আশ্বাস বিচাৰিছো- বি, এল, চি, চিৰ সম্পৰ্কে কিবা এটা গাইড = লাইন বা ইয়াৰ কোনো পৰিকল্পনা চৰকাৰৰ আছে নেকি ?

শ্ৰীগণেশ কুটুম (মন্ত্ৰী) : মই এখন বুকলেট তৈয়াৰ কৰি লৈ আনিছো, ইয়াত সকলো বিলাক কথা আছে আমাৰ ভূমিকা কি হব। পৰহী আপোনালোকৰ ওচৰত এইখন দাখিল কৰিম।

Mr. Deputy Speaker : Now, Shri Abdul Muktadir choudhury. ( The hon'ble. member is absent ). Now, I put the cut motion before the House. The motion is that the total provision of Rs. 45,71,03,000 under Grant No. 57 in respect of "Rural Development" at page 40 - 47 of volume II, par XX of the Budget be reduced by Rs. 100.00, i. e. the amount of the whole grant of Rs. 45,71,03.000 do stand reduced by Rs. 100.00. (voices.......)

The cut motion in lost by voice votes. Now, Shri Sahidul Islam.

শ্ৰীশ্বহীদুল ইচলাম : মাননীয় উপাধ্যক্ষ মহোদয় মই এটা স্পষ্টিকৰণ বিচাৰিছো যি কেইটা নতুন ব্লক গঠন কৰা হৈছে তাৰ ভিতৰত মইও এটা মৈৰাবাৰীত পাইছো। মই মন্ত্ৰী মহোদয়ৰ পৰা এটা প্ৰতিশ্ৰুতি বিচাৰিছো সেই ব্লকটো তেখেতে উদ্বোধন কৰিব নে নকৰে ? কাৰণ মই মাৰ্কেটিং চোচাইটিৰ এটা ঘৰ এবোলিচ কৰি চাফা কৰিছো, গতিকে মন্ত্ৰী মহোদয়ে ব্লকটো উদ্বোধন কৰিব লাগে।

শ্ৰীগণেশ কুটুম (মন্ত্ৰী) : নিমন্ত্ৰণৰ কাৰণে মই ধন্যবাদ জনাইছো। ব্লক নিৰ্মানৰ ক্ষেত্ৰত ইয়াৰ গৃহ নিৰ্ম্মানৰ কাৰণে গড়কপ্তানী বিভাগক দিয়া হৈছে। গৃহ নিৰ্ম্মানৰ পাচত ষ্টাফ চেংশ্যনৰ কাৰণে আমি বিত্তিয় বিভাগৰ ওচৰত যাব লাগিব।

Mr. Deputy Speaker : Is it the pleasure of the House to grant leave to withdraw the cut motion ? ( voices 'Yes',

'Yes'.) with the leave of the House the cut motion stands withdrawn.

Now, Shri Rashidul Haque:

শ্ৰীৰচিডুল হক : মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা মই এটা এচুৰেন্স বিচাৰিছো। মোৰ সমষ্টিত তিনিটা ব্লকত চিনিয়ৰ বিডিঅ' নাই। ছমৰীয়া আৰু লংকাতো নাই। কিন্তু মোৰ সমষ্টি ৰূপহী জুৰীয়া, লাও-খোৱা এই তিনিওটা ব্লকত চিনিয়ৰ বিডিঅ' নাই গতিকে চিনিয়ৰ বিডিঅ' নিযুক্তি দিবৰ কাৰণে অনুৰোধ জনালো।

শ্ৰীগণেশ কুটুম (মন্ত্ৰী) : বিডিঅ' সম্পৰ্কত ভালেখিনি আলোচনা হৈছে, আমাৰ নিজৰ ক্লাসৰ পৰা কিছুমান থ্ৰি-এফত থকা বিডিঅ'ক দিচাৰ্জ কৰা হৈছিল কিন্তু উচ্চতম ন্যায়লয় নিৰ্দ্দেশ দিয়াৰ পাচত সেইটো বাহাল ৰখা হৈছিল। এতিয়া আমি বিভিন্ন উন্নয়ন খণ্ডত কাম-কাজ কৰাৰ কাৰণে বিডিঅ' দিয়াৰ কাৰণে চিন্তা কৰিছো আৰু আমি সোনকালেই যিবিলাক উন্নয়ন খণ্ডত বিডিঅ' নাই সেই বিলাকৰ উন্নয়নমূলক কাম-কাজৰ কাৰণে সোনকালেই বিডিঅ' দিয়াৰ কাৰণে চেষ্টা কৰিছো। চিনিয়ৰ বিডিঅ' সকল পাৰ্চনেল বিভাগৰ জৰিয়তে লোৱা হয়। এচি এচ পৰীক্ষা পাতিছে তেতিয়া বহু খিনি প্ৰাৰ্থী ওলাব আৰু তেতিয়া আমি চিনিয়ৰ বিডিঅ' দিব পাৰিম।

মাননীয় উপাধ্যক্ষ : প্ৰস্তাৱটো উঠাই লব নেকি ?

শ্ৰীৰচিডুল হক : সন্তুষ্ট হোৱা নাই তথাপিতো উঠাই লৈছো।

Mr. Deputy Speaker: Is it the pleasure of the House to grant leave to withdraw the cut motion ?

( voices 'Yes', 'Yes' )

With the leave of the House the cut motion stands withdrawn.

Now, Shri Amrit Lal Basumatari ( The hon: member is absent ) Now, I put the cut motion before the House: The motion is that the total provision of Rs. 45,71,03,000 under Grant no. 57 in respect of " Rural Development " at pages 40-47 of Volume II, Part xx of the Budget be reduced by Rs. 100,00, i. e. the amount of the whole grant of Rs. 45,71,03,000 do stand reduced by Rs. 100-00. (voices...)

The cut motion is lost by voice votes.

Mr. Deputy Speakers : Now, Shri Binai Khungur Basumatari. ( The hon'ble member is absent ). Now, I put the cut motion before the House. The motion is that the total provision of Rs. 45 71,03,000 under Grant No. 57 in respect of " Rural Development " at page 40–47 of Volume II, part xx of the Budget be reduced by Rs. 100.00 i. e. the amount of the whole grant of Rs. 45,71,03,000 do stand reduced by Rs. 100 00. ( voices.... )

The cut motion is lost by voice votes.

Now, I put the demand before the House. The motion is that " a sum of Rs. 34,28,27,000 be granted to the Minister-in-charge to complete the sum of Rs. 45,71,03,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March., 1990 for the administration of " Rural Development ".

The motion is passed. The grant is passed.

Now Grant No. 25- State Lotteries and others, Hon'ble Chief Minister to move,

শ্রীপ্রফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্রী): অসমৰ ৰাজ্যপালৰ অনুমোদন ক্রমে মই প্রস্তাৱ কৰিব খোজো যে ১৯৯০ চনত ৩১ মার্চত শেষ হবলগীয়া বছৰটোৰ কাল ছোৱাত ৰাজ্যিক লটাৰী আৰু অন্যান্য সম্পর্কীয় শিতানত প্রশাসনৰ ক্ষেত্রত বহন কৰিবলগীয়া ১৮৮,৩৩,০১,০০০ পৰিমানৰ টকা সম্পূর্ণ কৰাৰ অর্থে ভাৰপ্রাপ্ত মন্ত্রীক ১৪১,২৪,৭৬,০০০ টকা মঞ্জুৰ কৰা হওক।

Mr. Deputy Speaker : Shri Kul Bahadur Chetri.

শ্রীকুলবাহাদুৰ ছেত্রী : মাননীয় উপাধ্যক্ষ মহোদয়, মই প্রস্তাৱ কৰিব খোজো যে ১৯৮৯-৯০ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় একাবংশ অংশৰ ২৭-৩২ পৃষ্ঠাত থকা ৰাজ্যিক চিঠি খেল আৰু অন্যান্য শিতানৰ ২৫ নম্বৰ মঞ্জুৰীৰ বাবে ধার্য্য কৰা দাবীৰ সমগ্র ১৮৮,৩৩,০১,০০০ টকাৰ পৰা ১০০ টকাৰে হ্রাস কৰা হওঁক অর্থাৎ সমুদায় মঞ্জুৰীৰ ১৮৮,৩৩০১,০০০ টকা ১০০ টকাৰে হ্রাস কৰা হওঁক।

Mr. Deputy Speaker : Now Shri Sahidul Islam:

Shri Sahidul Islam : Sir, I beg to move that the total provision of Rs 188,33,01,000 under Grant No. 25 in respect of "State Lotteries and others" at pages 27–32 of Volume II, part XXI of the Budget be reduced by Rs. 100.00 i. e. the amount of the whole grant of Rs. 188,33,01,000 do stand reduced by Rs. 100.00.

Mr. Deputy Speaker : Now, Shri Ardhendu Kumar Dey.

Shri Ardhendu Kumar Day : Mr. Deputy Speaker, Sir, beg to move that the total provision of Rs. 188,33 01,000 under Grant No. 25 in respect of "State No lotteries and others", at pages 27-32 of volume II part XXI of the Budget be reduced to Re. 1.00 i e. the amount of the whole grant of Rs. 188,33,01,000 do stand reduced to Re. 1.00

Shri Hemen Das : Mr. Deputy Speaker, Sir. I beg to move that the total provision of Rs. 188,33,01,000 under

Grant No. 25 in respect of "State Lotteries and others" at pages 27-32 of Volume II part XXI of the Budget be reduced by Rs. 100.00 i. e. the amount of the whole grant of Rs. 188,33,01,000 do stand reduced by Rs. 100.00.

*শ্ৰীকুলবাহাদূৰ ছেত্ৰী : মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ লটাৰীৰ যি টকা ধৰা হৈছে এই ক্ষেত্ৰত যথেষ্ট আলোচনা হৈছে। এই লটাৰীৰ পৰা আমি কিমান টকা আয় কৰিব পাৰিছো আৰু কিমান টকা ব্যয় কৰিব পাৰিছো তাৰ এটা সঠিক খতিয়ান অসমৰ ৰাইজক জনোৱাটো ভাল হব। যিহেতু আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে বিত্ত দপ্তৰৰ দায়িত্বত আছে তেখেতে গোটেই খতিয়ানটো ৰাইজক জনালে ভাল হব। তেখেতে সাহায্য পুজিৰ পৰা কিছুমান অনুষ্ঠানক সহায় কৰিব লাগে। কিন্তু আমি এতিয়া শুনিবলৈ পাইছো যে কিছুমান সত্ৰক সহায় কৰা হৈছে। সত্ৰ বিলাকক সহায় কৰিছে সেইটো ভাল হৈছে। তাৰ কাৰণে আমি আনন্দ পাইছো। কিন্তু ইয়াৰ লগত এটা প্ৰশ্ন আছে-সেইটো হল অন্যান্য মঠ মন্দিৰ আছে, গীৰ্জ্জা আদি আছে সেই বিলাকক সহায় কৰিব লাগে। কিন্তু সেই বিলাকক সহায় কৰা নাই বুলি ৰাইজৰ মাজত এটা ভুল বুজা বুজি শুনিবলৈ পোৱা গৈছে। এই সত্ৰ বিলাকক এ, জি, পি, চৰকাৰে সহায় কৰিছে বাকী বিলাকক সহায় নকৰিব নেকি ? গতিকে আমি মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছে যে এই লটাৰীৰ টকা সকলোকে সমান হিচাবত দিব লাগে। আমি এইটো ৰাইজৰ মাজত গুনগুননি শুনিবলৈ পাইছো যে মুখ্যমন্ত্ৰী যিখন জিলাত থাকে সেই জিলা খনত বেছি টকা দিয়ে ! কিন্তু আমাৰ উদ্দেশ্য হল এই টকা সকলোকে আমি সমানে দিব লাগে। ইয়াৰোপি আমাৰ কিছুমান গাওঁৰ অনুষ্ঠান আছে-যেনে মহিলা সমিতি, সংগঠন, আদি কৰি আমাৰ জনসাধাৰণৰ কিছুমান জৰাজীৰ্ণ অনুষ্ঠান আছে। সেই বিলাককো সহায় কৰিব লাগে। যদি আমি গাওঁৰ দুখীয়া জৰাজীৰ্ণ অনুষ্ঠান বোৰক সহায় কৰিব নোৱাৰো তেতিয়া হলে আমাৰ যি উদ্দেশ্য সেই উদ্দেশ্য সফল নহব বুলি আমি অনুভৱ কৰিছো। এইটো দেখা যায় যে বিভিন্ন ৰাজ্যৰ লটাৰীৰ নকল টিকট ওলায়। আমাৰ ৰাজ্যতো এই ক্ষেত্ৰত বিষয়া সকলে চাব লাগে। আমাৰ ৰাজ্যখনতো

* Speech not corrected

তেনে কোনো নকল টিকট ওলাইছে নেকি সেইটো চাব লাগে ।

উপাধ্যক্ষ মহোদয়, টিকট বিক্ৰী কৰোতাই প্ৰতি বছৰে কিমান টিকট বিক্ৰী কৰিব পাৰিছে, কি কি অনুষ্ঠানক দিব পাৰিছে, তাৰ সুস্পষ্ট খতিয়ান অসমৰ ৰাইজৰ আগত ডাঙি ধৰাটো আমি বিচাৰো। লটাৰীৰ কাৰণে আমাৰ ইয়াত অন্যান্য শিক্ষানুষ্ঠানতো প্ৰশ্ন আহিছে - এই দিশত কেনেকৈ সহায় কৰিব লৈছে। গতিকে সহায় কৰিবলৈ যাওঁতে যাতে পক্ষপাতিত্ব কৰা নহয় তাৰ কাৰণে চাব লাগে। আজিও এই সদনত গ্ৰামোন্নয়ন মন্ত্ৰী মহোদয়ে টকাৰ অভাৱ নাই বুলি কৈছে। আমাৰ টকা আছে, কিন্তু সেই টকা ব্যৱহাৰ কত হৈছে কেনেকৈ হৈছে - কেৱল কাগজত থাকিলেই নহয়।

উপাধ্যক্ষ মহোদয়, কোন জিলাত কিমান টকা দিয়া হৈছে, কম বেছিৰ কথা নহয়, এই ক্ষেত্ৰত কোনো বৈষম্য থাকিব নেলাগে। আমাৰ যি লটাৰীৰ খেল হৈ আছে তাৰ কাৰণে আমি ৰাইজৰ প্ৰতিনিধি হিচাবে সদনত বিবেচনা কৰি এখন সৰ্ব্বদলীয় কমিটি গঠন কৰিব লাগে আৰু সেই কমিটিয়ে গোটেই বস্তুটো চাব লাগে। এই কমিটিখন কেনেকৈ পাতিব লাগে মূখ্য মন্ত্ৰী মহোদয়ে জানিব পাৰিব। সেই কমিটিৰ যোগেদি লটাৰীৰ ক্ষেত্ৰত যিখিনি শুনিবলৈ পাইছো তাৰ গোটেই ছবিটো কমিটিৰ আগত যদি ডাঙি ধৰা হয় তেতিয়া বহুত খিনি কথা ৰাইজৰ মাজলৈ আহিব। সেই কাৰণে সৰ্ব্বদলীয় এখন কমিটি পাতিলে ভাল হয়। কাৰণ লটাৰীৰ বহুত ধনৰ কথা ৰাইজৰ মাজত আলোচনা বিলোচনা হয়। এই সম্পৰ্কে কেতিয়াবা বাতৰি কাকততো ওলায়। ইয়াৰ সুস্পষ্ট খতিয়ান ৰাইজে বিচাৰে। যত লটাৰীৰ টকা দিয়া হৈছে তাত কিমান টকা খৰচ হৈছে কিমান বিলাকক সহায় কৰা হৈছে মূখ্যমন্ত্ৰী মহোদয়ে যিহেতু বিত্তীয় দায়িত্বত আছে সেই কাৰণে তেখেতে চিন্তা কৰি এখন সৰ্ব্বদলীয় কমিটি কৰিলে ভাল হয়। এইটো পৰামৰ্শ মই আগবঢ়াইছো। শেষত আকৌ মই কওঁ যে লটাৰীৰ ক্ষেত্ৰত সম্পূৰ্ণ খতিয়ান আমাৰ ৰাইজৰ আগত ডাঙি ধৰিবৰ কাৰণে এই সৰ্ব্বদলীয় কমিটিখন গঠন কৰিব বুলি আশাৰাখি আৰু সকলো অনুষ্ঠানকে যাতে সহায় কৰিব পাৰো তাৰ কাৰণে অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীচহিদুল ইছলাম : মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যিক লটাৰী সম্পৰ্কত আজি যিটো আলোচনা আৰম্ভ হৈছে সেই ক্ষেত্ৰত মই বিশেষকৈ মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা কথাৰ স্পষ্টীকৰণ বিচাৰিছো যে এই টকা বিতৰণ কৰা সম্পৰ্কত কোনো কমিটি আছিল নে নাই আৰু যদি আছিল তেনেহলে তাত কোন কোন সদস্য আছিল। কাৰণ এই বিষয়ত আমি একাংশ বাতৰি কাকতত কিছুমান মানুহক আক্ৰমন কৰা মনোভাবেৰে বাতৰি পৰিৱেশন কৰা দেখিবলৈ পাইছো। এই বিষয়টোক লৈ বাতৰি কাকতেই হওক বা অন্য মাধ্যমেৰেই হওক কাৰোবাক আক্ৰমন কৰি থাকিব সেইটো ভাল কথা নহয়। সেই কাৰণে এই বিষয়টোত মুখ্যমন্ত্ৰী মহোদয়ে এটা স্পষ্টীকৰণ ডাঙি ধৰিলে সকলোৰে মনৰ পৰা সন্দেহৰ ভাৱ আতৰিব বুলি মোৰ ধাৰণা। দ্বিতীয়তে নগাওঁ জিলাত এই প্ৰতিস্থানটোৰ পৰা দিয়া সাহায্যৰ ক্ষেত্ৰত ইতিমধ্যে নানা ধৰণৰ বাক-বিতণ্ডা হৈছে। কিন্তু এই ক্ষেত্ৰত মই এটা কথা কব খোজো যে নগাওঁ জিলা খন অসমৰ ভিতৰতে এখন ডাঙৰ জিলা আৰু ইয়াত তিনিটা মহকুমা আছে। এটা কথাত কবলৈ হলে এইখন অসমৰ ইউ, পি,। আজি প্ৰায়বিলাক জিলাতে থকা মহকুমাবোৰ জিলালৈ ৰূপান্তৰিত হল কিন্তু নগাওঁৰ যি তিনিটা মহকুমা সি মহকুমা হৈয়ে থাকিল। সেই ফালৰ পৰা চাবলৈ হলে নগাওঁ জিলাত বেছি টকা দিয়া হোৱা নাই। আজি যদি এই তিনিটা মহকুমা তিনি খন জিলা হল হেতেন তেনেহলে হিচাব কৰিলে সকলোৱে সমানে পোৱা ধৰণেই এই জিলা খনেও পালে হেতেন। কিন্তু এখন জিলা হৈ থকাৰ কাৰণে এই প্ৰশ্নটো উত্থাপিত হৈছে কিন্তু আচল কথাটো হয়তো কোনেও চিন্তা কৰি চোৱা নাই। মই নিজে এটা জানো যে মৈৰাবাৰীত এখন কলেজৰ সাহায্যৰ কাৰণে এই প্ৰতিস্থানৰ পৰা ১ লাখ টকাৰ সাহায্য আগবঢ়োৱা হৈছিল আৰু বাকী ৫০ হাজাৰ টকা চান্দা বৰঙণি আদিৰ পৰা সংগ্ৰহ কৰি তাত এখন স্কুল ঘৰ নিৰ্মান কৰা হৈছিল আৰু এই স্কুল খনত শতকৰা ৯৯ জনেই হৈছে সংখ্যালঘু সম্প্ৰদায়ৰ ছাত্ৰ। কিন্তু এই ক্ষেত্ৰত কোনো কোনো ক্ষেত্ৰত এটা কথা উত্থাপিত হৈছে যে এই সাহায্য দিওতে সংখ্যালঘু সম্প্ৰদায়ৰ অঞ্চলত দিয়া হোৱা নাই। সেই কাৰণে মই এই কথাষাৰৰ ঘোৰ প্ৰতিবাদ জনাইছো আৰু যিটো সত্য তাক ঢাকি নাৰাখি সত্যটো স্বীকাৰ কৰিব লাগে। সত্যৰ সদায় জয়। সূৰ্য্যৰ পৰা যেনেকৈ সমানে পোহৰ বিতৰণ হয় আৰু ইয়াক যেনেকৈ কোনেও

ঢাকি ৰাখিব নোৱাৰে ঠিক তেনেকৈ সত্যকো কোনেও ঢাকি ৰাখিব নোৱাৰে সেই কাৰণে অসমৰ স্মৃতি বোৰ ৰক্ষাৰ কাৰণে এই ধনৰ যোগেৰে সকলোকে সমানে সাহার্য্য আগবঢ়োৱাত চৰকাৰে গুৰুত্বৰ আৰোপ কৰিব লাগে। মই য'ৰ পৰা আহিছো তাতেই অৰ্থাৎ নগাওঁৰ আলিপুখুৰীত শ্ৰীশংকৰদেৱে জন্ম গ্ৰহণ কৰিছিল আৰু মধুপুৰত তেওঁ শেষ নিশ্বাস পেলাইছিল। গতিকে এই ঠাই বোৰ উন্নত কৰি তেখেতৰ স্মৃতি ৰক্ষা কৰাত চৰকাৰে আগ ভাগ লব লাগে আৰু তাৰ লগে লগে ধুবুৰীত তেগ বাহাদুৰৰ স্মৃতি, হাজোৰ পোৱা মক্কা আদি ঠাইতো সেই স্মৃতি বোৰ ৰক্ষা কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা হাতত লব লাগে। উপাধ্যক্ষ মহোদয়, এই খিনিতে মই আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো যে ইয়াৰ আগতে আৰু এটা কথা উঠিছিল যে ৰিফিউজিৰ কাৰণে যিবোৰ টকা খৰচ কৰা হৈছিল সেইবোৰ ৰাইট অফ কৰিব লাগে। কিন্তু এই ক্ষেত্ৰত মই এটা কথা কব খোজো যে ৰিফিউজিৰ নামত যিবোৰ টকা খৰচ কৰা হৈছিল সেইবোৰৰ হিচাব নিকাচ বোৰ এবাৰ ভালদৰে চাব লগা হৈছে। কিয়নো কিছুমান ক্ষেত্ৰত আমি দেখিবলৈ পাইছো কৰবাত এটকা খৰচ কৰি এশ টকাৰ হিচাব দেখুউৱা হৈছে। গতিকে এনেদৰে খৰচ কৰা টকাবোৰ আমি ৰাইট অফ কৰি দি আন এটা প্ৰতিষ্ঠানক মৃত্যুৰ মুখলৈ ঠেলি দিব নোৱাৰো। সেই কাৰণে আগতে কিছুমান অবৈধ ভাবে খৰচ কৰা টকাৰ কাৰণে আমি যাতে এতিয়া দায়িত্ব লব লগা নহয় কাৰণে ব্যৱস্থা হাতত লব লাগে।

Shri Shanti Ranjan Dasgupta : On a point of order sir, that was the Relief & Rehabilitation Department amount, about Rs. 180 crores ; this is something mis-leading in the House, and I would request the Honourable Chief minister to clarify the position so that no Honourable Member can take advantage of that.

শ্ৰীচহিদুল ইছলাম ঃ এইখিনিতে মই আৰু এটা কথা কব খুজিছো যে ভাৰতৰ স্বাধীনতা ৰক্ষাৰ কাৰণে যি সকল স্বহীদে তেওঁলোকৰ জীৱন আহুতি দিলে যনে কনকলতা, কুশল কোঁৱৰ, মনিৰাম দেৱান আদিৰ লেখিয়া ব্যক্তি সকলৰ পতিচ্ছবি জৱাহৰ নগৰৰ অতিথি শালাৰ ওচৰে পাজৰে নিৰ্ম্মান কৰাৰ

কাৰণে ব্যৱস্থা হাতত লব লাগে যাতে অসমৰ বাহিৰৰ পৰা অহা লোক সকলে এইবোৰ দৰ্শন কৰা সুবিধা পায়। ৰাজ্যিক লটাৰী সম্পৰ্কীয় আলোচনাত ভাগ লৈ মই এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* ডাঃ অৰ্দ্ধেন্দু কুমার দে ঃ উপাধ্যক্ষ মহোদয়, দুঃখের বিষয় আজ সদনে বিভাগীয় মন্ত্রী মহোদয়কে সন্তুষ্ট করার মত কিছু বলা আমার পক্ষে সম্ভব নয়। উপরন্ত এমন কিছু কথা আজকে আমি শোনাব যার দ্বারা প্রমানিত হবে যে এই বিভাগ কোটী কোটী টাকা নয় ছয় করে চলেছে। স্যার, এই ষ্টেট লটারী সম্পর্কে আমাদের রাজ্যে একটা এক্ট আছে। এই এক্ট' এ পরিস্কার ভাবে বলা হয়েছে............

"Government of Assam

Orders by the Governor.

Notification

No. FTX. 6/73/154 Explanation : ( The net profit accruing from each draw shall be determined on the basis of the gross receipts from the sale of tickets after deducting all expenses, তার মধ্যে বলা হয়েছ

( b ) The balance of 25% of the net profit shall be credited to the State Revenues."

যদি তাই হয় তাহলে এই যে রেভিনিউ এবং রিসিপ্ত খাতে লেখা আছে.........

"Government of Assam

Detailed Estimate of Revenue Receipts for the Year

1988-89

page No. 42 under '103 State Lotteries (General) Rs. 5,40 00,000/ ... ... ....'' The balanec of 25% of the net profit shall be credited to the State Revenue"...........

*Speech not corrected

সেই হিসেব ধরে নিতে হয় যে ১৯৮৭-৮৮ ইংরাজীতে আমাদের লাভ হয়েছে ১১ লক্ষ ৭৫ হাজার টাকা। আশাকরি মুখ্যমন্ত্রী তথা বিত্তমন্ত্রী মহোদয় এ ব্যাপারে ব্যাখ্যা করে আমাদের বোঝাবেন। এ বিষয়ে বিস্তারিত ভাবে আলোচনা করার আগে এই বাজেটে

("DEMAND FOR GRANTS
DEPARTMENT OF FINANCE
(for the year 1988-89)

at pages 30-31......under "800-other expenditure -Rs. 180 crores............Relief and Rehabilitation...........page 24........... Rs. 180 crores on account pay revision that cannot be shouldered by the State Government unless the Finance Commission takes a liberal view of our liabilities."........)

সেখানে ধরা হয়েছে ১৮০ কোটী টাকা যে কথাটা আমরা বুঝতে পারছি না কি ভাবে এখানে আসলো? মুখ্যমন্ত্রী মহোদয় বিভিন্ন সময়ে তার বক্তৃতায় বিভিন্ন কথা এ বিষয়ে বলেছেন। এই কথা আমাদের কাছে এখনও পরিস্কার নয়। তিনি কোন সময় বলেছেন রিলিফ দেওয়ার জন্য কোন সময় এই টাকা খরচ হয়েছিল তারজন্য ধরা হয়েছে। তারপর কোন সময় বলেছেন কর্মচারীদের বেতন দেওয়ার জন্য এই টাকা ধরা হয়েছে। অর্থাৎ মুখ্যমন্ত্রী মহোদয় এ বিষয়ে নানা সময়ে নানা কথা বলেছেন। এবং বাজেট রিপোর্টেও এই রকম ইঙ্গিত পাওয়া গেছে। মুখ্যমন্ত্রী মহোদয় এই ধরনের বিবৃতি দেওয়ার ফলে আজ আমাদের একজন মাননীয় সদস্য শ্রীশহীদুল ইছলাম এই ধরনের বিবৃতি দিতে পেরেছেন। আশাকরি মুখ্যমন্ত্রী মহোদয় আজ এ ব্যাপারে সঠিক তথ্য সদনে তুলে ধরবেন যাতে ভবিষ্যতে এ নিয়ে কোন ভুল বোঝাবুঝি না হয়।

স্যার, মাননীয় সদস্য শ্রীকুলবাহাদুর ছেত্রী মহোদয় লটারী কাণ্ডের টাকা বণ্টনের ক্ষেত্রে বৈষম্য করা হয়েছে বলে অভিযোগ উত্থাপন করেছেন। লটারী কাণ্ডের টাকা কি ভাবে বণ্টন করা হবে তা আমাদের যে একটু

আছে তাতে পরিস্কার ভাবে লেখা আছে। কোন কোন অনুষ্ঠান কি পরিমানে এই টাকা পাবে তা লেখা আছে Amount credited to the Fund after each draw shall be distributed as follows :—

1) One-third shall be given as grant to Dr. B. Barooah Cancer Institute, Guwahati.

2) Two-third shall be given for Promotion of educational, cultural and social activities

... ... ......................................One-third of the amount to be credited to the Cancer Institute................development construction, construction of Swahid Bedi, reconstruction of institution, annual conference, silver jubilee cele-bration: development of Natya Mandir, translation of Kirtan Puthi from Assamese to English, আমরা যদি ১৯৮৬-৮৮ ইং পর্যন্ত এই টাকা বিতরনের যে তালিকা এই সদনে দেওয়া হয়েছে তার দিকে তাকাই তাহলে দেখা যাবে যে ১৯৮৮ ইংতে এই বি বরুয়া কেন্সার হাস্পাতালে একটি টাকাও এই ফাণ্ড থেকে দেওয়া হয়নি। এর উত্তরে হয়তো মন্ত্রী মহোদয় বলবেন যে এই হাস্পাতাল সরকারী করন করার জন্য এই টাকা দেওয়া হয়নি। যদি তাই হয় তাহলে আমার প্রশ্ন হলো এই টাকা দেওয়া বন্ধ করার আগে কি এই এক্ট এমেণ্ড করা হয়েছিল। যদি করা না হয়ে থাকে তাহলে বিভিন্ন প্রতিষ্ঠানে যে ভাবে টাকা দেওয়া হচ্ছে ঠিক সেই ভাবে কেন বি বরুয়া কেন্সার হাস্পাতালেও টাকা দেওয়া হয় নি? এই টাকা না দিয়ে নিজের ইচ্ছামত বিতরণ করে এই টাকা নয়ছয় করে চলেছেন আমাদের বিত্তমন্ত্রী মহোদয় নিজের নিজের খেয়াল খুসী মত তিনি কি এই টাকা বন্টন করেন নি?

উপাধ্যক্ষ মহোদয়, আমি আপনার মারফৎ মুখ্যমন্ত্রী মহোদয়কে জিজ্ঞাসা করতে চাই যে বিভিন্ন শহীদ বেদী নির্মানের নামে, কোন প্রতিষ্ঠানের সলভার জুবলী অনুষ্ঠান করার জন্য বা কোন নাট্য মন্দিরের উন্নয়নের জন্য বা কোন পাঠ্যপুস্তক অনুবাদের জন্য যে সব অনুষ্ঠান প্রতিষ্ঠানকে টাকা দেওয়া হয়েছে তা দেওয়ার আগে সেইসব অনুষ্ঠান প্রতিষ্ঠান থেকে কোন প্ল্যান

এস্টিমেট নেওয়া হয়েছিল কি না? ................ তাছাড়া.............. ইন্টারাপশন .................... । তাছাড়া ১৯৮৬ থেকে ১৯৮৮ পর্যন্ত যে সব অনুষ্ঠান প্রতিষ্ঠানকে টাকা দেওয়া হয়েছে তার কোন ইউটিলাইজেশন সার্টিফিকেট আদায় করা হয়েছে কি না? স্যার, এই ষ্টেট লটারী এক্ট' এ স্পষ্ট করে লেখা আছে কাহারা এই কমিটির মেম্বার ............

Finance Minister, Chairman
Minister Health, Member
Minister Education, Member
Minister, Social Welfare, Member
Chief Secretary, Member
Finance Secretary, Member-Secy........

কিন্তু আমাদের কাছে এমন বহু তথ্য আছে যার দ্বারা বলতে পারি যে মাননীয় মুখ্যমন্ত্রী যিনি এই কমিটির অধ্যক্ষ তিনি সরাসরি এই ফাণ্ডের টাকা অনুমোদন করেছেন এবং বলেছেন যে' পিছত কমিটির অনুমোদন লোৱা হ'ব'। কিন্তু এই একট'র কোথাও উল্লেখ নেই যে অধ্যক্ষ অন্যান্য সদস্যদের সঙ্গে আলোচনা না করে সাবজেকট টু এপ্রোভেল অফ অনপ কমিটি এই ভাবে টাকা বন্টন করতে পাবেন? এটা কি অনিয়ম নয়? তাছাড়া এই ফাণ্ডের টাকা কীর্ত্তণ পূথি অসমীয়া থেকে ইংরাজীতে অনুবাদ করার জন্য ৮ জন কে দেওয়া হয়েছে বলে এই সদনে এক প্রশ্নের উত্তরে জানানো হয়েছে। কিন্তু আমি যদি বলি যে এই তথ্য ভুল তাহলে কি বেশী বলা হবে। কারণ আমরা দেখেছি যে জন সংযোগ বিভাগ থেকে ইতিমধ্যে একটা রিজয়েণ্ডার প্রকাশিত হয়েছে যে একজনকে মাত্র এই কীর্ত্তনপূথি অনুবাদের জন্য টাকা দেওয়া হয়েছে। এই যদিহয় তাহলে কি আমরা ধরে নেব যে সদনে যে তথ্য দেওয়া হয়েছে তা ভুল? তাছাড়া এই সব কাজের জন্য টাকা প্রকাশন পরিষদের মাধ্যমে দেওয়া উচিৎ ছিল বলে আমি মনে করি। কিন্তু কেন যে দেওয়া হলো না তা আমার বুঝতে পারি না।

স্যার, আজ আসামের বিভিন্ন জনগোষ্ঠীর মধ্যে নানা আন্দোলন গড়ে উঠেছে। এই আন্দোলন গড়ে উঠার প্রধান কারণ হলো, বর্ত্তমান সরকারের

নানা বৈষম্যমূলক নীতি। এই বিভাগ থেকেও লটারীর টাকা বন্টনের ক্ষেত্রে নানা বৈষম্য করা হয়েছে। আমরা দেখেছি একটা বিশেষ সম্প্রদায়েরলোকদেরে একটা বিশেষ জেলার লোকদেরে এবং একটা বিশেষ রাজনৈতিক দলের সমর্থকদরে এই টাকা বণ্টন করা হয়েছে। মুখ্যমন্ত্রী মহোদয় দয়া করে জানাবেন কি যে কতজন বাঙলা ভাষী সম্প্রদায়ের লোকদেরে বা কাছারী সম্প্রদায়ের লোক দয়ে বা কার্বি লোকদেরে এই টাকা বণ্টন করা হয়েছে? স্যার, লামডিং এর একটা কলেজে প্রক্তন মুখ্যমন্ত্রী শ্রীহিতেশ্বর শইকীয়া ১ লক্ষ্য টাকা এই বিভাগ থেকে দিয়েছিলেন বলে আমরা জানতে পেরেছি। কিন্তু এই সরকার ক্ষমতায় এসে সঙ্গে সঙ্গে সেই টাকা এই কলেজকে না দিয়ে একটা অসমীয়া স্কুলকে দিয়ে ছন। এই যদি অবস্থা হয় তাহলে কি আমরা এই সরকারের প্রতি বিদ্বেষী হবো না? এই অবস্থার জন্য আমাদের মুখ্যমন্ত্রী মহোদয় দায়ী বলে আমি মনে করি। এইবলে আমি আমার কর্তণ প্রস্তাব সমর্থণ করে বক্তব্য শেষ করছি।

শ্রীহেমেন দাস* : মাননীয় উপাধ্যক্ষ মহোদয়, আজি লটাৰী বিভাগত যিমান খিনি টকা ধৰা হৈছে, সেই আটাইখিনি লটাৰীৰ টকা নহয়। সেইটো মই জানো। মই কব খোজা টকা খিনিৰ কথা লটাৰীৰ টকাতে সীমাবদ্ধ থাকিব। বাকী টকাৰ কথা মই নকওঁ। ৰাজ্যিক লটাৰীৰ টকা বিতৰণত বৈষম্য হৈ আছে আৰু হৈ থাকিব। এইটো তেওঁলোকে উত্তৰাধীকাৰী সুত্ৰে পোৱা বস্তু মাননীয় সদস্য শ্ৰীকামাখ্যা চৌধুৰী ডাঙৰীয়াই সদনত এটা প্ৰশ্ন কৰিছিল তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো তেতিয়াহে মই গম পালো যে ৰাজ্যিক লটাৰীৰ পৰা ১ কোটি ৪ লাখ টকা বিতৰণ কৰিছে। এই ১ কোটি ৪ লাখ টকাৰ এক পইচাও ভাগত নাপালো। আমি জনাত কিছুমান জিলাই এক পইছাও ভাগত নাপালে এটা হিচাৱত অকল নগাওঁ জিলাতে ১ কোটি ৪ লাখ টকাৰ ৪৩ লাখ টকা দিছে। ইয়াক বৈষম্য বুলি নকয় কি বুলি কম? ৰাজ্যৰ সম্পদ এটা বিতৰণ কৰোতে নিশ্চয় কিছুমান কথা চাব লাগে। উপাধ্যক্ষ মহোদয় মই জোৱাহৰ ৰোজগাৰ বিতৰণ সংক্ৰান্ত কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ কথা জানিব বিচাৰিছিলো কিন্তু ভালকৈ উত্তৰ দিব নোৱাৰিলে। কেন্দ্ৰীয়

* Speech not corrected

চৰকাৰেও তাত বৈষম্যমূলক নীতি লৈছে। বৰপেটা জিলাত ৯ টা সমষ্টি তাত মাত্র ২ কোটি ৩ লাখ টকা দিছে কিন্তু কোকৰাঝাৰ জিলাত ৫ টা সমষ্টি তাত তিনি কোটি টকা দিছে। গতিকে কংগ্রেছৰ পৰাই এই বৈষম্য আমদানি হৈ আহিছে আপোনালোকেও তাত যোগ দিছে। এইটো অন্ততঃ নিন্দনীয় কাম হৈছে গণপৰিষদ চৰকাৰৰ দিনত। ৪৩ লাখ টকা মাত্র এখন জিলাতে বিতৰণ কৰিছে। এইটো কোনোমতে সমৰ্থনযোগ্য নহয়। এই বিষয়টো ইতিহাসত থাকি যাব। মই বিত্তমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যিখন আইন কৰিছে সেই আইনমতে ৰাজ্যিক লটাৰী আৰম্ভ হোৱাৰে পৰা আজিলৈ কাক কেনেকৈ কিমান বিতৰণ কৰিলে তাৰ ইতিহাস আমাক লাগে। তেখেতৰ অলপ কষ্ট হলেও সেইখিনি আমাৰ সদনত দিব লাগে। সৰভোগ সমষ্টি অসমৰ বাহিৰত নহয়। কিন্তু ৰাজ্যিক লটাৰী আৰম্ভ হোৱাৰে পৰা আজিলৈ কিমান টকা পাইছে ? আজিলৈ এটা পইছাও পোৱা নাই। এইমাত্র ৪৩ লাখ টকা বিতৰণৰ লগত বৰ্ত্তমান বৰপেটাইও অলপ পাইছে। গতিকে কাক কিমান টকা দিলে আৰম্ভণীৰে পৰা সেই ইতিহাস এতিয়া আমাক লাগে আৰু পাম বুলি আশা কৰিলো। মই চৰকাৰক এটা পৰামৰ্শ দিব বিছাৰিছো এই ৰাজ্যিক লটাৰীৰ টকা বিতৰণ কৰোতে এটা কথা চাব লাগে যাতে ৰাইজৰ কিছু হলেও উপকাৰ হয়। উপাধ্যক্ষ মহোদয়, আমি স্বাধীন পাইছো, আমি আজি বিধান সভাত বহিছো, কিন্তু বৃটিচ সাম্রাজ্যবাদৰ বিৰোদ্ধে যুজ কৰি যি সকলে আমাক স্বাধীনতা আনি দিলে তেওঁলোকক আমি সন্মান কৰিব পৰা নাই।

কংগ্রেছ কিমান বছৰ ৰাজত্ব কৰিলে কিন্তু ফুলাগুৰি, পাথৰীঘাট, ৰঙিয়া, লচিমাৰ কনগাই বৃটিচ সাম্রাজ্যবাদৰ বিৰোদ্ধে যুজ কৰি যি নিৰ্জ্জাতন ভোগ কৰিলে সেই কথা মনত পেলাব নোৱাৰিলে। আমাৰ যি ৰাজ্যিক লটাৰীৰ টকা বিলাক সেই অঞ্চল বিলাকত বিতৰণ কৰা আমি কামনা কৰিলো। সৰভোগৰ লচিমা অঞ্চলৰ ৰাইজে বৃটিচ সাম্রাজ্যবাদৰ বিৰোদ্ধে বুকু পাতি থিয় হৈছিল। ১৮৬১ চনত ফুলগুৰি অঞ্চলৰ ৰাইজে বৃটিচৰ হাতত প্রান আহুতি দিছিল। পাথৰিঘাটৰ কৃষক সকলে বৃটিচ সাম্রাজ্যবাদৰ বিৰুদ্ধে আন্দোলন কৰি শ্বহীদ হৈছিল। এই বিলাক অঞ্চল হৈছে ইতিহাস প্রসিদ্ধ কিন্তু আমি আজি ফুলাগুৰিত শ্বহীদ বেদী ৰাখিব পাৰিছো নে ? পাথৰি ঘাটতৰ এটা সুন্দৰ অডিটৰিয়াম বনোৱাৰ কথা

চিন্তা কৰিছো নে ? লচিমাত আমি কি কৰিছো ? ৰঙিয়াত যেনিবা এটা শ্বহীদ ভৱন ৰাইজে ৰাখিছে। কিন্তু এতিয়া সিও জৰাজিৰ্ণ অৱস্থাত। এইটো মেৰামতি কৰাৰ ব্যৱস্থা কৰিব লাগে। সৰভোগত ১৯৪২ চনত লচিমা অঞ্চলৰ ৰাইজে বৃটিচৰ লগত যুজি বৃটিচৰ বিমান ঘাটি জলাই দিছে যাৰ কাৰণে সেই অঞ্চলৰ ৰাইজৰ ওপৰত বৃটিচ চৰকাৰে পাইকাৰী জৰিমনা লগাইছিল আৰু সেই জৰিমনা গোপীনাথ বৰদলৈ মুখ্যমন্ত্ৰী হোৱাৰ পাচতে কিছু উঠাই লৈছে। তাত যিটো গান্ধী হল আছে সেইটোৱেই সেই ইতিহাসৰ প্ৰমাণ দিয়ে। তেনে বিলাক অনুষ্ঠানতহে ৰাজ্যিক লটাৰীৰ টকা খৰছ কৰিলে ৰাজ্যখনৰ উপকাৰ হব। আমাৰ মাননীয় সদস্য চহিদুল ইছলাম ডাঙৰীয়াই কোৱাৰ দৰে জোৰাহাৰ নগৰত কুশল কোৱৰ কনকলতা ভোগেশ্বৰীৰ যদি স্মৃতি স্তম্ভ সাজিব পৰা যায় তেতিয়াহে তেওঁলোকৰ স্মৃতিয়ে শোষণৰ বিৰুদ্ধে আমাৰ যি আন্দোলন আৰু সংগ্ৰামৰ প্ৰযোজন আছে সেই প্ৰয়োজনীয়তা আমাৰ চকুৰ আগত ভাহি থাকিব আৰু তেতিয়াহে ৰাজ্যিক লটাৰীৰ ধন খৰচ কৰা সাৰ্থক হব। আৰু দেশ খনক গৌৰৱ উজ্জ্বল কৰাত সহায় হব।

* শ্ৰীদীনবন্ধু চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, লটাৰী শিতানত যি মঞ্জুৰী দাবী বিচাৰিছে মই তাত সমৰ্থন জনাইছো। আৰু বিৰোধী পক্ষৰ কেইবাগৰাকী সদস্যই অনা কৰ্তন প্ৰস্তাৱ টো বিৰোধীতা কৰি দু-আষাৰ কব বিচাৰিছো। এইটো হেডত 'লটাৰি' বুলি কোৱা হৈছে যদিও বিশেষ ভাবে গুৰুত্ব দিয়া হৈছে 'অডাৰ হেডত। আচলতে লটাৰিত যিখিনি ধৰা হৈছে সেইখিনি তেনেই নগন্য। গতিকে এই 'অডাৰচনৈ' ভৱিষ্যতে analytical budget with scheme schedules ...................... হয় সেইদৰে চাব লাগে। নহলে এইটো সদায়েই কনফিউজন হৈ থাকিব। এই কথাটো মই আগৰ বিধান সভাটো কৈছিলো যে বাজেট এখন আলোচনা কৰিবলৈ সুবিধাৰ কাৰণে যি বোৰ শিতান দিয়া হয় সেই শিতান বিলাক বিশেষ স্পষ্ট ভাবে ৰাখিব লাগে যাতে বাজেট বুজিবলৈ বা আলোচনা কৰিবলৈ সুবিধা হয়। গতিকে ভৱিষ্যতে বাজেট আনোতে যাতে শিতান বিলাক ভাল ধৰণে অনা হয় যাতে বাজেট বুজিবলৈ বা আলোচনা কৰিবলৈ সুবিধা হয় তাৰ বাবে অনুৰোধ

---

* Speech not corrected

জনালো। ইয়াত এটা কথা দেখা যায় যে '২০৭৫' 'অভাৰ চাৰভিচ'। এইটোক মেজৰ বুলি ধৰিব লাগিব। মোৰা বছৰো এনেকুৱা কথা এটা আহিছিল। বহুত কোটি টকা ৰিফিউজি সকলৰ কাৰণে খৰচ কৰিবলগীয়া হল। এই বাৰ ২০৭৫ ত ১৮০ কোটি টকা ধৰা হৈছে। অবশ্যে এইটো পিচত পে কমিটি বা অনান্য শিদ্ধানত খৰচ কৰিব লগীয়া হব পাৰে তাৰ কাৰণে প্ৰভিজিয়ন ৰাখিছে। পিছত বিভিন্ন শিদ্ধানত দিয়া হব। ইয়াৰ কাৰণেই ১৮০ কোটি টকা ৰখা হৈছে। গতিকে এতিয়া মই ভাবিছো যে যি খিনি টকা ৰাজ্যিক লটাৰীৰ কাৰণে বিচাৰিছে এইটো যথাযথ হৈছে। মুঠতে কথা হৈছে যে এই টকা খিনিৰ বিতৰণ যাতে ভাল হয় সেইটো চাব লাগে। পৰিকল্পিত ভাবে যাতে এই টকা সত্ কামত লাগে আৰু যি বিলাক অনুষ্ঠানক টকা নিদিলে জীয়াই থাকিব নোৱাৰে তেনেকুৱা অনুষ্ঠানক টকা দিব লাগে। মুঠতে যি টকা দিয়া হয় এইটো পৰিকল্পিত ভাবে বিতৰণ কৰিব লাগে। মই এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

Shri Santi Ranjan Das Gupta : Mr: Deputy Speaker Sir, participating in the discussion about Cut Motion for the State Lotteries, I shall first draw the attention of the Hon'ble Finance Minister about one of his statement before this August House on 30th March, 1989 on the queries that how 180 crores can be put into State Lotteries' account. Possibly, the Department did not properly briefed the Finance Minister as a result of which the Finance Minister told in this August House that the amount was kept in the State Lottery Head for payment of relief and rehabilitation purposes. This was also published in different pepers on 31st March, 1989, particularly in Assam Tribune of 3.st March 1989. Actually, Rs. 180 crores was kept under the State Lotteries' Head for meeting the

future expenditure that may be required on Pay Commission's recommendations. So, this has nothing to do with the State Lotteries. How it has come under State Lotteries is not understand able to me and possibly to many members of this August House. Afterall, the State Lottery is purely a 'Jua Khela' and the amount earned will be diverted to the beneficiaries according to the procedure laid down in the State Lotteries Act. Therefore, Sir, the misunderstanding that was created because of the Finance Department's wrong procedure and the Chief Minister and the Finance Minister was not properly briefed about placing actual fact on of Rs. 180 crores. Two types of statements were issued by the Finance Minister in this August House. This should be clarified by the Hon'ble Finance Minister. Hon'ble Member, Shri Sahidul Islam has also referred to this matter today in this House. So, the entire matter has created some confusion. Therefore, this has to be clarified. Now Sir, what is the actual income the State Government is having from the State Lotteries ? We find that in the year 1986-87, the earning from the State Lotteries was something Rs. 3,57 crores. The amount spent for the purpose of State Lotteries was to the tune of Rs. 5 crores. So, from where this extra amount was spent ? Sir, in the year 1988-89, the amount received shown in the Revised Statement was Rs. 5.50 crores but the expenditure was to the tune of Rs. 7.5 crores. In the current year 1989-90, the receipt approved is Rs. 5.44 crores and the expenditure is shown as minus 8.17 crores So, what is the actual provision in the State Lottery ? From where the excess amount will

be spent and how the deficit will be covered ? A clearcut policy should be placed before this August House. If the State Lottery earns less than the amount of expenditure, then the Lottery should be discontinued. If there is no earning and if there is loss, shall we suggest that the State Govt should continue this Lottery even at the cost of the State exchequer ? So Sir, this is a matter of policy and Finance Minister should go theroughly enquire into the matter so that in the name of lottery nothing is paid from the State Exchequer, from the consoliated fund of the state exchequer. Therefore, sir, full attention should be given. We generally become complacent when anything is paid from the state lottery as if it is an earning of the state lottery. So, what is harm in paying that amount ? But we find that there is no earning. At least the Finance Deptt. could not show anything in 1986-87, neither in 1987-88 nor in 1988-89 and in the budget proposal also what has been shown that is earning is lesser and expenditure is more. Besides, the confusion created over Rs. 180 crores. There are confusion in every expenditure under the lottery head. Sir, all these points should be clarified while replying to the state lottery by the Finance Minister. Sir, I shall not speak more. How the amount was given to different organisations, how the injustices were done, we are, of course, on that side where all in justices were done while allocating fund, distributing fund of the state lottery. CM after all is the father of the state. He is to satisfy every section of the population of the state and every section

of population should at least realise that Financs Minister at least tried, there is sincerity in his attempt. The people will be happy to see that much of sincerity. Once that sincerity is shown, what amount one particular constituancy received is not counted, only thing is required there must be some sincerity in distributing in state money. Sir, I request that Hon'ble Finance Minister to clarify all these points so that for the purpose of minimising the suspicion and doubt arose in the minds of the people regarding this lottery. With this submission I conclude Sir,

* মাননীয় উপাধ্যক্ষ ঃ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : (মুখ্যমন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, সদস্য খৰিদুল ইচলাম ডাঙৰীয়া, অৰ্দ্ধেন্দু দে ডাঙৰীয়া, দীনবন্ধু চৌধুৰী ডাঙৰীয়া, হেমেন দাস ডাঙৰীয়াই লটাৰী আৰু অন্যান্য শিতানত যিটো গ্ৰাণ্ট নং ১৫ ত বিভিন্ন প্ৰশ্নৰ উৎথাপন কৰিছিল আৰু সেই সম্পৰ্কে মই কিছুমান বিষয়ত উত্তৰ দিব বিচাৰিছো ।

নিম্ন লিখিত শিতানবোৰৰ প্ৰত্যেকৰে বিপৰীতে দেখুউৱা পৰিমানৰ টকাৰে ২৫ নং মঞ্জুৰীটো গঠন কৰা হৈছে :—

১। ২০৭০- অন্যান্য প্ৰশাসনিক সোৱসমূহ

(VIII) ৰাজ্যিক লটাৰী— ১৬,৪১,০০০ টকা

২। ২০৭৫— বিবিধ সাধাৰণ সেৱাসমূহ (1)

বিত্ত বিভাগ— ৯৮৭,২৬.৬০,০০০ টকা

৩। ২২৩৫— সামাজিক সুৰক্ষা

আৰু কল্যান— ১০,০০,০০ টকা

মুঠ—১,৮৮,৩৩,০১,০০০ টকা

(এশ অষ্টাশী কোটি, তেত্ৰিশ লাখ, এহাজাৰ টকা)

| " ২০৭০=অন্যান্য প্ৰশাসনিক সেৱা সমূহ (VIII) ৰাজ্যিক লটাৰী | ২০৭০ অন্যান্য প্ৰশাসনিক সেৱা সমূহ-ৰাজ্যিক লটাৰী শিতানত অধীনত থকা টকা ৰাজ্যিক লটাৰী শিতানৰ অধীনত থকা টকা ৰাজ্যিক লটাৰীৰ সঞ্চালকালয়ৰ |
|---|---|

কৰ্মচাৰীৰ দৰমহা, মঞ্জুৰী আৰু কাৰ্য্যালয় খৰচ আদিৰ লগত জড়িত।

অসম ৰাজ্যিক লটাৰীৰ পৰা উপাৰ্জন কৰা লাভৰ টকা শিক্ষা সংস্কৃতি খেলা-ধূলা কৰ্কট ৰোগৰ প্ৰতিষ্ঠান আদিৰ দৰে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান সন্থা আদিৰ উৎকৰ্ষ সাধনত সহায়ক হোৱাকৈ অনুদানৰ আকাৰত দিয়াৰ উপৰিও পৰোক্ষ ভাৱে-বুজন পৰিমানৰ লোকক নিয়োগৰ সুবিধা দিয়াৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক প্ৰথমে ১৯৬১ চনত আৰম্ভ কৰা হয়।

লটাৰী খেল একে উদ্দেশ্যৰে গঠন কৰা লটাৰী সঞ্চালকালয়ৰ অধীনত প্ৰত্যক্ষ নিয়ন্ত্ৰন আৰু তত্বাৱধানত আৰম্ভ কৰা হৈছিল। এই প্ৰক্ৰিয়াৰ অধীনত টিকটবোৰ ছপা কৰা হয় আৰু অসম ৰাজ্যৰ উপায়ুক্ত আৰু মহকুমাধিপতি সকলকে ধৰি বিভিন্ন এজেন্টৰ যোগেদি বিক্ৰি কৰা হয়।

লটাৰী খেলে বিৰতি নোহোৱাকৈ ১৯৬১-৭০ চনৰ পৰা ১৯৭৮-৭৯ চনৰ সময়ছোৱাৰ ভিতৰত লাভ কৰিবলৈ সমৰ্থ হয়। এই দহ বছৰ সময়ৰ ভিতৰত সৰ্বমুঠ লাভ হৈছিল ৩৩.৭৬ লাখ টকা।

যিকি নহওঁক, তেতিয়াৰ পৰা ইয়াৰো অৱস্থাৰ সলনি হৈছে, যেতিয়াৰ পৰা ই তলত দেখুউৱা ধৰনে লোকচান ভৰিব লগীয়া হৈছে :—

| বছৰ | পৰিমান |
|---|---|
| ১৯৭৯-৮০ | ১.৯৪ লাখ |
| ১৯৮০-৮১ | ৪.৫১ " |
| ১৯৮১-৮২ | ৫.৯৭ " |

অৱস্থাৰ এনে অৱনতিৰ কাৰণে প্ৰধানকৈ

১। অন্য ৰাজ্যবোৰৰ ৰাজ্যিক লটাৰীৰ বৃদ্ধি।

৩। লটাৰীৰ বজাৰত ব্যক্তিগত লটাৰী এজেণ্টবোৰৰ প্ৰৱেশ।

৪। অসম লটাৰীৰ টিকেটৰ ৰাজ্যৰ বাহিৰত বজাৰ কৰণ আৰু উপযুক্ত

সংস্থাপনৰ সুবিধাৰ অভাব।

অসুবিধাবোৰ অতিক্রম কৰিবলৈ, একমাত্র বিক্রি এজেন্সি প্রক্রিয়াৰ যোগেদি লটাৰী খেল পৰিচালনা কৰিবলৈ এটা প্রচেষ্টা লোৱা হৈছে। এই প্রক্রিয়াৰ অধীনত সকলো টিকেট মাত্র এজন এজেন্টক বিক্রি কৰা হয় আৰু টিকেটৰ ছপা, প্রচাৰ আদিৰ খৰচ চৰকাৰে বহন কৰে। এই প্রক্রিয়া ১৯৮২-৮৩ চনৰ পৰাই চলি আহিছে। উপাৰ্জন কৰা লাভৰ পৰিমান আৰু বিতৰণ ১৯৮২-৮৩ চনৰ পৰা ১৯৮৮-৮৯ চনলৈকে তলত দেখুউৱা ধৰণৰ :—

| | |
|---|---|
| ১৯৮২-৮৩ | ২৬,৬৩,৪৮০·০০ টকা |
| ১৯৮৩-৮৪ | ৯৪,৯৫,৭৯১·০০ " |
| ১৯৮৪-৮৫ | ৭৮,৪৫,৮৫৫·০০ " |
| ১৯৮৫-৮৬ | ১,৪৮,৭৫,০৬৪·০০ " |
| ১৯৮৬-৮৭ | ৬৭,৫১,৩৭৯·০০ " |
| ১৯৮৭-৮৮ | ৫১,২২,১১২·০০ " |
| ১৯৮৮-৮৯ | ২৭,২৩,০০০·০০ " |

"অসম ৰাজ্যিক লটাৰী (প্রকৃত লাভ বিতৰণ) নিয়মাৱলী" বুলি কোৱা নিয়মৰ ব্যৱস্থাৱলীৰ অধীনত প্রকৃত লাভ বিতৰণ কৰা হয়। এই নিয়মাৱলী ১৯৭৩ চনত যুগুত কৰা হৈছিল আৰু সময়ে সময়ে ইয়াক সংশোধণ কৰা হয়। এই নিয়মাৱলীৰ অধীনত প্রকৃত লাভ বিতৰণৰ বাবে থকা নীতি তলত উল্লেখ কৰা ধৰনৰ :—

১। প্রকৃত লাভৰ ২৫% ভাগ ৰাজ্যিক ৰাজহত জমা দিয়া হৈছে।

২। বাকী থকাৰ ⅓ অংশ ডং বি, বৰুৱা কৰ্কট ৰোগ প্রতিস্থানক দিয়া হয়।

৩। বাকী থকা ⅔ অংশ অনুদান হিচাবে শিক্ষা বিষয়ক সাংস্কৃতিক আৰু সামাজিক কাম আদিৰ বাবে বিতৰণ কৰা হয়।

অনুদানৰ কাৰণে বিভিন্ন অনুষ্ঠান/সংস্থা আদিৰ পৰা পোৱা আবেদন সমূহ নিম্ন লিখিত সদস্য সকলৰে গঠিত সমিতিৰ দ্বাৰা বিবেচনা কৰা হয় :—

১। বিত্ত মন্ত্ৰী সভাপতি
২। স্বাস্থ্য মন্ত্ৰী সদস্য
৩। শিক্ষা মন্ত্ৰী ,,
৪। সমাজ কল্যান মন্ত্ৰী ,,
৫। অসম চৰকাৰৰ মুখ্য সচিব ,,
৬। অসম চৰকাৰৰ সচিব
বিত্ত বিভাগ—সদস্য সচিব

উক্ত সমিতিয়ে এই আবেদন পত্ৰ সমূহ বিত্ত বিভাগৰ পৰা প্ৰয়োজনীয় মঞ্জুৰীৰ বাবে যথাযথ অনুমোদন সহ বিত্ত বিভাগলৈ প্ৰেৰন কৰিছে।

একমাত্ৰ বিক্ৰেটা সন্থা পদ্ধতিত লটাৰী আচঁনি :—

ধাৰাবাহিক লোকচানৰ হাতসৰাৰ উদ্দেশ্যে ১৯৮২-৮৩ চনত একমাত্ৰ বিক্ৰেটা সন্থা পদ্ধতি আৰম্ভ কৰা হৈছিল। ১৯৮৩ চনৰ জানুৱাৰী মাহৰ ১০ তাৰিখৰ পৰা মাদ্ৰাজৰ এম/এচ, ময়ূৰ নামৰ সন্থা এটাক সপ্তাহিক লটাৰী ৰাজলক্ষ্মী উকলী' চলাবলৈ অনুমতি দিয়া হৈছিল। উক্ত ঠিকা বছৰী নিবিদাৰ ওপৰত নবিকৰন কৰা হৈছিল আৰু সেই একে সন্থাই এইটো দুবছৰৰ কাৰণে চলাইছিল। তৃতীয় বছৰটোত সন্থাৰ দ্বাৰা ঠিকাটোৰ নিয়ম উলংঘন কৰা হৈছিল আৰু সেই কাৰণে দহমাহৰ পিচত ১৯৮৫ চনৰ অক্টোবৰ মাহৰ ১৫ তাৰিখে ইয়াক বন্ধ কৰি দিয়া হৈছিল।

'অসম ৰাইফল' নামৰ অন্য এটা সপ্তাহীক লটাৰী দিল্লীৰ এটা শিৱ-শাক্তি নামৰ লটাৰী সন্থাক নিবিদা পদ্ধতিত আৱম্ভন দিয়া হৈছিল। ১৯৮৫ চনৰ ২৮ মাৰ্চৰ পৰা এবছৰীয়া ভাবেই আৰম্ভ হৈছিল। যি কি নহওক এইটো নিবিদা পদ্ধতিতেই দুবছৰলৈ বঢ়াই দিয়া হৈছিল আৰু ১৯৮৮ চনৰ ১২ মে'ত বন্ধ কৰি দিয়া হৈছিল।

১৯৮৮ চনৰ ১০ আগষ্টত তৃতীয়টো লটাৰী 'ব্ৰহ্মপুত্ৰ উকলী' সেই একে একমাত্ৰ বিক্ৰেটা সন্থা পদ্ধতিত আৰম্ভ হৈছিল। এইটো অৱশ্যে এম/এচ জিতেন্দ্ৰ লটাৰী সন্থাৰ লগত এবছৰীয়া চুক্তিত বন্দোবস্ত কৰা হৈছিল। কিন্তু ১৯৮৯ চনৰ মাৰ্চ মাহতে চৰকাৰৰ ওচৰত এখন আবেদন দাখিল

কৰিলে যে, তেখেতৰ বৰ লোকচান হৈছে আৰু লটাৰী চলাব পৰা অবস্থাত নাই। তেখেতে চৰকাৰক লটাৰীৰ ধাৰাবাহিক নাইকিয়া কৰিবলৈ অনুৰোধ জনাই আৰু এই ক্ষেত্ৰত চৰকাৰে সন্মুখীন হোৱা লোকচানৰ ক্ষতি পুৰনবোৰ তেওঁ দিব। লটাৰীৰ ধাৰাবাহিকতা ৰাখিবলৈ সন্থাক অনুৰোধ কৰা হৈছিল, কিন্তু শেষত টিকত কিনিবলৈ তেখেতে আপত্তি কৰে। সেই বাবে ১৯৮৯ চনৰ ১০ মে'ত লটাৰী বন্ধ কৰি দিয়া হৈছিল। সন্থাই ৰাজ্যিক চৰকাৰৰ কাৰণে কাৰ্য্য কৰী কৰা ৪১.০০ লাখ টকাৰ বেংক গ্ৰহীতা খন জব্দ কৰি ৰখা হৈছে। সন্থাৰ পৰা সেইটো মোকলাব উদ্দেশ্যে শেহতিয়া দেনা খিনি (দিব লগীয়া) চাই থকা হৈছে।

একমাত্ৰ বিক্ৰেটা সন্থাই প্ৰত্যেকবাৰ টকা লওতে চৰকাৰক এটা নিৰ্দ্দিষ্ট ৰাজকৰ আদায় দিছিল। তাৰোপৰি সকলোবোৰ দাবিহীন পুৰস্কাৰৰ টকা ৰাজভৰালৈলৈ আহে। ১৯৮২ পৰা ১৯৮৩ চনলৈ মুঠ লাভ ৪৯৪·৭৯ লাখ টকা হয়।

সংগঠন মূলক সন্থা পদ্ধতি :— যদিও একমাত্ৰ বিক্ৰেটা সন্থা পদ্ধতি সুন্দৰ ভাবে চলি আছিল কিন্তু পিচৰ বছৰবোৰত তলৰ কাৰণ সমূহৰ বাবেই অসুবিধাৰ সন্মুখীন হৈছিল। (১) লটাৰীৰ তীব্ৰ প্ৰতিযোগিতা (২) আন ৰাজ্যবোৰৰ লটাৰী বৰ্দ্ধিতা আৰু (৩) বজাৰত ব্যক্তিগত লটাৰীবোৰৰ প্ৰবেশ ইত্যাদি। আন কিছুমান ৰাজ্যত বিশেষকৈ উত্তৰ-পূবত সংগঠন মূলক সন্থা পদ্ধতি লটাৰী আৰম্ভ হৈছে। উক্ত পদ্ধতিত সংগঠক জনে প্ৰত্যোকটো বস্তু চৰকাৰলৈ এটা নিৰ্দ্দিষ্ট ৰাজকৰ পৰিশোধৰ ওপৰত দিয়ে।

অসমত সাংগঠনিক মূলক পদ্ধতিত লটাৰীবোৰ আৰম্ভ কৰিবৰ বাবে ১৯৮৮ চনৰ মাৰ্চ মাহতে নিবিদাবোৰ বিচৰা হৈছিল। কিন্তু গোটেইখিনি মিলাই মাত্ৰ ১০ খন হে নিবিদা পোৱা হৈছিল। গুৱাহাটীৰ কোনো এক উপশ বেজবৰুৱাক ঠিকাটো দিয়া হৈছিল। কিন্তু চুক্তি পত্ৰখন কাৰ্য্য কৰি হোৱাৰ আগতেই তেখেতে ঠিকাদাৰি কামটো চৰ্ত্ত কেইটামানৰ শুধৰনী লৈ ওলাই আহিল আৰু প্ৰস্তাবিত শুধৰণীবোৰ চৰকাৰে মানি নোলোৱাত কামটো দিয়া নহ'ল।

গতিকে ১৯৮৮ চনৰ অক্টোবৰ মাহত নতুন নিবিদাবোৰ বিচৰা হৈছিল। আৰু এম/এচ- জিতেন্দ্ৰ লটাৰী সন্থাৰ পৰা একমাত্ৰ নিবিদা খন পোৱা হৈছিল।

যি কি নহওক, অন্য এক মাহৰ কাৰণে তাৰিখ বঢ়াই দিয়া হৈছিল। কিন্তু কোনো নিবিদা পোৱা নহ'ল। সেইখন নিবিদাকে চৰকাৰৰ দ্বাৰা বিবেচনা কৰা হৈছিল কিন্তু গ্ৰহণ কৰিব পৰা নহ'ল। সেয়েহে নতুন বিজ্ঞাপন প্ৰেৰণ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে।

একমাত্ৰ বিক্ৰেটা সন্থা পদ্ধতিৰ ধাৰাবাহিকতা ৰাখিবলৈ আগতেও চেষ্টা কৰা হৈছিল। আৰু ১৯৮৯ চনৰ ফেব্ৰুৱাৰী মাহত বিজ্ঞাপন দিয়া হৈছিল। যেহেতুকে কোনো নিবিদা পোৱা নহ'ল অন্য এমাহৰ বাবে সময় বঢ়াই দিয়া হৈছিল। ৬ (ছয়) খন নিবিদা পোৱা হ'ল কিন্তু নিবিদা খোলা তাৰিখতেই এখন নিবিদা উঠাই লোৱা হৈছিল। বাকী থকা নিবিদা কেইখনত প্ৰাথমিক পৰীক্ষাৰ পৰা প্ৰকাশ পালে যে এইবোৰ অসম্পূৰ্ণ বা অগ্ৰহণীয় চৰ্ত্ত মূলক এতিয়া বিশ্লেষণ মূলক পৰীক্ষা চলাইথকা হৈছে আৰু ইয়াৰ এটা সমাধান সোনকালে পোৱা যাব।

| | |
|---|---|
| ২০৭৫-বিবিধ সাধাৰণ সেৱা সমূহক (1) বিত্ত বিভাগ | শিতান ২০৭৫ বিবিধ সাধাৰণ সেৱাসমূহৰ নিম্নলিখিত ব্যৱস্থা সমূহ ৰখা হৈছে :— |

"১০৩ ৰাজ্যিক লটাৰী সমূহ ৭,১৭,৬০,০০০·০০ টকা

"১০৪ বিশিষ্ট সেৱাসমূহৰ বাবে পেঞ্চন আৰু পৰিতোষিক ৬,০০,০০০·০০ টকা

"১২১—আদায়ৰ অযোগ্য ঋণ আৰু অগ্ৰিসমূহ— ৩,০০,০০০·০০ টকা

"৮০০ অন্যান্য ব্যয়সমূহ—১৮০,০০,০০০·০০

১০৩ ৰাজ্যিক লটাৰী সমূহ :— ৰাজ্যিক লটাৰী সমূহৰ বিজয়ী সকলক পুৰস্কাৰৰ টকা প্ৰদানত ব্যয় কৰাৰ বাজেটত ৭,১৭,৬০,০০০·০০ লক্ষ্য টকাৰ ব্যৱস্থা ৰখা হৈছে।

১০৪ বিশিষ্ট সেৱা সমূহৰ বাবে পেঞ্চন আৰু পাৰিতোষিত :—বিভাগীয় বাজেটত যিবিলাকৰ বাবে বিশেষ ব্যৱস্থা ৰখা হৈছে সেই বিলাকৰ বাহিৰে বিশিষ্ট সেৱা সমূহৰ কাৰণে পেঞ্চন পুনঃ প্ৰদানৰ হেতু ৬,০০,০০০,০০ লক্ষ্য ব্যৱস্থা ৰখা হৈছে।

১২১—অন্যান্য আদায়ৰ অযোগ্য ঋণ-অগ্ৰিম সুদ অৱলোপন : চৰকাৰৰ দ্বাৰা মঞ্জুৰ কৰা আদায়ৰ অযোগ্য ঋণ-অগ্ৰিম আৰু ইয়াৰ সুদ অৱলোপনৰ বাবে বাজেটত

৩,০০,০০০,০০ লক্ষ্য টকাৰ ব্যৱস্থা ৰখা হৈছে।

ঋণ গ্ৰহীতা সকলৰ দ্বাৰা প্ৰদত্ত ব্যক্তিগত বন্ধকৰ বিপৰীতে চৰকাৰে ঋণ আৰু অগ্ৰিম প্ৰদান কৰে। ত্ৰুটিৰ ক্ষেত্ৰত বন্ধকী সম্পত্তি বিক্ৰি কৰি এই প্ৰকাৰ ঋণ আৰু অগ্ৰিম পৰিশোধ কৰা হয়।

চৰকাৰে কেতিয়াবা একান্ত মানবীয় কাৰনত মৃত ঋণ গ্ৰহীতাৰ পৰিয়ালৰ অৰ্থনৈতিক অৱস্থা বিবেচনা কৰি সুদসহ উক্ত বকেয়া ঋণ আৰু অগ্ৰিম অৱলোপন কৰিবলৈ সন্মত হয়। গতিকে ১৯৮৯-৯০ চনৰ বাজেটত ইয়াৰ বাবে ৩,০০,০০০'০০ লক্ষ্য টকাৰ ব্যৱস্থা ৰখা হৈছে।

৮০০—অন্যান্য ব্যয় (ক) দৰমহাৰ নিৰিখ সংশোধন :— ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলৰ দৰমহাৰ নিৰিখ সময়ে সময়ে সংশোধন কৰা হয়। সেই উদ্দেশ্যে ৰাজ্য চৰকাৰে ১৯৮৭ চনত নিম্ন বৰ্নিত সদস্যসকলক লৈ এটি দৰমহা আয়োগ গঠন কৰিছে।

১। শ্ৰীএচ, কে, দত্ত (অৱসৰপ্ৰাপ্ত) মুখ্য ন্যায়াধীশ, গুৱাহাটী উচ্চ ন্যায়ালয়—সভাপতি
২। অসম চৰকাৰৰ মুখ্যসচিব — সদস্য
৩। শ্ৰীপৰমেশ্বৰ শৰ্ম্মা ( অৱসৰ প্ৰাপ্ত ) উপাধ্যক্ষ বি, বৰুৱা কলেজ গুৱাহাটী- সদস্য
৪। শ্ৰীদীনবন্ধু চৌধুৰী. বিধায়ক — সদস্য
৫। শ্ৰী আব্দুল মুহিব মজুমদাৰ, বিধায়ক — সদস্য
৬। শ্ৰীশান্তিৰঞ্জন দাস গুপ্ত, বিধায়ক — সদস্য
৭। শ্ৰীবি. কে ভূঞা আই.এ.এচ ( অৱসৰ প্ৰাপ্ত ) — সদস্য
৮। শ্ৰীদেৱকান্ত কাকতি আই,পি,এচ, ( অৱসৰ প্ৰাপ্ত ) অধিবক্তা। সদস্য
৯। অসম চৰকাৰৰ বিত্ত আয়ুক্ত আৰু সচিব, বিত্ত বিভাগ সদস্যসচিব

দৰমহা আয়োগৰ কাম কাজ উল্লেখযোগ্য ভাৱে আগবাঢ়িছে আৰু আশা কৰা গৈছে বৰ্ত্তমান বিত্তীয় বছৰৰ শেষৰ ভাগত আয়োগে ইয়াৰ প্ৰতিবেদন দাখিল কৰিব। গতিকে দৰমহা নিৰ্দিষ্ট কাৰণৰ বাবে দিবলগীয়া বকেয়া কিছু পৰিমানৰ সৈতে বৰ্দ্ধিত হাৰত ৰাজ্য চৰকাৰৰ কৰ্ম্মচাৰী সকলক দৰমহা চৰকাৰে প্ৰদান কৰাটো আৱশ্যক হব। উপৰোক্ত ব্যয় সামৰি লোৱাৰ বাবে বাজেটত মুঠতে ১৮০ কোটি টকাৰ ব্যৱস্থা ৰখা হৈছে।

২২৩৫—সামাজিক নিৰাপত্তা আৰু কল্যাণ ৬০-অন্যান্য সামাজিক নিৰাপত্তা আৰু

কল্যাণ কাৰ্যক্ৰম এই শিতানত বৰ্তমান বছৰত পৰিকল্পনাৰ বহিঃভূৰ্ত বাজেটত ১৯৮৯-৯০ চনত ১০,০০,০০০.০০ লক্ষ্য টকা কৰ্মৰত অৱস্থাত নাইবা সেই সম্পৰ্কীয় বিষয় বিলাক সম্পাদন কৰোতে নিহত হোৱা চৰকাৰী কৰ্মচাৰীৰ নিকটাত্মীয় সকলক এক্স গ্ৰেছিয়া বিত্তীয় সাহাৰ্য্য মঞ্জুৰীৰ বাবে নিৰ্দিষ্ট কৰা হৈছে। সাহাৰ্য্য নিৰিখ হ'ল ৰাজপত্ৰিত বিষয়াৰ ক্ষেত্ৰত ১,০০ লক্ষ্য ( একলক্ষ্য ) টকা আৰু অ-ৰাজপত্ৰিত কৰ্মচাৰীৰ ক্ষেত্ৰত ৫০,০০০ ( পঞ্চাচ হেজাৰ ) টকা।

এই ব্যৱস্থাৰ পৰা চৰকাৰী কৰ্মচাৰীৰ বাহিৰে অন্যান্য ব্যক্তি সকলৰ ক্ষেত্ৰত এক্স গ্ৰেছিয় সাহাৰ্যা প্ৰদান কৰা হব।

চৰকাৰী কৰ্মচাৰীৰ বাহিৰে অন্যান্য মৃত ব্যক্তিসকলৰ নিকটাত্মীয়ক এনে ধৰণৰ সাহাৰ্য্য মন্ত্ৰীসভাৰ অনুমোদন লৈ এই নিধিৰ পৰা মঞ্জুৰ কৰা হব।

শ্ৰীশৰত চন্দ্ৰ সিংহ : মাননীয় উপাধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰীৰ পৰা এটা কথা জানিব বিচাৰিছো যে ৰাজ্যিক লটাৰীৰ পৰা যোৱা বছৰ আৰু ইয়াৰ আগৰ বছৰত কিমান টকা লাভ হৈছে? লাভৰ পৰা এলোকেচন বিভিন্ন বিভাগত কেনেকৈ কৰিছে আৰু কিমান টকা ডিষ্টিবিউচন কৰিছে? লাভৰ তিনিভাগৰ এক অংশ বি, বৰুৱা কেনচাৰ প্ৰতিষ্ঠানৰ কাৰণে ৰখা হৈছে কিন্তু কিমান টকা ৰাখিছে হিচ'বটো দিব লাগে। তিনি ভাগৰ দুই ভাগ বেলেগ অনুষ্ঠান প্ৰতিষ্ঠানত ডিষ্টিবিউচনৰ কাৰণে ৰখা হৈছে বুলি কৈছে—কিন্তু কিমান টকা ইয়াৰ বাবে ৰখা হৈছে? লটাৰী অনুষ্ঠানটোৰ পৰা চৰকাৰৰ লাভ হৈছেনে লোকচান হৈছে? যদি লাভ হৈছে কিমান টকা লাভ হৈছে আৰু এই লাভৰ টকা কাক কেনেকৈ কিমান টকাকৈ আবন্টন দিছে তাৰ এটা হিচাব দিলে আমাৰ মনৰ খুদুৱনি দুৰ হব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় উপাধ্যক্ষ মহোদয়, মই ইতিমধ্যে বিস্তৃত ভাবে কিমান লাভ হৈছে, কত কিমান অংশ ডিষ্টিবিউট কৰা হৈছে কৈছোৱেই। লাভৰ শতকৰা ২৫ ভাগ ৰাজ্য চৰকাৰৰ ৰাজহত জমা দিয়া হয়। বাকী থকা তিনি ভাগৰ এভাগ বি, বৰুৱা কেনচাৰ প্ৰতিষ্ঠানক দিয়া হয়, বাকী থকা খিনি বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠানৰ নামত বিতৰণ কৰিবৰ কাৰণে দিয়া হয়। ১৯৮৮-৮৯ চনৰ কাৰণে হিচাব সম্পূৰ্ণ হোৱা নাই। মাজে মাজে লটাৰীত লোকচানো হৈছে। ১৯৮৮-৮৯ চনত ২৭ লাখ টকা লাভ হৈছে, ১৯৮৭-৮৮ চনত

৫১ লাখ টকা আৰু ১৯৮৬-৮৭ চনত ৬৭ লাখ টকা বাজিক লটাৰীৰ পৰা লাভ হৈছে।

শ্ৰীশৰত চন্দ্ৰ সিংহ : মাননীয় উপাধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো কিমান টকা কেনচাৰ প্ৰতিস্থানত দিয়া হৈছে আৰু কিমান টকা অন্যান্য প্ৰতিস্থানক ডিষ্ট্ৰিবিউট কৰা হৈছে, পাৰ্চেণ্টেজ হিচাবটো নেলাগে টকাৰ সংখ্যা লাগে। যদি এই হিচাৱ মুখ্যমন্ত্ৰীয়ে আজি দিব নোৱাৰে মেলাক পিচত দিলেও হব ? ১৯৮৮-৮৯ চনৰ হিচাব নেলাগে বাকী তাৰ আগৰ তিনিটা বছৰৰ কাৰণে দিলেও হব। যিবোৰ টকা বিভিন্ন অনুস্থান প্ৰতিস্থানৰ কাৰণে ৰখা হৈছে উক্ত টকা বোৰ আবণ্টন দিয়া হৈছেনে নাই। এই কথাটো সাধাৰণ ভাৱে জনালেও হব তেতিয়াই আমাৰ মনৰ খুদুৰনি দূৰ হব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় উপাধ্যক্ষ মহোদয়, বিভিন্ন প্ৰশ্নৰ উত্তৰত মই ক'ত কিমান টকা দিয়া হৈছে সেইটো কৈছো বুই আৰু বেলেগে কিবা কব লাগিব বুলি মই নাভাবো।

শ্ৰীশৰত চন্দ্ৰ সিংহ : মাননীয় উপাধ্যক্ষ মহোদয়, হিচাবটো এই কাৰণেই বিচাৰিছো যে কোনোবা বছৰত লাভৰ টকাখিনিকৈ বেছি টকা বিতৰণ কৰা হৈছেনেকি ? প্ৰতি বছৰৰ লাভৰ টকা প্ৰতি বছৰত বিতৰণ কৰা হয় নেকি ? প্ৰফিট যদি হৈছে কিমান ডিষ্ট্ৰিবিউসনৰ কাৰণে ৰখা হৈছে আৰু উক্ত এভেইলএব্ল টকা সমুদায় আবণ্টন কৰা হৈছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় উপাধ্যক্ষ মহোদয় ১৯৮৮-৮৯ চনৰ বছৰটোত যিটো প্ৰফিট হৈছে সেইটো এই বছৰ আবণ্টন কৰা হব। এটা বছৰৰ লাভটো পিচৰ বছৰত আবণ্টন কৰা হয়। যিটো লাভ হয় সেইটো প্ৰচলিত আইন মতে বিতৰণ কৰা হয়। লাভৰ শতকৰা ২৫ ভাগ ৰাজহত জমা হয়, তিনি ভাগৰ এভাগ বি, বৰুৱা কেনচাৰ প্ৰতিস্থানক দিয়া হয়। এতিয়া বি, বৰুৱা কেনচাৰ প্ৰতিস্থানটো চৰকাৰৰ হাতলৈ অহাত তাত দিবলগীয়া টকাটো সদ্যহতে জমা হৈ আছে।

শ্ৰীশৰত চন্দ্ৰ সিংহ : মাননীয় উপাধ্যক্ষ মহোদয়, কিমানকৈ টকা ডিষ্ট্ৰিবিউট কৰিছে সেইটোহে জানিব খুজিছো। যি কোনো দুটা বছৰৰ কাৰণে দিলেও হব।

হৈয়াত এটা তাৎপর্য্য আছে—সেই কাৰণে জানিব বিচাৰিছো। শ্ৰীদাসগুপ্ত ডাঙৰীয়াইও এই টকা লটাৰীৰ ফাণ্ডৰ পৰা আবণ্টন কৰা হৈছে নে কনচলিডেটেড ফাণ্ডৰ পৰা কৰা হৈছে জানিব খুজিছে। লাভ-লোকচান কিমান হৈছে আৰু লটাৰী ফাণ্ডৰ বাহিৰৰ পৰা টকা আনি ডিষ্ট্ৰিবিউট কৰা হৈছেনেকি এইটো চাব খুজিছো। সেয়ে এটা বিতং হিচাব দিলে ভাল হয়।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী): মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদাসগুপ্ত ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছিল সেইটো বিক্ৰিউজিৰ ক্ষেত্ৰত ৰিইমবাৰ্চমেণ্টৰ কথাহে আছিল। লটাৰীৰ পৰা প্ৰফিট নহলে খৰচ কৰাৰ প্ৰশ্ন নুঠে।

মাননীয় উপাধ্যক্ষ: শ্ৰীচেত্ৰী আপুনি কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবনে?

শ্ৰীকুল বাহাদুৰ চেত্ৰী: মই উঠাই লৈছো।

Mr. Dy. Speaker: Is it the pleasure of the House to grant leave to withdraw the Cut Motion.

(Voices, yes yes.)

(Cut Motion was withdrawn.)

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে: মাননীয় উপাধ্যক্ষ মহোদয়, মই প্লেন এষ্টিমেটৰ কথা জানিব বিচাৰিছিলো আৰু লটাৰীৰ টকাৰ ইউটিলাইজেচন চাৰ্টিফিকেট যোৱা ৩ বছৰে অনুষ্ঠান প্ৰতিষ্ঠানবোৰে দাখিল কৰিছেনে নাই আৰু এই টকা পোৱাৰ কাৰণে আবেদন জিলাৰ উপায়ুক্তৰ জৰিয়তে আহিব লাগেনে কি-এই কেইটা প্ৰশ্নৰ উত্তৰ পোৱা নাই। লগতে মুখ্য মন্ত্ৰীয়ে যিটো টকাৰ হিচাব দেখুৱাইছে মই জমামতো এই লিণানত্ত আৰু বেছি টকা খৰচ কৰা হৈছে। কনচলিডেটেড ফাণ্ডৰ পৰা টকা আনি ইয়াত খৰচ কৰা হৈছে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): মাননীয় উপাধ্যক্ষ মহোদয় এষ্টিমেট কৰিবলৈ দিয়া হয়। মেনেজিং কমিটিবোৰক এই কামৰ দায়িত্ব দিয়া হয়। লটাৰীৰ লাভৰ টকা নেথাকিলে ডিষ্ট্ৰিবিউট হব নোৱাৰে। অন্য শিতানৰ পৰা টকা আনি দিয়াৰ প্ৰশ্ন উঠিব নোৱাৰে। ইউটিলাইজেচন চাৰ্টিফিকেট বিচৰা হয়। এই ক্ষেত্ৰত কিবা নিৰ্দিষ্ট অভিযোগ থাকিলে, জনালে ব্যৱস্থা লোৱা হব। ইয়াৰ বাবে দৰখাস্ত উপায়ুক্তৰ জৰিয়তেও কৰিব পাৰে, কিছুমানে আমালৈ

ডাইৰেক্ট পঠাই আৰু কিছুমান লোকে পোনে পোনে ডাইৰেক্টৰ লটাৰী লৈকো আবেদন পঠায়।

Mr. Dy Speaker : Now Mr. Ardhendu Kumar De. Will you withdraw your cut motion ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন কেইটাৰ উত্তৰ মুখ্যমন্ত্ৰীয়ে প্ৰপাৰলি দিয়া নাই, সেয়ে মই উঠাই নলও।

Mr. Deputy Speaker : I put the motion before the House. The motion is that the total provision of Rs. 188, 33, 01,000 under Grant No. 25 in respect of "State Lotterise and others" at pages 27-32 of Volume 11 part XXI of the Budget be reduced to Rs. 1.00 ie, the amount of the whole grant of Rs. 188,33,01,000 do stand reduced to Rs. 1.00.

[ Voices—yes, yes ]

The cut motion is lost.

Now Shri Heman Das, will you withdraw your cut motion ?

শ্ৰীহেমেন দাস : উঠাই লৈছো চাৰ ?

Mr. Deputy speaker : Is it the pleasure of the House to grant leave to withdraw the cut motion ? With the leave of the House is cut motion is withdrawn. Now I put the demand before the House for approval. The motion is that a sum of Rs. 141,24,76,000 be granted to the Minister-in-charge to complete the sum of Rs. 188,33,01,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March. 1990 for the administration of "State Lotteries and others."

The motion is passed. The Grant No. 25 is passed.

Mr. Deputy Speaker : Now Grant No. 63, Flood Control, Hon'ble Minister Shri Atul Bora.

শ্ৰীঅতুল চন্দ্ৰ বৰা ( মন্ত্ৰী ) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৯০ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "বান নিয়ন্ত্ৰণ" সম্পৰ্কীয় শিতানৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ৫৯,৪২,৬৯,০০০ পৰিমানৰ টকা সম্পুৰ্ণ কৰাৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৪৪,৫৭,০২,০০০ টকা মঞ্জুৰ কৰা হওঁক ।

মাননীয় উপাধ্যক্ষ : ইয়াৰ ওপৰত ৮টা কাট্ মোচন আছে।

Shri Abdul Muhib Mazumdar : Mr. Deputy Speaker Sir, I beg to move that the total provision of Rs. 59,42,-69,000 under Grant No. 63 in respect of "Flood Control" at pages 1-33 of Volume 11, part X of the Budget be reduced by Rs. 100.00 ie., the amount of the whole grant of Rs. 59,42,69,000 do stand reduced by Rs. 100.00.

শ্ৰীৰত্নেশ্বৰ চৰকাৰ : মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৮৯-৯০ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ দশম অংশৰ ১-৩৩ পৃষ্ঠাত থকা বান নিয়ন্ত্ৰণ শিতানৰ গ্ৰাণ্ড নম্বৰ মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ সমগ্ৰ ৫৯,৪২,৬৯,০০০ টকাৰ পৰা ১০০ টকাৰে হ্ৰাস কৰা হওঁক অৰ্থাত সমুদায় মঞ্জুৰীৰ ৫৯,৪২,৬৯,০০০ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক ।

শ্ৰীআফজলুৰ ৰহমান : মাননীয় উপাধ্যক্ষ মহোদয়. ১৯৮৯-৯০ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ দশম অংশৰ ১-৩৩ পৃষ্ঠাত থকা বান নিয়ন্ত্ৰণ শিতানৰ ৬৩ নম্বৰ মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ সমগ্ৰ ৫৯,৪২,৬৯,০০০ টকাৰ পৰা ১০০ টকাৰে হ্ৰাস কৰা হওঁক অৰ্থাত সমুদায় মঞ্জুৰীৰ ৫৯,৪২,৬৯,০০০ টকা ১০০ টকাৰে হ্ৰাস কৰাহওঁক ।"

Shri Amrit Lal Basumatary : Mr. Deputy Speaker Sir,

I beg to move that the total provision of Rs. 59,42,69,000 under Grant No. 63 in respect of "Flood Control" at pages 1-33 of Volume 11, part X of the Budget be reduced by Rs. 100.00 ie, the amount of the whole grant of Rs. 59,-42,69,000 do stand reduced by Rs. 100.00.

Shri Jenendra Basumatary : Mr. Deputy Speaker Sir, I beg to move that the total provision of Rs. 59,42,69,000 under Grant No. 63 in respect of "Flood Control" at pages 1-33 of Volume 11, part X of the Budget be reduced by Rs. 100.00 ie.. the amount of the whole grant of Rs. 59,42,69,-000 do stand reduced by Rs. 100.00

Shri Hemen Das : Mr. Deputy Speaker Sir, I beg to move that the total provision of Rs 59,42,69,000 under Grant No. 63 in respect of "Flood Control" at pages 1-33 of Volume 11 part X of Budget be reduced by Rs. 100.00 ie, the amount of the whole grant of Rs. 59,42,69,000 do stand reduced by Rs. 100.00.

Mr. Deputy Speaker : Shri Binai Khungur Basumatari : ( absent )

Shri Aminul Islam ( absent )

Now Shri Abdul Muhib Majumdar to speak.

Shri Abdul Muhib Majumdar : Mr. Deputy Speaker Sir, we are faced with the demand of more than 59 crores. The demand has been made by the Minister-in-charge of Flood Control. Sir, from time immemorial, we find that this state is visited

